# বাজেট বক্তৃতা

## ১৯৫৪-৫৫

सत्यमेव जयते

**শ্ৰীমতিৰাম বৰা**

বিত্তমন্ত্ৰী, অসম

মাৰ্চ ১১, ১৯৫৪

প্ৰচাৰ বিভাগৰ
দ্বাৰা প্ৰকাশিত
আৰু প্ৰচাৰিত

অসম চৰকাৰৰ
প্ৰেছত ছপা হ'ল

অধ্যক্ষ মহাশয়,

১৯৫৪-৫৫ চনৰ বাজেটৰ হিচাবৰ বছৰেকীয়া বিৰৰণ দাঙি ধৰাৰ লগে লগে অতীতৰ দৰে এইবাৰো মই আমাৰ দেশৰ কেইজনমান বিশিষ্ট লোকৰ মৃত্যুৰ কথা গভীৰ দুখৰে সৈতে উল্লেখ কৰিব লগা হৈছে। এই কালছোৱাৰ ভিতৰত আমি বহুতো ভাৰতীয় খ্যাতি সম্পন্ন নেতৃ স্থানীয় লোক হেৰুৱাইছো। বিশেষকৈ স্বৰ্গীয় সুৰেন্দ্ৰ নাথ বুঢ়াগোহাই ডাঙৰীয়াই অসমৰ মন্ত্ৰী হিচাপে আৰু সংঘ মন্ত্ৰী মণ্ডলীৰ উপ-মন্ত্ৰী হিচাপে অসমৰ বাবে খ্যাতি আৰু সাফল্য অৰ্জন কৰে। মই স্বৰ্গগত এই লোকসকলৰ প্ৰতি মোৰ অন্তৰৰ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছো।

কিন্তু এই বছৰত অইন অইন ক্ষেত্ৰত লাভ কৰা সফলতাৰ কথা উল্লেখ কৰি মই যি শোক লগা কথা আপোনালোকক জনাব লগীয়া হৈছে তাৰ ক্ষতিপূৰণ কৰিব পৰা যায়। মই আপোনালোকৰ আগত এই কথা প্ৰকাশ কৰিবলৈ পাই সুখ পাইছো যে যদিও ১৯৫৪-৫৫ চনৰ বাজেটত ঘাটিৰ পৰিমাণ বহুতো বেছি দেখা হৈছে তথাপি এক সুষ্ঠ পাৰিপাৰ্শ্বিকতাৰ মাজত আৰু পৰিলক্ষিত ভৱিষ্যত উন্নতিৰ ছবি এখন সন্মুখত ৰাখি সদনত এই বাজেট দাঙি ধৰিবলৈ মই সক্ষম হৈছো। ৰাজ্যৰ খাদ্য পৰিস্থিতিৰ ভালেখিনি উন্নতি হৈছে। এই বছৰত খাদ্য-উৎপাদন বৃদ্ধি হোৱা কথাটো ভালদৰে পৰিলক্ষিত হৈছে আৰু কিছুদিনৰ পৰা খাদ্য-সামগ্ৰীৰ যোগান বিষয়ত নিৰবাচ্ছিন্ন ভাবে ঘাটি পৰি থকা অৱস্থাৰ পৰা আমাৰ ৰাজ্য খন চাউল উৎপাদনৰ ক্ষেত্ৰত ৰাহি ৰাজ্য হিচাবে মূৰ দাঙি উঠিছে। ইয়াৰ ফলত অপ্ৰয়োজনীয় নিয়ন্ত্ৰণ ব্যৱস্থাও প্ৰায় উঠি যোৱাৰ নিচিনা হৈছে। যোৱা বছৰৰ বাজেট বক্তৃতাত খাদ্য সামগ্ৰী বিষয়ত আমি আতঙ্কঁৰ অৱস্থা পাৰ হৈ যোৱা বুলি মই উল্লেখ কৰিছিলো আৰু আজি সেই কথা আখৰে আখৰে ফলিওৱা বুলি কবলৈ পাই মই আনন্দ অনুভৱ কৰিছো। ৰাজ্যত শান্তি আৰু শৃংখলা পৰিস্থিতিৰো পৰিলক্ষিত উন্নতি হোৱা দেখা গৈছে। ৰাজ্যৰ সমৃদ্ধিৰ কথা বহুত বেছি পৰিমাণে জড়িত, ৰাজ্যৰ প্ৰধান উদ্যোগ চাহ উদ্যোগে ১৯৫২ চনৰ সঙ্কঁটৰ পিচত সুষ্ঠ ভাবে উন্নতিৰ পথত আগ বাঢ়িছে। যোৱা বছৰৰ তুলনাত এই বছৰত বস্ত্ৰ-বাহানিৰ দামো হ্ৰাস হোৱা দেখা গৈছে। জন-স্বাস্থ্যৰ অৱস্থা সন্তোষজনক আৰু এই বছৰত ৰাজ্যখন প্ৰাকৃতিক দুৰ্য্যোগ আৰু অপায় অমঙ্গল পৰা মুক্ত থাকে। যোৱা বছৰৰ তুলনাত এই বাৰ মৰাপাটৰ বজাৰৰ সামান্য উন্নতি হয় আৰু দেশৰ বিভাজনৰ পিচত সীমান্ত অঞ্চলৰ বিচ্ছিন্ন অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধনৰ বাবে লোৱা প্ৰচেষ্টাৰ পৰা ক্ৰমাগত সুফল পোৱা গৈছে। সীমান্ত অঞ্চলত উৎপাদন হোৱা সুমথিৰা আৰু অন্যান্য ফল-মূলৰ ভাল মূল্য পোৱা গৈছে। ইয়াৰ ফলত এই বছৰত আৰ্থিক অৱস্থাৰ ক্ৰমাগত উন্নতি হোৱা দেখা গৈছে আৰু বৰ্ত্তমান অৱস্থালৈ লক্ষ্য কৰিলে অহা বছৰতো ৰাজ্যৰ আৰ্থিক অৱস্থা উন্নত হব বুলি আশা কৰা যায়। এনেকুৱা স্বচ্ছলতাৰ সহায়ত পাঁচ বছৰীয়া পৰিকল্পনাৰ অধীনত লোৱা উন্নয়ন আঁচনি সমূহৰ প্ৰতি অধিক মনোযোগ দিবলৈ চৰকাৰে সুবিধা পাইছে।

## পাঁচ বছৰীয়া পৰিকল্পনা

আমাৰ মূল পাঁচ বছৰীয়া পৰিকল্পনা খন যে ১২½ কোটি টকা ব্যয় সাপেক্ষ আছিল সেই কথা মাননীয় সদস্যসকলৰ অজানা নহয়। পিচত পাঁচ বছৰীয়া পৰিকল্পনাৰ ভিতৰত সংবিধানৰ ২৭৫ অনুচ্ছেদৰ অধীনৰ মঙ্গল বিধায়ক আচনি সমূহো ধৰা হয়। তাৰ পিচত অসম মেডিকেল কলেজ, ৰীড চেষ্ট হস্পিতাল আৰু ডিব্ৰুগড় পৰিৰক্ষন আঁচনিৰ বাবে ওপৰঞ্চি ভাবে ব্যৱস্থা কৰা হয়। তাৰ পিচৰ পৰাই উমৃট্ৰু জল-বিদ্যুৎ আঁচনিৰ বাবে ধৰা ব্যয়ৰ পৰিমানো বৃদ্ধি কৰা হয়। আয়েঙ্গাৰ কমিটিৰ সুপাৰিশ অনুযায়ী পৰ্ব্বতীয়া অঞ্চলৰ ৰাস্তা সজা ব্যয়ৰ পৰিমাণে সংশোধন কৰা হয়। ইয়াৰ ফলত পাঁচ বছৰীয়া আঁচনিত ধৰা ব্যয়ৰ পৰিমাণ এতিয়া ১৮,২৩,০০,০০০ টকা হৈছে গৈ।

মাননীয় সদস্য সকলে ভালদৰে জানে যে পৰিকল্পনাৰ প্ৰথম দুবছৰৰ ভিতৰত অৰ্থাৎ ১৯৫১-৫২ আৰু ১৯৫২-৫৩ চনত অধিক শস্য উৎপাদন প্ৰচেষ্টা আৰু সংবিধানৰ ২৭৫ অনুচ্ছেদৰ অধীনত লোৱা আঁচনি সমূহৰ বাহিৰে পৰিকল্পনা পৰিপালন কৰিবলৈ কেন্দ্ৰৰ পৰা ৰাজ্যিক চৰকাৰে কোনো সাহায্য পোৱা নাছিল। কিন্তু এই আচনি সমূহৰ প্ৰয়োজনীয়তা আৰু গুৰুত্বলৈ চাই সামান্য ৰাজহৰ সহায়তে এই আঁচনি সমূহৰ বহুতো পৰিপালন কৰা

হয় আৰু ৰাজ্যৰ বিত্ত সম্পদৰ পৰা ১৯৫১-৫২ আৰু ১৯৫২-৫৩ চনত যথাক্রমে ৯০,৮৭,৫০০৲ আৰু ১,৩৭,৬৮,০০০৲ টকা ব্যয় কৰা হয়। এই বছৰৰ এপ্রিল মাহৰ আগভাগত আমাৰ বিত্ত আৰু উন্নয়ন বিভাগৰ পদাধিকাৰী সকলে পৰিকল্পনা সম্পৰ্কে বিস্তৃত ভাবে আলোচনা কৰিবলৈ আৰু বিত্তীয় সাহায্যৰ পৰিমাণ স্থিৰ কৰিবলৈ দিল্লীলৈ যায়। এই আলোচনাৰ ফলত পৰিকল্পনা পৰিপালনৰ বাবে ভাৰত চৰকাৰে ঋণ স্বৰূপে সাহায্য দিবলৈ স্বীকাৰ কৰিছে। এই বছৰত ১,২৫,০০০ টকাৰ ঋণ অসমলৈ কেন্দ্রই আগ বঢ়াইছে। সকলো কথা বিবেচনা কৰি দেখা গৈছে যে ৰাজ্যৰ মঙ্গল বিধানৰ বাবে পৰিকল্পনাখনৰ পৰিপালন কৰাৰ ইমান প্ৰয়োজন যে ঋণ স্বৰূপে আগ বঢ়োৱা ধনো আমি গ্রহণ কৰা উচিত হব। সেই অনুসাৰে বিশেষ পৰীক্ষাৰ পিচত প্ৰায় আটাইবোৰ আঁচনিকে পৰিপালন বাবে লোৱা হয়। চলিত বছৰত এই আঁচনিবোৰৰ প্ৰায় আটাইবিলাকৰ কাম আৰম্ভ কৰা হৈছে। অহা বছৰ আৰু তাৰ পিচৰ বছৰত কেন্দ্ৰীয় চৰকাৰে আৰু অধিক পৰিমাণে ধাৰ দিব বুলি আশা দিছে আৰু এতিয়া পৰিকল্পনাটো সম্পূৰ্ণ ভাবে পৰিপালন কৰিব পৰা অৱস্থাত আমি উপনীত হৈছো। এইটো সঁচা যে কেন্দ্ৰীয় বিত্তীয় সাহায্যৰ অভাৱ আৰু সেই সময়ৰ কিছুমান অনিশ্চয়তাৰ বাবে প্ৰথম দুবছৰৰ দৰে এই সময় ছোৱাত পৰিকল্পনাৰ কাম সিমান সন্তোষজনক ভাবে আগ বঢ়া নাই। বাকী বছৰ কেইটাৰ ভিতৰত এই ঘাটি পূৰণ কৰিব পৰা যাব বুলি আৰু এই সময় ছোৱা শেষ হোৱাৰ লগে লগে পৰিকল্পনা পৰিপালনত আমি অইন ৰাজ্যতকৈ পিচ পৰি থাকিব নালাগিব বুলি আশা কৰা গৈছে। ২৭৫ অনুচ্ছেদৰ অধীনৰ আঁচনি সমূহৰ বাহিৰে পাচ বছৰীয়া পৰিকল্পনাৰ অধীনৰ আঁচনি সমূহত চলিত বছৰত হোৱা ব্যয়ৰ পৰিমাণ ২,৬৪,২৯,০০০ টকাৰ ওপৰ হব বুলি অনুমান কৰা হৈছে।

মাননীয় সদস্য সকলে জানিবলৈ পাই সুখ পাব যে কেন্দ্ৰীয় চৰকাৰে চলিত বছৰত (১) অধিক শস্য উৎপাদন প্ৰচেষ্টা, (২) সদায় দুৰ্ভিক্ষ আৰু মাৰি-মৰক দেখা দিয়া অঞ্চল সমূহৰ উন্নতি সাধনৰ বাবে লোৱা আঁচনি আৰু (৩) সুবিস্তীৰ্ণ ৰাস্তা ঘাট সজা আঁচনিৰ সহায়ত আঁচনিৰ পৰিসৰ বৃদ্ধি কৰিবৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে কিছু ধন দিবলৈ সিদ্ধান্ত কৰিছে। কেন্দ্ৰীয় সাহায্যৰ সহায়ত আঁচনিৰ পৰিসৰ বৃদ্ধি কৰিবলৈ এই সুযোগ লবলৈ আমাৰ চৰকাৰে ততাতয়াকৈ তিনিখন আঁচনি ভাৰত চৰকাৰৰ অনুমোদনৰ বাবে পঠিয়াইছে। ৰাস্তা ঘাট সজা এনেকুৱা এখন আঁচনিত ধৰা ব্যয়ৰ পৰিমাণ ১,৪০,০০,০০০ টকা। সদায় বাৰেওটিকাল দুৰ্ভিক্ষ আৰু মাৰি-মৰক দেখা দিয়া ঠাইবোৰৰ উন্নতি সাধনৰ বাবে লোৱা আঁচনিত ৯৩,০০,০০০৲ টকা ব্যয় হব বুলি অনুমান কৰা হৈছে। ৰাজ্যত সঘনে বানপানী হোৱা কথাটোলৈ লক্ষ্য ৰাখি আমাৰ চৰকাৰে জলসিঞ্চন, নলা খন্দা আৰু মথাউৰি সজা কথাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। প্ৰতি বছৰে অসমৰ খৰস্ৰোতা নৈবোৰৰ প্ৰকোপত আমাৰ ৰাজ্যৰ লোক সকলৰ অৱস্থা পানীত হাঁহ নচৰা হয় আৰু তাৰ ফলত চৰকাৰে বহুতো খাজনা মাফ দিব লগা হয়। সেই কাৰণে বানপানী নিয়ন্ত্ৰণ আৰু নৈৰ পানীয়ে ধুইনিয়া অঞ্চল সমূহ খেতি বাতিৰ উপযুক্ত কৰি তোলা কথাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা প্ৰয়োজন হৈ পৰিছে। এই আঁচনিসমূহ নিৰ্ব্বাচন কৰোতে যাতে বানপানী হোৱা সকলো ঠাইৰ কথা বিবেচনা কৰা হয় তালৈ চৰকাৰে চকু ৰাখিছে। এই আঁচনিবোৰ মথাউৰি আৰু নলাখন্দা বিভাগৰ ৰাজ্যিক উপদেষ্টা মণ্ডলীলৈ অনুমোদনৰ বাবে পঠোৱাৰ পিচত অনুমোদন পোৱা হয়।

মাননীয় সদস্য সকলে শুনি নিশ্চয় সুখ পাব যে অসম ৰাস্তা সঞ্চাৰ মণ্ডলীৰ লগত আলোচনা কৰি নথ ট্ৰাঙ্ক ৰাস্তাটোৰ উন্নতি সাধনৰ বাবে চৰকাৰে এখন কাৰ্য্যসূচী লৈছে। এই কামত অনুমান ১,৪০,০০,০০০৲ টকা ব্যয় হব আৰু ৰাজহৰ পৰা এই ব্যয়ৰ শতকৰা দহ অংশ চৰকাৰে বহন কৰিব বুলি সিদ্ধান্ত কৰিছে।

এই নতুন আঁচনি চাৰিখন কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ কাৰণে ৰৈ আছে। সেই কাৰণে অহা বছৰৰ বাজেটত এই আঁচনিসমূহৰ বাবে কোনো ব্যয় ধৰা নহব। এই আঁচনিবোৰ মঞ্জুৰ কৰিলে যথা সময়ত ইয়াৰ বাবে ধন সংগ্ৰহ কৰিব লাগিব। তলত সংবিধানৰ ২৭৫ অনুচ্ছেদৰ অধীনৰ আঁচনিসমূহৰ বাহিৰে অধিক শস্য উৎপাদন প্ৰচেষ্টাক ধৰি পাঁচবছৰীয়া পৰিকল্পনাত হোৱা ব্যয়ৰ তালিকা এখন দিয়া হ'ল। তলৰ তালিকাত অনুদান নাইবা ঋণ হিচাবে কেন্দ্ৰৰ

পৰা পোৱা সাহায্যৰ পৰিমাণ দেখুওৱা হৈছে। যদিও আগতে ৰাজ্যিক চৰকাৰে ভৰিব লগীয়া ব্যয়ৰ পৰিমাণ ১½ কোটি টকা আছিল তথাপি পৰিকল্পনা পৰিপালনৰ বাবে আমাৰ চৰকাৰে নিজৰ ৰাজহ সম্পদৰ পৰা ইতিমধ্যে ৩,০৭,৭৪,০০০৲ টকা ব্যয় কৰা কথাটোও তালিকা খনত দেখুৱা হৈছে। সেই কাৰণে পৰিকল্পনা পৰিপালনৰ বাবে চৰকাৰে যিখিনি কৰিব লাগে বুলি আশা কৰা হৈছিল আমাৰ চৰকাৰে কাৰ্য্যতঃ তাতকৈ বহুতো বেছি কৰিছে।

| | ১৯৫১-৫২ | ১৯৫২-৫৩ | ১৯৫৩-৫৪ |
|---|---|---|---|
| অধিক শস্য উৎপাদন আঁচনিৰ বাবে কেন্দ্ৰীয় সাহায্য। | ১১,৯৮,৩২২ | ৪০,৪৬,১১৪ | ৫৭,৪৭,২৩১ |
| ৰাজ্যৰ ৰাজহ সম্পদৰ পৰা অধিক শস্য উৎপাদন আঁচনিত হোৱা ব্যয়। | ৩২,৫০,৫৫৭ | ৪৯,৭০,৮৪১ | ২৪,৭৬,৫৮৫ |
| অধিক শস্য উৎপাদন আঁচনিৰ মুঠ ব্যয়... | ৪৪,৪৮,৮৭৯ | ৯০,১৬,৯৫৫ | ৮২,২৩,৪১৬ |
| ২৭৫ অনুচ্ছেদৰ অধীনৰ আঁচনি ব্যতিৰেকে অন্যান্য আঁচনিৰ বাবে কেন্দ্ৰীয় সাহায্য। | ... | ২,৬৩,০০০ | ১,২৫,০০,০০০ |
| ৰাজ্যৰ ৰাজহ সম্পদৰ পৰা অন্যান্য আঁচনি বাবদ হোৱা ব্যয়। | ৫৮,৩৭,০০০ | ৮৫,৩৪,০০০ | ৫৭,০৫,০০০ |
| ২৭৫ অনুচ্ছেদৰ অধীনৰ আঁচনি ব্যতিৰেকে অন্যান্য আচনিৰ কামত হোৱা মুঠ ব্যয়। | ১,০২,৮৫,৮৭৯ | ১,৭৮,১৩,৯৫৫ | ২,৬৪,২৮,৪১৬ |

সদনৰ সকলোৱে জানে যে দ্বিতীয় পাঁচ বছৰীয়া পৰিকল্পনা সম্বন্ধে প্ৰাৰম্ভিক আলোচনাৰ কাম ইতিমধ্যে আগবাঢ়িছে। দ্বিতীয় পৰিকল্পনাৰ কাম অধিক সুচাৰুৰূপে আৰম্ভ কৰিবলৈ আৰু প্ৰথম পৰিকল্পনাৰ খুতি নাতি দূৰ কৰিবলৈ ৰাজ্যিক চৰকাৰে কেতবোৰ বিশেষ ব্যৱস্থা লৈছে আৰু ৰাজ্যিক পৰিকল্পনা উপদেষ্টা মণ্ডলীৰ এটা উপসমিতি গঠন কৰা হৈছে। ৰাজ্যৰ সকলো উপবিভাগলৈ উপসমিতিৰ অভ্যবেদন দিয়া হৈছে আৰু বিভিন্ন ৰাজ্যিক চৰকাৰ আৰু স্থানীয় সংগঠনৰ পৰা পৰামৰ্শ বিচৰা হৈছে। ইয়াৰ উপৰিও চৰকাৰী বিভাগ সমূহে দ্বিতীয় পাঁচ বছৰীয়া পৰিকল্পনাৰ প্ৰতি বিশেষ মনোযোগ দিছে। সমন্বয়যুক্ত এনেকুৱা কাৰ্য্য কলাপ, আৰু লোক সাধাৰণৰ পৰামৰ্শ আৰু সহযোগৰ সহায়ত দ্বিতীয় পাচবছৰীয়া পৰিকল্পনা জনসাধাৰণৰ সদিচ্ছা, সহযোগ আৰু আৱশ্যকতাৰ ওপৰত প্ৰতিষ্ঠিত হৈ ৰাজ্যৰ জনসাধাৰণৰ স্বাৰ্থ পূৰণত যথাৰ্থ সহায়ক হব বুলি আশা কৰা হৈছে। দ্বিতীয় পাচ বছৰীয়া পৰিকল্পনাৰ কাম কি দৰে আৰম্ভ কৰা যায় সেই সম্পৰ্কে মাননীয় সদস্য সকলৰ পৰা পৰামৰ্শ পোৱা যাব বুলি চৰকাৰে আশা কৰে। চৰকাৰে এইটোও আশা কৰে—দ্বিতীয় পাঁচবছৰীয়া পৰিকল্পনা পৰিপালনৰ বাবে আৱশ্যক হোৱা ধন কিদৰে সংগ্ৰহ কৰা যায় সেই বিষয়ে সদস্য সকলৰ পৰা পৰামৰ্শ পোৱা যাব।

দ্বিতীয় পাচবছৰীয়া পৰিকল্পনাৰ ভিতৰত নৈ-উন্নয়ন আঁচনি এখন অন্তৰ্ভুক্ত কৰিব লাগে বুলি জনসাধাৰণৰ পৰা দাবী আহিছে। নৈ-উন্নয়ন আঁচনি প্ৰস্তুত কৰোঁতে বহুতো সময় লাগে। এই কামত বহুতো নৈ সম্বন্ধীয় আৰু অন্যান্য তথ্যৰ দৰ্কাৰ হয়। এই দৰে সংগ্ৰহ কৰা তথ্যৰ পৰা বিভিন্ন নৈৰ ভিতৰত কোন খনক অগ্ৰগণ্যতা দিয়া যাব সেইটো স্থিৰ কৰা প্ৰয়োজন। তাৰ পিচত পোৱা তথ্যৰ ওপৰত ভিত্তি কৰি আঁচনি প্ৰস্তুত কৰিবলৈ অনুসন্ধান কামৰ বাবে কাৰিকৰী লোকৰ প্ৰয়োজন হয়। সেই কাৰণে এই কামত বহুতো বাধা আছে। এই খিনিতে

এইটো মন কৰিব লগীয়া যে এই ৰাজ্যৰ নৈ বোৰ সম্পৰ্কে ভাল দৰে পৰীক্ষা কাৰ্য্য চলোৱা হোৱা নাই আৰু যি খিনি কৰা হৈছে তাকো আজি অলপ দিন আগতেহে আৰম্ভ কৰা হৈছে। ইয়াৰ বাহিৰেও নৈ-উন্নয়ন আঁচনি গ্ৰহণ কৰাৰ আগতে তাৰ পৰা পোৱা ফলাফলৰ কথাও বিবেচনা কৰিব লাগিব। এইবোৰ অসুবিধা থকা সত্বেও দ্বিতীয় পাঁচ বছৰীয়া পৰিকল্পনাৰ ভিতৰত নৈ-উন্নয়ন আঁচনি অন্তৰ্ভুক্ত কৰিবলৈ চৰকাৰে যথাসাধ্য চেষ্টা কৰিছে।

## স্বায়ত্ব শাসিত জিলা সমূহ

ৰাজ্যৰ ছয় খন পাৰ্ব্বত্য জিলাক উন্নয়নৰ বাবে চৰকাৰ তথা অসমৰ জনসাধাৰণৰ উৎকণ্ঠাৰ কথা নদি কোৱাৰ প্ৰয়োজন নাই। জনসাধাৰণৰ সহযোগ নাপালে যে কোনা উন্নয়নমূলক আচনিয়ে সফলতা লাভ কৰিব নোৱাৰে সেই কথা উল্লেখ কৰাৰো সকাম নাই। পাৰ্ব্বত্য জিলা সমূহৰ পৰা এই কামত আশাপ্ৰদ সহায় সহযোগ পোৱাৰ বাবে চৰকাৰে সন্তোষ পাইছে। এই পাচ খন পাৰ্ব্বত্য জিলাত ইতিমধ্যে স্বায়ত্ব শাসিত জিলা পৰিষদ গঠিত হৈছে। এইটো নতুন কথা তথাপি যি উৎসাহ আৰু একনিষ্ঠা সহকাৰে তেওঁলোকে স্থানীয় শাসন ব্যৱস্থাৰ কাম হাতত লৈছে তাৰ ফলত সকলোৰে পৰা প্ৰশংসা লাভ কৰিছে। পাচখন জিলা পৰিষদে ইয়াৰ দ্বাৰা ঠিক ভাবে কাম কৰি উন্নতিৰ পথত আগ বাঢ়ি গৈছে আৰু তাৰ ফলত পৰ্ব্বতত বাস কৰা আমাৰ ভাই সকলক উন্নতিৰ পথত আগ বাঢ়িবলৈ তেওঁলোকে আদৰ্শ দাঙি ধৰিছে। জিলা পৰিষদ সমূহক প্ৰশাসনৰ সা-সুবিধা দিবৰ বাবে স্বায়ত্ব শাসিত জিলা পাচ খনৰ মাজত বিতৰণৰ বাবে ভাৰত চৰকাৰে দহ লাখ টকাৰ এটা অস্থায়ী মঞ্জুৰী দিছে।

মাননীয় সদস্য সকলে বোধহয় জানে যে সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত জিলা পৰিষদ সমূহৰ বাবে ৰাজহৰ সম্পদ কিছুমান আছুতীয়াকৈ ৰখা হৈছে। কিন্তু এই ৰাজহ সংগ্ৰহৰ বাবে পৰিষদ সমূহে এতিয়ালৈকে প্ৰশাসনীয় ব্যৱস্থাৰ স্থাপন কৰিবলৈ সম্পূৰ্ণ ভাবে সমৰ্থ হোৱা নাই। তাৰ ফলত তেওঁলোকে এই ৰাজহ আদায় কৰিবলৈ চৰকাৰক কৰ্তৃত্ব দিছে আৰু সংগ্ৰহ কামত হোৱা ব্যয় বাদ দি চৰকাৰে এই ৰাজহ তেওঁলোকক সোধাইছে। এই ব্যৱস্থা এতিয়ালৈকে চলি আছে। প্ৰাৰম্ভিক অৱস্থাত ভালদৰে কাম কৰিবলৈ সুবিধা দিয়াৰ উদ্দেশ্যে ৰাজ্যিক চৰকাৰে জিলা পৰিষদ সমূহক তেওঁলোকৰ প্ৰশাসনীয় কাম চলাবৰ বাবে কৰ্ম্মচাৰীৰ যোগান ধৰাৰ উপৰিও ৪,৫০,০০০৲ টকালৈকে অগ্ৰিম ধন দিছে। গাৰো আৰু লুছাই পাহাৰৰ পৰিষদক ২০,৫০০৲ টকা ব্যয় সাপেক্ষ্য সাজ সজুলি আৰু ঘৰ-দুৱাৰ ইত্যাদি দান স্বৰূপে দিছে। সংযুক্ত খাছীয়া-জয়ন্তীয়া পাহাৰ জিলা পৰিষদৰ অধিবেশন আদি পাতিবৰ বাবে চৰকাৰী ঘৰ দিয়া হৈছে। চলিত বছৰত লুচাই পাহাৰত পাৱাই লাখেৰ আঞ্চলিক পৰিষদ স্থাপন কৰা হৈছে আৰু নিৰ্ব্বাচনী খৰছ ৫০০৲ টকা আৰু কাম আৰম্ভ কৰিবলৈ ১০,০০০৲ টকাৰ যোগান ধৰাৰ উপৰিও অনুদান-মূলক সাহায্য স্বৰূপে ১০,০০০৲ টকা দিয়া হৈছে।

কাম কৰিবলৈ সম্পদৰ অপ্ৰচুৰতা সম্পৰ্কে জিলা পৰিষদ সমূহৰ পৰা আপত্তি অহাত যোৱা বছৰত মে' মাহত আমাৰ পদাধিকাৰী সকলৰ সহযোগত ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰী দপ্তৰৰ যুটীয়া সচিবে এই কথাৰ অনুসন্ধান কৰে আৰু ভাৰত চৰকাৰৰ ওচৰত এটা অভ্যবেদন দাখিল কৰে। ইয়াৰ কিছুদিন পিছত ভাৰত চৰকাৰে এই কথা ৰাজ্যিক চৰকাৰলৈ লিখি পঠায় আৰু বৰ্ত্তমানে এই কথা ৰাজ্যিক চৰকাৰৰ বিবেচনাধীন হৈ আছে। এই বিষয়ে মই এটা কথা উল্লেখ নকৰি নোৱাৰো যে স্বায়ত্ব শাসিত জিলা পৰিষদ সমূহৰ সংবিধানিক ব্যৱস্থা অনুসাৰে আগতে ৰাজ্যিক চৰকাৰৰ ৰাজহৰ অন্তৰ্গত কিছুমান বিষয় যেনে ভূমি ৰাজহ, ব্যৱসায় আৰু নিযুক্তি কৰ ৰাজ্যৰ অসংৰক্ষিত জঙ্গলৰ ৰাজহ আৰু যানবাহনৰ কৰ ইত্যাদি বৰ্ত্তমানে জিলাপৰিষদ সমূহৰ হাতলৈ গৈছে। ইয়াৰ ফলত ৰাজ্যৰ ৰাজ ভড়ালৈ অহা ৰাজহৰ পৰিমাণ বহুতো হ্ৰাস পাইছে। আন হাতে সংবিধানৰ ৬ষ্ঠ অনুসচী অনুযায়ী জিলাপৰিষদ সমূহে স্বাস্থ্য ৰক্ষা, গাওঁলীয়া সঞ্চাৰ সাধন প্ৰাথমিক শিক্ষা ইত্যাদি কেতবোৰ বিষয়ৰ প্ৰশাসনৰ ভাৰ নিজ হাতলৈ নিব বুলি আশা কৰা হৈছিল। কিন্তু, জিলা পৰিষদ সমূহে এই বিষয়বোৰৰ শাসন ভাৰ এতিয়ালৈকে নিজ হাতলৈ নিবলৈ সমৰ্থ হোৱা নাই। পৰিষদ সমূহক এনেকুৱা অৱস্থাত সহায় কৰিবৰ বাবে ৰাজ্যিক চৰকাৰে এই বিষয় বোৰৰ প্ৰশাসনীয় কাম এতিয়ালৈকে চলাই আছে আৰু তাৰ ফলত এই কামত আৰ

অন্যান্য উন্নয়নমূলক কামত চৰকাৰৰ ভালেখিনি ব্যয় হৈছে। উদাহৰণ স্বৰূপে প্ৰাথমিক শিক্ষাৰ ভাৰ যদিও জিলা পৰিষদৰ হাতত তথাপিও ৰাজ্যিক চৰকাৰে প্ৰাথমিক শিক্ষাৰ সকলো দায়িত্ব নিজে বহন কৰি আছে আৰু কেৱল এই কামতে জিলা পৰিষদ স্থাপিত হোৱা এই জিলা পৰিষদ সমূহৰ বাবে চৰকাৰৰ চলিত বছৰত ৪,১৫,০০০৲ টকাতকৈয়ো অধিক ব্যয় হৈছে। সেই দৰে জিলা পৰিষদৰ প্ৰশাসনীয় ব্যৱস্থাৰ অন্তৰ্গত জনস্বাস্থ্য বিষয়তো চৰকাৰে এই বছৰত ৩,০০,০০০ কৈয়ো অধিক টকা খৰছ কৰিছে। সেই দৰে জিলা পৰিষদৰ অন্তৰ্গত জিলা সিঞ্চন, টাউন পুলিচ, স্বাস্থ্য ৰক্ষা, গাওঁলীয়া অঞ্চলত সঞ্চাৰ সাধন আৰু পানী যোগান ইত্যাদি বিষয় সমূহ এই চৰকাৰে, এতিয়াও চলাই আছে।

৬ ষ্ঠ অনুসূচীৰ জিলা সমূহৰ প্ৰশাসন সম্পৰ্কে ৰাজহ আৰু ব্যয়ৰ মাজত দেখা দিয়া অসমতা ভাৰত চৰকাৰৰ সাহায্যৰ দ্বাৰা পূৰণ কৰা বুলি আৰু স্বায়ত্ত শাসিত জিলা ছখনৰ বাবে অসম চৰকাৰে কোনো সাহায্য নিদিয়ে বুলি কিছুমান মহলত এটা ভুল ধাৰণা আছে। সঠিক খবৰ নজনাৰ বাবেই এই ভুল ধাৰণা শিপাবলৈ পাইছে। এই জিলা ৬ খনৰ ৰাজ্য আৰু ব্যয়ৰ অসমতা পূৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰলৈ অনুদান হিচাবে ৪০,০০,০০০৲ টকা দিয়ে। কিন্তু ঘাটিৰ পৰিমাণ প্ৰকৃততে বহুতো বেছি। ২৭৫ অনুসূচীৰ অধীনত আচনি সমূহৰ বাহিৰে ভাৰত চৰকাৰে কোনো টকা নিদিয়ে। ৬ষ্ঠ অনুসূচীৰ ৰাজ্য ৬ খনত ১৯৫২-৫৩ চন আৰু ১৯৫৩-৫৪ চনত পোৱা ৰাজ্য আৰু ব্যয়ৰ পৰিমাণ দেখুৱা তালিকা এখন মই তলত দাঙি ধৰিলো।

| | ১৯৫২-৫৩ | | | ১৯৫৩-৫৪ | | | ১৯৫৪-৫৫ | | | তিনি বছৰৰ মুঠ হিচাব (জিলা হিচাবে) (৩), (৬) আৰু (৯)ৰ মুঠ হিচাব |
|---|---|---|---|---|---|---|---|---|---|---|
| | ৰাজহ (১) | ব্যয় (২) | অসমতা (৩) | ৰাজহ (৪) | ব্যয় (৫) | অসমতা (৬) | ৰাজহ (৭) | ব্যয় (৮) | অসমতা (৯) | (১০) |
| | টকা | টকা | টকা | টকা | টকা | টকা | টকা | টকা | টকা | টকা |
| সংযুক্ত খাছিয়া জয়ন্তিয়া পাহাৰ ... | ১৩,৬৬,০২২ | ৪৩,১৭,৪৯৬ | ২৯,৫১,৪৭৪ | ১০,৫০,৪০০ | ৫২,৭২,৮২৫ | ৪২,২২,৩৮৫ | ১০,১২,৫৭৪ | ৬১,১৫,৯৪০ | ৫১,০৩,৩৬৬ | ১,২২,৭৭,২২৫ |
| গাৰো পাহাৰ ... | ১০,০০,৫৩৪ | ২৬,৬৭,৭৪৫ | ১৬,৬৭,২১১ | ৫,৬৮,২৬০ | ২৮,৪৩,৫২০ | ২২,৭৫,২৬০ | ৩,১৬,৮০৭ | ২৭,৯৮,৫২৭ | ২৪,৮১,৭২০ | ৬৪,২৪,১৯১ |
| লুচাই পাহাৰ ... | ৫,৩১.৩৬৬ | ২৫,১১,৪৬৮ | ১৯,৮০,১০২ | ৪,৮৪,৫৯৩ | ৩১,৪৯,৬৪৮ | ২৬,৬৫,০৫৫ | ২,৮০,৭৪৩ | ৩৭,০৫,৭১৫ | ৩৪,২৪,৯৭২ | ৮০,৭০,১২৯ |
| মিকিৰ পাহাৰ ... | ৪,৯০,১৫০ | ১০,৬০,৫৮৫ | ৫,৭০,৪৩৫ | ৫,৫৮,৪০৫ | ১২,৯৮,৭৪১ | ৭,৪০,৩৩৬ | ৫,৯০,৫৩০ | ২০,২৮,৭৮৩ | ১৪,৩৮,২৫৩ | ২৭,৪৯,০২৪ |
| উত্তৰ কাছাৰ পাহাৰ .. | ২,১৩,৬৫৮ | ৮,১৮,২২৯ | ৬,০৪,৫৭১ | ২,৬৪,৫৮০ | ১০,৬০,৩৯৩ | ৭,৯৫,৮১৩ | ১,০৭,৯২০ | ৯,৮০,৪১২ | ৮,৭২,৮৯২ | ২২,৭৩,২৭৬ |
| মুঠ ... | ৩৬,০১,৭৩০ | ১,১৩,৭৫,৫২৩ | ৭৭,৭৩,৭৯৩ | ২৯,২৬,২৭৮ | ১,৩৬,২৫,১২৭ | ১,০৬,৯৮,৮৪৯ | ২৩,০৮,৫৭৪ | ১,৫৬,২৯,৭৭৭ | ১,৩৩,২১,২০৩ | ৩,১৭,৯৩,৯৪৫ |
| নগা পাহাৰ ... | ৪,৭৭,৪৮৩ | ২১,৯২,৭৬১ | ১৭,১৫,২৭৮ | ৪,৫৭,৮৯৫ | ৩৮,৯৯,১০০ | ৩৪,৪১,২০৫ | ৭,০৮,৩১১ | ৪০,৬০,৬৬২ | ৩৩,৫২,৩৫১ | ৮৫,০৮,৮৩৪ |
| মুঠ ... | ৪০,৭৯,২১৩ | ১,৩৫,৬৮,২৮৪ | ৯৪,৮৯,০৭১ | ৩৩,৮৪,১৭৩ | ১,৭৫,২৪,২২৭ | ১,৪১,৪০,০৫৪ | ৩০,১৬,৮৮৫ | ১,৯৬,৯০,৪৩৯ | ১,৬৬,৭৩,৫৫৪ | ৪০৩,০২,৭৭৯ |

এই বিৱৰণৰ পৰা দেখা যাব যে এই তিনি বছৰৰ ঘাটি হৈছে যথাক্ৰমে ৯৪,৮৯,০৭১৲, ১,৪১,৪০,০৫৪৲ আৰু ১,৬৬,৭৩,৫৫৪৲ টকা। ৰাজহৰ উৎসসমূহ জিলা পৰিষদলৈ হস্তান্তৰ কৰাতো ৰাজহৰ পৰিমাণ ক্ৰমান্বয়ে হ্ৰাস হোৱা আৰু অধিক সংখ্যক আঁচনি গ্ৰহণ কৰাতো ব্যয় বৃদ্ধি হোৱাৰ কাৰণ।

এই বিৱৰণত ২৭৫ নং অনুচেছদৰ আঁচনি সমূহৰ অধীনৰ জমা আৰু খৰচ ধৰা হোৱা নাই। ২৭৫ নং অনুচেছদৰ জমা সমূহ যদি জমাৰ ভাগত দেখুৱা হয়, ২৭৫ নং অনুচেছদ খৰচ-সমূহ খৰচৰ ভাগত দেখুৱাব লাগিব। গতিকে শুদ্ধ (নেট) ফলাফলটো একেবাৰে একেই হব।

তালিকাখনত এই জিলাসমূহৰ প্ৰশাসনৰ ব্যয় যি দেখুৱা হৈছে তাত দন্ত তদন্ত বিভাগ, সশস্ত্ৰ পুলিচ বিভাগ, আদিৰ খৰচৰ নিচিনা উমৈহতীয়া খৰচ, মেডিকেল কলেজ, বিশ্ববিদ্যালয়, কৃষি কলেজ, কটন কলেজ ইত্যাদি উমৈহতীয়া অনুষ্ঠানসমূহত হোৱা খৰচ আৰু ৰাজ্যৰ মূল ৰাজহৰ পৰা কৰা মূল খৰচ ধৰা হোৱা নাই। শ্বিলঙৰ মূল অফিছ, সচিবালয় ইত্যাদিৰ নিচিনা সদৰ স্থানৰ কৰ্ম্মচাৰীবৃন্দৰ বাবে হোৱা খৰচ আৰু বিধান সভা, মন্ত্ৰী সকল আৰু ৰাজ্যপালৰ কাৰণে হোৱা উমৈহতীয়া খৰচো তাত ধৰা হোৱা নাই। যদি এই সকলো খৰচৰ একোটা সমানুপাতিক অংশ ছখন জিলাৰ ভাগত ধৰা হয়, তেতিয়া হলে ৰাজহ আৰু খৰচৰ মাজত দেখা দিয়া অসমতাৰ পৰিমাণ কেবা লাখো হব।

কাৰোবাৰ ওপৰত দোষাৰোপ কৰা বা এই জিলাসমূহৰ বাবে হোৱা ঘাটিৰ কাৰণে ওজৰ কৰিবৰ উদ্দেশ্যে যে মই পৰিস্থিতিটো পৰিস্কাৰৰূপে দেখুৱাইছো এনে নহয়। এখন ৰাজ্যত সকলো জিলাই সমানে ৰাজহ উৎপন্ন কৰিব নোৱাৰে, কিন্তু খৰচ হলে আৱশ্যকানুসাৰে হবই লাগিব। এইটো এটা সুষ্ঠ সামাজিক প্ৰণালী আৰু ৰাজ্যৰ ঐক্যৰ কাৰণে ইয়েই প্ৰধান কথা। প্ৰথমত: ৰাইজৰ এক অংশৰ মনত সৃষ্টি হোৱা ভুল ধাৰণা আঁতৰাবলৈ আৰু দ্বিতীয়তে ৰাজ্যৰ সম্পদ সমূহৰ ওপৰত যথেষ্ট বোজা পৰাৰ ফলত ভৱিষ্যতলৈ যে আমি এই বিষয়ে সাৱধান হব লগীয়া হৈছে তাকে দেখুৱাবলৈহে মই এইবিলাক বিষয় উল্লেখ কৰিছোঁ। চৰকাৰে ৰাজ্যৰ বিত্তীয় স্থায়িত্বৰ লগত মিল ৰখাকৈ জিলা পৰিষদসমূহক সকলো সম্ভৱপৰ উপায়েৰে সহায় কৰিবলৈ সদায় সাজু আছে। কিন্তু আনহাতে সংবিধানৰ ষষ্ঠ অনুসূচীয়ে আৰোপ কৰা কৰ্ত্তব্যসমূহ সম্পাদন কৰিবৰ নিমিত্তে জিলা পৰিষদ সমূহে যথেষ্ট ৰাজহ সংগ্ৰহ কৰাও আৱশ্যকীয়।

ওচৰৰ আলিবাটৰ মূৰৰ পৰা খাছীয়া আৰু জয়ন্তীয়া পাহাৰৰ সীমান্ত অঞ্চলসমূহৰ নিজা নিজা বিতৰণ কেন্দ্ৰলৈকে চাউল বচদ পৰিবহনৰ খৰচ কমোৱা, তুৰাৰ পৰা গাৰোপাহাৰৰ সীমান্ত অঞ্চলসমূহৰ বিতৰণ কেন্দ্ৰ সমূহলৈকে সীমাবদ্ধ পৰিমাণৰ আৱশ্যকীয় বস্তুৰ পৰিবহনৰ খৰচ কমোৱা আৰু লুংলেত আৱশ্যকীয় বস্তু বিমানেৰে পেলোৱাৰ খৰচ আৰু লগতে আইজালৰ পৰা লুংলেলৈ কেৰাছিন তেল কঢ়িয়াই নিয়াত হোৱা খৰচ কমোৱা আঁচনি বৰ্ত্তমান বছৰত চলাই থকা হয়। সাহায্যদান আঁচনিৰ অধীনত লুংলে উপ-বিভাগলৈ পঠোৱা আৱশ্যকীয় বস্তুৰ পৰিমাণ এই বছৰত শতকৰা ৫০ ভাগ বৃদ্ধি কৰা হয়। এই সাহায্য আঁচনিৰ মুঠ খৰচ বৰ্ত্তমান বছৰৰ ভিতৰত ১০,০০,০০০৲ টকা হব বুলি আশা কৰা হৈছে।

পাহাৰী জিলাসমূহৰ অভাৱ আৰু দুৰ্ভিক্ষ আঁতৰাবলৈ স্থায়ী পদ্ধতি লবৰ কাৰণে লোৱা পৰিকল্পনাৰ অংশস্বৰূপে চৰকাৰে শালী খেতিৰ কাৰণে উপযোগী মাটিত সীমান্ত ৰাইজক পুনৰ্বসতিৰ বাবে আৰু জালুক আৰু 'কেছিউনাট' ইত্যাদি খেতি চলাবৰ কাৰণে আঁচনিসমূহ তৈয়াৰ কৰিছে। পাহাৰী জিলাসমূহৰ পৰা বেপাৰৰ কেন্দ্ৰ সমূহলৈ ফল পঠিয়াবৰ কাৰণে আৰু ৰাজ্যৰ ভিতৰতে ফল সংৰক্ষণ আৰু সৎব্যৱহাৰ কৰিবৰ কাৰণে যন্ত্ৰ ইত্যাদি স্থাপন কৰিবলৈকো কাৰ্য্য গ্ৰহণ কৰা হৈছে। ২৭৫ নং অনুচেছদৰ অধীনৰ আলিবাট আঁচনিসমূহৰ বাহিৰেও সীমান্ত অঞ্চলসমূৰ কাৰণে ৪৪,০০,০০০৲ টকা খৰচত অন্য এখন আলিবাট আঁচনি তৈয়াৰ কৰা হৈছে। আঁচনিখনৰ কোনো কোনো অংশৰ কাম বৰ্ত্তমান বছৰত আৰম্ভ কৰিবলৈ আশা কৰা হৈছে।

## ২৭৫ নং অনুচ্ছেদৰ অধীনৰ আঁচনি সমূহ

যোৱা দু বছৰে সংবিধানৰ ২৭৫ নং অনুচ্ছেদৰ অধীনত আৰম্ভ কৰা মাঙ্গলিক আঁচিনসমূহ চলাই থকা হৈছে। বৰ্ত্তমান বছৰত স্বায়ত্ব-শাসিত জিলাসমূহৰ কাৰণে ২৭৫ নং অনুচ্ছেদৰ অধীনত চৰকাৰে ৭৪,৭৫,০০০ টকা দাবী কৰে। ভাৰত চৰকাৰে কেৱল ৪৫,০০,০০০ টকাহে মঞ্জুৰ কৰে। পাছত পাহাৰী অলিবাট বিলাকৰ কাৰণে অতিকৈ আশা কৰি থকা বাবে ১৩,০০,০০০ টকা মঞ্জুৰ কৰা হব। এইদৰে মঞ্জুৰ কৰা ধনৰ পৰিমাণ ৫৮,০০,০০০ টকা হয়গৈ। এই ৫৮,০০,০০০ টকা ছখন অনুসূচীত জিলাক তলত লিখা প্ৰধানবিভাগ হিচাপে বণ্টন কৰা হৈছে :—

| | টকা |
|---|---|
| ১। শিক্ষা ... ... ... ... ... ... | ৫,৫৭,২৫০ |
| ২। চিকিৎসা ... ... ... ... ... ... | ১,৯৫,২৮৭ |
| ৩। পাট শিল্প আৰু বয়ন ... ... ... ... | ১,৯৭,৯০০ |
| ৪। লোক স্বাস্থ্য ... ... ... ... ... | ১,৪৪,০০৫ |
| ৫। কৃষি ... ... ... ... ... ... | ৩,১০,৯৪০ |
| ৬। বন ... ... ... ... ... ... | ২,১০,৩৬৮ |
| ৭। কুটিৰ উদ্যোগসমূহ ... ... ... ... ... | ২,৮৬,৯২১ |
| ৮। সমবায় ... ... ... ... ... .. | ১,০০,০০০ |
| ৯। পশু চিকিৎসা ... ... ... ... ... | ৯৬,০৮৫ |
| ১০। সঞ্চাৰ ... ... ... ... ... ... | ৩৪,৯০,৮৯১ |
| ১১। সানমিহলি ... ... ... ... ... ... | ২,১০,৩৪০ |

২৭৫ নং অনুচেছদৰ অধীনৰ আঁচনিসমূহৰ অধীনৰ কৰা কামতে চৰকাৰ অৱশ্যে সন্তুষ্টহৈ থকা নাই। বৰ্ত্তমান বছৰত সম্পূৰ্ণৰূপে ৰাজ্যিক ৰাজহৰ পৰা চলোৱা পাহাৰী জিলাসমূহৰ মাঙ্গলিক আঁচনি বিলাকত প্ৰায় ১৫,০০,০০০ টকা খৰচ হৈছে। বাজেট স্মাৰক পত্ৰৰ (ক) সূচীত ইয়াৰ বিৱৰণী দেখিবলৈ পোৱা যাব। এই আঁচনি বিলাকত কমপক্ষেও ১৫,৬৯,০০০ টকা খৰচ হব বুলি হিচাব কৰা হৈছে।

## ভৈয়ামৰ জনজাতি অঞ্চলসমূহ

অসমৰ ভৈয়ামৰ জনজাতি অঞ্চলসমূহত বাস কৰা জনজাতি ৰাইজৰ অৱস্থাৰ উন্নতি কৰিবলৈও চৰকাৰ উৎকণ্ঠিত। সেই উদ্দেশ্যে ২৭৫ নং অনুচেছদৰ অধীনৰ আঁচনিসমূহ আৰু ৰাজ্যিক ৰাজহ উভয়ৰে পৰা মাঙ্গলিক আঁচনিসমূহ লোৱা হৈছে। যোৱাবছৰৰ বাজেট বক্তৃতাত মই ৰাজ্যিক ৰাজহৰ পৰা বিত্ত যোগান দিয়া ভৈয়ামৰ জনজাতি অঞ্চলৰ কইটামান আলিবাটৰ বিষয় উল্লেখ কৰিছিলোঁ, সেইবিলাকৰ কাম চলি আছে। এই

বছৰত ভৈয়াম জনজাতি অঞ্চলসমূহত মাঙ্গলিক কাৰ্য্য কলাপৰ কাৰণে সংবিধানৰ ২৭৫ নং অনুচেছদৰ অধীনত চৰকাৰে ১৫,০০,০০০৲ টকাৰ এটা মঞ্জুৰী পায়। এই টকা তলৰ প্ৰধান প্ৰধান বিভাগৰ কাৰণে বন্টন কৰা হৈছে :—

| | | টকা |
|---|---|---|
| (১) | শিক্ষা ... ... ... ... | ৪,২৩,২৫০৲ |
| (২) | লোকস্বাস্থ্য ... ... ... ... | ৩,৩০,৯৯০৲ |
| (৩) | বন ... ... ... ... | ৪৬,১৫২৲ |
| (৪) | পাট শিল্প আৰু বয়ন ... ... ... | ১,৩৪,০০০৲ |
| (৫) | কৃষি ... ... ... ... | ১৩,৩৫০৲ |
| (৬) | চিকিৎসা ... ... ... ... | ১,৭৯,৪০৮৲ |
| (৭) | সঞ্চাৰ ... ... ... ... | ১,০০,০০০৲ |
| (৮) | পশু চিকিৎসা ... ... ... ... | ৫৪,০০০৲ |
| (৯) | সাণমিহলি ... ... ... ... | ২,১৮,৮৫০৲ |

সংশ্লিষ্ট ৰাইজ আৰু অঞ্চলসমূহৰ প্ৰতিনিধিবৰ্গৰ উপদেশ অনুসৰি ২৭৫ নং অনুচেছদৰ এই সকলো অনুদান বণ্টন কৰা হৈছে। ওপৰত উল্লেখ কৰা হৈছে যে ভাৰত চৰকাৰৰ পৰা পোৱাৰ বাহিৰেও ৰাজ্যৰ ৰাজহৰ পৰাও ভৈয়ামৰ জনজাতি অঞ্চলসমূহৰ কাৰণে মাঙ্গলিক আঁচনিসমূহ লোৱা হৈছে। চিকিৎসালয় স্থাপন কৰা বিষয়ত আৰু গাঁৱৰ পানী যোগান আৰু গাঁৱৰ সঞ্চাৰৰ কাৰণে ভৈয়ামৰ জনজাতি ৰাইজ বাস কৰা অঞ্চলসমূহৰ প্ৰতি বিশেষ মনোযোগ দিয়া হৈছে।

## অস্পৃশ্যতা বৰ্জ্জন

বাস্তবিক পক্ষে ৰাজ্যত বৰ্ত্তমান অস্পৃশ্যতা বোলা বস্তুটো নাই। অৱশ্যে কিছুমান সামাজিক কু-প্ৰথা এতিয়াও চলি আছে। এনেবিলাক প্ৰথা যাতে নাইকিয়া হয় আৰু আমাৰ ৰাজ্যত "অনুসূচিত জাতি" বোলা কথাষাৰ ব্যৱহাৰ কৰিবৰ কোনো আৱশ্যক নহয় তাৰ বাবে চৰকাৰ উৎকণ্ঠিত। এই উদ্দেশ্য লৈয়ে "অনুসূচিত জাতি" বোলা ৰাইজৰ অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ কাৰণে চৰকাৰে কেইবা প্ৰকাৰৰো কাৰ্য্য গ্ৰহণ কৰিছে। সম্ভৱ স্থলত আৰু যুক্তিযুক্ত যেন দেখিলে মাটি বিতৰণ আৰু মীন ক্ষেত্ৰ বিক্ৰী কৰা বিষয়ত তেওঁবিলাকৰ কাৰণে বিশেষ বিবেচনা কৰা হয়। সম্ভৱস্থলত সমবায় সমিতিসমূহ গঠন কৰি ডাঙৰ মীনক্ষেত্ৰ লবৰ কাৰণেও তেওঁলোকক উৎসাহ দিয়া হয়। অহা বছৰৰ বাজেটত অনুসূচিত জাতি সম্প্ৰদায়ৰ ছাত্ৰসকলক বিনা মাচুলে আৰু আধা মাচুলে পঢ়াৰ সুবিধা দিবলৈ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰে যুটীয়া ভাৱে বিত্ত যোগান দিব খোজা অস্পৃশ্যতা বৰ্জ্জনৰ এখন আঁচনি বৰ্ত্তমান সক্ৰিয়ভাৱে বিবেচনা কৰা হৈছে।

## সমূহীয়া প্ৰচেষ্টা

মাননীয় সদস্যসকলৰ সম্ভৱতঃ মনত থাকিব পায় যে ১৯৫২-৫৩ চনত দুটা সম্পূৰ্ণৰূপৰ সমূহীয়া প্ৰচেষ্টা আৰু দুটা সমূহীয়া উন্নয়ন খণ্ড আৰম্ভ কৰা হয়। বৰ্ত্তমান বছৰত আৰু তিনিটা সমূহীয়া উন্নয়ন খণ্ড আৰু ১২ টা ৰাষ্ট্ৰীয় সম্প্ৰসাৰণ সেৱা খণ্ড মঞ্জুৰ কৰা হৈছে। এই দুটা

সমূহীয়া প্ৰচেষ্টা, পাচোটা সমূহীয়া উন্নয়ন খণ্ড আৰু বাৰটা ৰাষ্ট্ৰীয় সম্প্ৰসাৰণ সেৱা খণ্ড একেলগে লগ লগালে প্ৰায় ৬,০০০ বৰ্গ মাইল আৰু ১৪,৭৫,০০০ জন লোক-সংখ্যাৰ ৪,৮০০ খন গাওঁ সামৰিব। এইদৰে এতিয়ালৈকে দেখা যাব যে এই সুবিস্তৃত গাওঁ উন্নয়ন আঁচনিসমূহৰ অধীনত ৰাজ্যৰ এক-ষষ্ঠংশতকৈ অলপ মাথোন কম ৰাইজক সামৰা হৈছে। প্ৰথম পাঁচ বছৰীয়া পৰিকল্পনাৰ কালছোৱাৰ ভিতৰত এই সমূহীয়া উন্নয়ন আঁচনিসমূহৰে ৰাজ্যৰ প্ৰায় এক-চতুৰ্থাংশ সামৰেোৱাটো চৰকাৰৰ বাঞ্ছা।

সমূহীয়া প্ৰচেষ্টা অঞ্চলসমূহত প্ৰায় সকলো ভাগতে কাম সন্তোষজনকৰূপে আগ বাঢ়িছে। কৃষিৰ ক্ষেত্ৰত কম্পোষ্ট সাৰ, দুইৰকমৰ শস্য, বৰো ধানৰ খেতি, শাক-পাচলি আৰু ফলৰ খেতি সম্প্ৰসাৰণ, আবাদীকৰণ, জলসিঞ্চন আৰু ৰাসায়নিক সাৰৰ ব্যৱহাৰৰ প্ৰতি বিশেষ মনোযোগ দিয়া হৈছে। ইয়াৰ ফলাফল উৎসাহপ্ৰদ দেখা গৈছে। পশু পালন আৰু পশু চিকিৎসাৰ ক্ষেত্ৰতো ঘাঁহ খেতি, চৰাই পোহা ইত্যাদিত সন্তোষজনক ফলাফল লক্ষ্য কৰিব-লগীয়া। লোক স্বাস্থ্যৰ ক্ষেত্ৰত ভালেমান নতুন কুঁৱা সজাৰ উপৰিও স্বেচ্ছাসেৱী শ্ৰমযোগে ২,০০০ টা পুৰণি পুখুৰী আৰু কুঁৱা পৰিষ্কাৰ কৰা হৈছে। গাঁত আৰু আওঠি পায়খানাৰ ব্যৱহাৰ সম্পৰ্কেও বহলভাৱে পৰীক্ষা চলাই চোৱা হৈছে। সমূহ ৰাইজক সংক্ৰামক বেমাৰৰ বিপক্ষে বেজি দিয়া আৰু মাতৃ আৰু শিশুৰ কাৰণে প্ৰসৱৰ আগৰ আৰু পিছৰ সাৱধানটা প্ৰণালীবদ্ধভাৱে লবলৈ ঠিক কৰা হৈছে। শিক্ষাৰ ক্ষেত্ৰত নৈশ স্কুল আৰু সামাজিক কেন্দ্ৰসমূহৰ বাহিৰেও ৫০ টা নতুন স্কুল ঘৰ সজা হৈছে আৰু ৪ টা মাধ্যমিক স্কুল আৰু ১১ টা বুনিয়াদী স্কুল খোলা হৈছে। প্ৰচেষ্টা অঞ্চলসমূহত বিভিন্ন কলেজৰ ছাত্ৰ আৰু শিক্ষকে স্বেচ্ছাসেৱী শিবিৰ খোলে আৰু জঙ্গল চাফা কৰা, আলিবাট তৈয়াৰ আৰু মেৰামতি কৰা ইত্যাদি কিছুমান উপযোগী কাম কৰে। এই উদাহৰণে ৰাইজৰ স্থানীয় প্ৰচেষ্টাক অতিকৈ পৃষ্ঠপোষকতা কৰিছে। আমাৰ ৰাজ্যৰ ৰাষ্ট্ৰীয় সেনা বাহিনীৰ সংগঠনে গোলাঘাট-মিকিৰ পাহাৰ খণ্ডত তেওঁলোকৰ বছেৰেকীয়া সামাজিক শিবিৰ (এনুৱেল ছচিয়েল কেম্প) পাতে আৰু উৎসাহী যুৱক ৰাষ্ট্ৰীয় সেনা বাহিনীয়ে ২০ দিনৰ ভিতৰত ৯ মাইল দীঘল এটা আলিবাট নিৰ্ম্মাণ কৰি ৰাইজৰ মহৎ প্ৰশংসা লাভ কৰে।

সকলো প্ৰচেষ্টা অঞ্চলৰ সঞ্চাৰৰ ক্ষেত্ৰত উল্লেখযোগ্য কাম কৰা হৈছে। যোৱা ডিচেম্বৰলৈকে ৩০ খন দলং আৰু ১৫০ টাতকৈও অধিক পুলেৰে প্ৰায় ৪২০ মাইল আলিবাট সজা হয়। অঞ্চলসমূহত পাট শিল্প আৰু উন্নত পদ্ধতিৰ বোৱা-কটা জনপ্ৰিয় কৰি তুলিবলৈ বহুতো চেষ্টা কৰা হৈছে। এইবিলাক প্ৰচেষ্টাৰ ভিতৰত প্ৰদৰ্শনমূলক কাম, ৰং দিয়া, কেন্দ্ৰ স্থাপন, নুনী কলম ৰোপন ইত্যাদি পৰে। সকলো প্ৰচেষ্টা অঞ্চলত প্ৰদৰ্শনমূলক কেন্দ্ৰসমূহ খোলা হৈছে। তাত উন্নত সাজ-সঁজুলিৰে পাট মুগা পকোৱা আৰু সূঁতাকটাৰ প্ৰদৰ্শনি দেখুৱা হয়। ভলেমান পৰিয়ালে পাটশিল্পক আংশিক ব্যৱসায় স্বৰূপে লৈছে।

গাৰোপাহাৰ-গোৱালপাৰা খণ্ডত মহিলাসকলৰ দ্বাৰা ঔদ্যোগিক সমবায়সমূহ গঠন কৰা হৈছে। চৰকাৰৰ পৰা পোৱা ঋণৰ সহায়েৰে তেওঁলোকে নানাপ্ৰকাৰৰ হাতে বোৱা কাপোৰ তৈয়াৰ কৰিবলৈ লৈছে। সেইবিলাক স্থানীয়ভাৱেই বিক্ৰী হয়। সেই খণ্ডত দুটা সমবায় ফাৰ্মিং সমিতিও খোলা হৈছে। তেওঁলোকে মাটি ভাঙি তাত ধান, আলু আৰু ঘেঁহু শস্য কৰিছে। দৰং প্ৰচেষ্টাত দুটা ঋণ সমবায় গঠন কৰা হৈছে আৰু ৪ টা উৎপাদন সমিতি গঠন কৰিবলৈ লোৱা হৈছে। অন্যান্য প্ৰচেষ্টাতো সমবায় সমিতিসমূহ ক্ৰমান্বয়ে গঠন কৰা হৈছে।

প্ৰচেষ্টা অঞ্চল সমূহৰ উল্লেখযোগ্য কথা হৈছে যে মহিলা সকলে ইয়াৰ কাৰ্য্যত গভীৰ আগ্ৰহ লৈছে। তেওঁলোকে কুটিৰ শিল্প, সামাজিক শিক্ষা আৰু গাওঁ সংগঠনত গভীৰ আগ্ৰহেৰে কাৰ্য্য কৰিছে। সৰহ সংখ্যক মহিলা সমিতি বিলাকত বোৱা, কটা আৰু পাট শিল্পৰ উন্নত পদ্ধতি শিকোৱা হৈছে। উলৰ কাম, চিলাই আৰু বন্ধা-বঢ়াও শিকাবলৈ লোৱা হৈছে। কোনো কোনো ঠাইত মহিলা সকলে আলিবাট বান্ধিবলৈ আগবঢ়াও দেখা গৈছে। বৰ্ত্তমান বছৰত মঞ্জুৰ হোৱা নতুন প্ৰচেষ্টা সমূহত হোৱা কামৰ হিচাব লবৰ সময় এতিয়াও হোৱা নাই। অৱশ্যে সেই সকলো বিলাকতে ৰাইজৰ উদ্যম প্ৰকৃততে শলাগিব লগীয়া। কৃষি আৰু লোকস্বাস্থ্যৰ ক্ষেত্ৰত বহুতো প্ৰচেষ্টাতে কাম আৰম্ভ কৰা হৈছে।

যোৱা বছৰৰ দৰে এইবাৰো সঞ্চাবৰ ক্ষেত্ৰতে সৰহ পৰিমাণৰ কাম হোৱা দেখা গৈছে। বৰ্ত্তমান বছৰত ভৈয়াম অঞ্চলৰ ৰাইজে তিনিটা আলিবাট (সৰ্ব্ব মুঠ ৪০ মাইল) বান্ধিবলৈ পৰিকল্পনা কৰে, তাৰ ভিতৰত ২৬ মাইলৰ কাম সম্পূৰ্ণ হৈছে। মাজুলি খণ্ডত ৩০ টা নতুন গাঁৱলীয়া আলিবাটৰ কাম কৰা হৈছে। আন সকলো প্ৰচেষ্টাতে মুঠ প্ৰায় ৫৮ মাইল দীঘল আলিবাট বন্ধা হৈছে। ৰাইজৰ সহযোগিতা আৰু উদ্যমৰ ফালৰ পৰা বিচাৰ কৰি এই কথা নিশ্চিতৰূপে কব পাৰি যে ৰাইজ আৰু চৰকাৰৰ যুটীয়া প্ৰচেষ্টাৰ ফলত এই সমূহীয়া উন্নয়ন কাৰ্য্যই ৰাজ্যত গা দাঙি উঠিব।

## সাহায্য আৰু পুনৰ্সংস্থাপন

মই এই কথা উল্লেখ কৰি সন্তোষ পাইছোঁ যে যোৱা বছৰৰ বাজেট বক্তৃতাত মই ৰাইজৰ পৰা যি সহযোগিতা প্ৰাৰ্থনা কৰিছিলোঁ এই বছৰ ভগনীয়া সাহায্য আৰু পুনৰ্সংস্থাপনৰ বিষয়ত তাক পোৱা হৈছে। ১৯৫১ চনৰ পিয়লৰ পৰা বহুসংখ্যক স্থানচ্যুত লোক অসমলৈ আহিছে। ই পাৰ প্ৰথা প্ৰবৰ্ত্তন হোৱাৰ আগৰ কথা। বৰ্ত্তমান ভগনীয়া লোকৰ সংখ্যা প্ৰায় ৩,৪০,০০০ জন হব। যোৱা ডিচেম্বৰত চৰকাৰী অভিকৰণৰ যোগে ১,৫৫,০০০ সংখ্যক লোকক পুনৰ্সংস্থাপন কৰা হয় আৰু প্ৰায় ১,০০,০০০ সংখ্যকে চৰকাৰ আৰু ৰাইজৰ সহায়ত নিজে নিজে পুনৰ্বাসস্থান লাভ কৰিছে। এইদৰে দেখা যাব যে প্ৰায় শতকৰা ৭৫ ভাগ স্থানচ্যুত লোকক অসমত পুনৰ্বাসস্থান দিয়া হৈছে। ডিচেম্বৰৰ শেষলৈকে স্থানচ্যুত লোকক ঋণস্বৰূপে ২,৪৫,৪০,০০০৲ টকা মঞ্জুৰ কৰা হৈছে।

উপদানমূলক সাহায্য, ছাত্ৰ আৰু ৰোগীক সাহায্য, সামাজিক উদ্দেশ্যৰ সাহায্য, অনাথ তিৰোতা আৰু শিশুৰ কাৰণে আশ্ৰম পৰিচালনা, বিভিন্ন শিল্পবিদ্যাত ভগনীয়া ছাত্ৰসকলক শিক্ষা দান ইত্যাদি সকলো প্ৰকাৰৰ সাহায্য আগৰ দৰে চলাই থকা হৈছে। প্ৰায় ১,৫০ জন অনাথক বৰ্ত্তমানে স্থায়ী দায়িত্বত ৰখা হৈছে। তেওঁলোকৰ কাৰণে নগাঁৱত এখন আৰু কাছাৰত দুখন মুঠ তিনিখন কেন্দ্ৰীয় আশ্ৰম ৰখা হৈছে। এই আশ্ৰমবিলাকে শিক্ষা সা-সুবিধা আৰু শিল্প কাৰু-কাৰ্য্য শিক্ষাকো ধৰি আৱশ্যকীয় সুবিধা সমূহৰ ব্যৱস্থা কৰিব। নগাওঁ, তেজপুৰ আৰু শিলচৰৰ কাৰিকৰী স্কুলত ১২০ জন আৰু গুৱাহাটিৰ চিভিল ইঞ্জিনিয়াৰিং স্কুলত ৪০ জন ছাত্ৰক প্ৰশিক্ষণ দিবৰ কাৰণে এখন আঁচনি প্ৰস্তুত কৰি মঞ্জুৰীৰ কাৰণে ভাৰত চৰকাৰলৈ পঠোৱা হৈছে। প্ৰায় ১০,০০০ ছাত্ৰৰ উপকাৰাৰ্থে ১৫০ খন প্ৰাথমিক স্কুল খুলিবৰ কাৰণে ভাৰত চৰকাৰৰ সৈতে আন এখন আঁচনিও লোৱা হৈছে।

কাছাৰ জিলাৰ সাহায্য আৰু পুনৰ্সংস্থাপনৰ প্ৰশাসন ভাৰ লোৱাৰ পৰা চৰকাৰৰ কাম আৰু দায়িত্ব ভয়ানকৰূপে বাঢ়িছে। চৰকাৰে সাহায্য আৰু পুনৰ্সংস্থাপনৰ ভাৰ লোৱাৰ পিছত এই জিলাত বহু সংখ্যক পৰিয়াল, বিশেষকৈ যি সকলক ভাৰতীয় চাহ সন্থাৰ অধীনত সংস্থাপন কৰিব লাগিছিল, তেওঁলোকক বৰ দুৰ্দ্দশাত পৰি থকা দেখিবলৈ পোৱা হয়। তেওঁলোকক আশু সাহায্য দিবৰ নিমিত্তে ভাৰত চৰকাৰৰ পৰা খিতাতে ১,০০,০০০৲ টকা পোৱা হয়। ভগনীয়া পুনৰ্সংস্থাপনৰ কাৰণে চাহ-বাগিচাৰ মাটি বিচাৰিবলৈও কাৰ্য্য পদ্ধতি গ্ৰহণ কৰা হৈছে। কাছাৰ জিলাত প্ৰায় ৬,০০০ পৰিয়ালক স্থায়ীৰূপে পুনৰ্বাসস্থান দিবৰ কাৰণে বিশেষ আঁচনি সমূহ লোৱা হৈছে আৰু তাৰ ভিতৰত কিছুমান ইতিপূৰ্ব্বেই মঞ্জুৰ হৈছে। বৰ্ত্তমান বছৰত অন্যান্য জিলাসমূহতো প্ৰায় ১,০০০ পৰিয়ালৰ কাৰণে কেইবাখনো, পুনসংস্থাপন আঁচনি ভাৰত চৰকাৰে মঞ্জুৰ কৰিছে আৰু সেইবিলাকৰ কাম ইতিপূৰ্ব্বেই আৰম্ভ কৰা হৈছে। ইয়াৰ উপৰিও প্ৰায় ১২,০০০ টা পৰিয়ালৰ কাৰণে নগৰীয়া গৃহ নিৰ্ম্মাণ আঁচনি পৰিপালন কৰা হৈছে। ৰাইজৰ স্থায়ী সহযোগিতা পালে দুৰ্ভগীয়া স্থানচ্যুত লোকসকলৰ পুনৰ্সংস্থাপন সমস্যা অচিৰে সন্তোষজনকৰূপে সমাধান কৰিব পৰা হব বুলি আশা কৰা হৈছে।

## ৰাজহুৱা সেৱা

আমাৰ নিম্ন বেতনভোগী পদাধিকাৰীসকলে তেওঁলোকৰ সামান্য বেতন এই টান দিনত চলিবলৈ যথেষ্ট নহয় বুলি যি অসন্তুষ্টি প্ৰকাশ কৰিছে মাননীয় সদস্যসকলে বোধকৰোঁ তাক ভালৰূপে গম পায়। ১৯৪৮ চনত গ্ৰহণ কৰা বেতনৰ হাৰৰ পুনৰ্বিলোচনত নিম্ন বেতনভোগী চৰকাৰী চাকাৰয়াল সকলৰ বেতনৰ বিষয়ত উদাৰতা অৱলম্বন কৰা হয়। তাৰোপৰি জীৱন ধাৰণৰ খৰচ বঢ়া বাবে মৰগীয়া বানচ, বিনা মাচুলৰ

ৰচদ ইত্যাদি দিয়া হয়। তথাপি এই বেতনো নিচেই সামান্য আৰু ইয়াক উন্নত কৰিব লাগে বুলি নেৰানেপেৰা দাবী চলি আহিছে। বৰ্ত্তমান পৰিস্থিতিত যে বেতনৰ হাৰ বঢ়ালেও বস্তুৰ বাঢ়ি অহা দামৰ লগত খাপ নাখায় এই কথা সৰ্ব্ব সাধাৰণে স্বীকাৰ নকৰে। বেতনৰ হাৰ বৃদ্ধি হলে খোৱা বস্তু কিনাত সৰহ পইচা খৰচ হব আৰু তাৰ ফলত বস্তুৰ মূল্য অধিক বাঢ়িবৰহে সম্ভাৱনা। ই এটা সাংঘাতিক অৱস্থা পাইছে। বেতনৰ হাৰ বৃদ্ধি কৰি নহয় উৎপাদন বৃদ্ধি কৰি আৰু মূল্য হ্ৰাস কৰিহে মুদ্ৰাস্ফীতি উন্মুলন কৰিব লাগিব। মাননীয় সদস্যসকলে জানে যে আমাৰ দেশত মুদ্ৰাস্ফীতিৰ গতি নিয়ন্ত্ৰণ কৰা হৈছে আৰু বৰ্ত্তমান মূল্যৰ গতি তলৰ ফালে গতি কৰিছে। কেইবছৰ মানৰ ভিতৰতে ভাৰসাম্য লাভ কৰা হব আৰু নিম্ন বেতনভোগী কৰ্ম্মীবৃন্দৰ বৰ্ত্তমান কষ্ট লাঘৱ হব বুলি আশা কৰা হৈছে। যাহওক যোৱাবছৰ দিয়া নিশ্চয়তা অনুসৰি আৰু এই দুঃস্থ পদাধিকাৰীসকলক তেওঁলোকৰ বৰ্ত্তমানৰ কষ্ট আৰু অসুবিধা আতৰাবলৈ সমৰ্থ কৰি চৰকাৰে মাহে ১০০৲ টকাৰ বেছি নোপোৱা নিম্ন বেতন ভোগী কৰ্ম্মীবৃন্দৰ বেতনৰ হাৰ বঢ়াবলৈ অলপতে সিদ্ধান্ত কৰিছে। এই উদ্দেশ্যে এখন আঁচনি ইতিপুৰ্ব্বেই গ্ৰহণ কৰা হৈছে আৰু ইয়াক অহা ১ এপ্ৰিলৰ পৰা কাৰ্য্যকৰী কৰিবলৈ স্থিৰ কৰা হৈছে। উচ্চ হাৰে বেতন দিয়া সম্পৰ্কে একো কৰিব নোৱাৰি আমি দুঃখিত। বেতনৰ হাৰ বঢ়োৱাৰ বিপক্ষে মই ওপৰত উল্লেখ কৰা সাধাৰণ যুক্তিবিলাকৰ বাহিৰেও ওপৰৰ পৰা বেতন বৃদ্ধিতকৈও তলৰ পৰা বেতন বৃদ্ধিহে সামাজিক অৱস্থাই দাবী কৰে। দ্বিতীয়তে আমাৰ বিত্তীয় সম্পদলৈ চাই উচ্চ সমষ্টিৰ বেতনত হাত দিব নোৱাৰি। আমাৰ চাকৰিয়াল ৰাইজে এই কথা উপলব্ধি কৰি কঠিন বিত্তীয় পৰিস্থিতি স্বত্বেও চৰকাৰে যিখিনি কৰিব পাৰে তাতে সন্তুষ্ট হব বুলি আশা কৰিছোঁ।

নিম্নতম খাপৰ চৰকাৰী চাকৰিয়ালৰ ভিতৰত আমাৰ কনিষ্টবলবিলাক সঘনে বদলি হৈ থাকিব লাগে। তেওঁলোকক দিয়া ভ্ৰমণ বানচ নিচেই সামান্য। সেইকাৰণে চৰকাৰে স্থিৰ কৰিছে যে পুলিচ কনিষ্টবল বা তেনে ধৰণৰ আন চাকৰিয়ালৰ বদলি ক্ষেত্ৰত তেওঁলোকে নিজৰ কাৰণে দুবাৰ অহা যোৱাৰ ভাড়া আৰু বদলিৰ সময়ত তেওঁৰ লগত যোৱা পৰিয়ালৰ প্ৰত্যেক বয়স্ক লোকৰ কাৰণে এবাৰ আৰু প্ৰত্যেক লৰা-ছোৱালীৰ কাৰণে এবাৰ অহা-যোৱাৰ আধা ভাড়া পাব।

বহুতো কনিষ্টবলে তেওঁলোকৰ কৰ্ত্তব্য সুযোগ্যভাৱে সম্পাদন কৰিবৰ কাৰণে বাইচাইকেল ৰাখিব লাগে। তেওঁলোকে বাইচাইকেল কিনিবৰ কাৰণে বা ইয়াৰ ৰক্ষণা-বেক্ষনৰ কাৰণে কোনো বানচ নাপায়। গতিকে তেওঁলোকে যদি প্ৰকৃততে বাইচাইকেল ৰাখে তেনেহলে তেওঁলোকক ৫৲ টকাকৈ বাইচাইকেল বানচ দিবলৈ স্থিৰ কৰা হৈছে।

সীমান্তৰ কাম, নগা পাহাৰৰ উপদ্ৰুত অঞ্চলসমূহত আৰু এনে পৰিস্থিতিৰ অন্যান্য ঠাইত কাৰ্য্যলিপ্ত সশস্ত্ৰ কনিষ্টবল বাহিনীয়ে প্ৰতিদিনে ৫০ অনাকৈ বানচ পায়। অসম পুলিচ বেটেলিয়নৰ সশস্ত্ৰ বাহিনী, সীমান্ত নিৰাপত্তা বাহিনী, আৰু অন্যান্য অঞ্চলত থকা জিলা সশস্ত্ৰ বাহিনীয়ে দৈনিক বানচ নাপায়, ৰচদহে পায়। তেওঁলোকক দিয়া ৰচদ তেওঁলোকৰ স্বাস্থ্য আৰু উপযুক্ততা ৰক্ষা কৰিব পৰাৰ জোখাৰে নহয়। তেওঁলোকে কঠিন শাৰীৰিক পৰিশ্ৰম কৰিব লাগে। সেইকাৰণে তেওঁলোকক দিয়া ৰচদ তেওঁলোকৰ সম্পূৰ্ণ স্বাস্থ্য আৰু উপযুক্ততা ৰক্ষা কৰাৰ জোখাৰে হব লাগে। গতিকে তেওঁলোকক দিয়া ৰচদৰ পৰিমাণ মানুহজনী প্ৰতি মাহে ৫৲ টকা পৰিমাণ মূল্যৰ হব লাগে বুলি স্থিৰ কৰা হৈছে। ওপৰত উল্লেখ কৰি অহা প্ৰস্তাবিত পুনৰ্বিলোচিত বেতনৰ হাৰৰ পৰা পোৱা উপকাৰৰ উপৰিও এই সুবিধা দিয়া হব।

চৰকাৰে আশা কৰে যে বাহিনীয়ে এই সুবিধা সমূহ প্ৰশংসাৰ চকুৰে চাব আৰু কৰ্ত্তব্যৰ প্ৰতি অধিক উদ্যম আৰু মনোনিবেশ দি এই কথাৰ প্ৰমাণ দিব।

ভাৰত চৰকাৰে কিছুমান দিনৰ আগতে কেইটামান নতুন নিবৃত্তি বেতনৰ নিয়ম গ্ৰহণ কৰিছে। ৰাজ্যিক চৰকাৰৰ নিয়ম তৈয়াৰী নিয়ন্ত্ৰণৰ অধীনত চৰকাৰী চাকৰিয়ালৰ কাৰণে সেইবিলাক নিয়ম গ্ৰহণ কৰা প্ৰশ্নটো চৰকাৰে কিছুদিন বিবেচনা কৰে। শেষত ৰাজ্যিক চৰকাৰৰ চাকৰিয়ালৰ কাৰণেও সেইবিলাক নিয়ম গ্ৰহণ কৰিবলৈ স্থিৰ কৰা হয়। এই আঁচনি অনুসৰি পাঁচ বছৰ উপযুক্ত চাকৰি কৰাৰ পিছত মৃত্যু হোৱা বা অৱসৰ লোৱা চৰকাৰী চাকৰিয়ালৰ কাৰণে

এটা মৃত্যু আৰু অৱসৰ গ্ৰহণ বিনামূলীয়া সাহায্য আৰু ২৫ বছৰ উপযুক্ত কাম কৰাৰ পাছত বা অৱসৰ গ্ৰহণৰ ৫ বছৰৰ পিছত মৃত্যু হোৱা চাকৰিয়ালৰ পোষ্যসকলৰ কাৰণে এটা পৰিয়াল নিবৃত্তি বেতন দিয়াৰ ব্যৱস্থা কৰা হয়। এইদৰে এই আচনিখন চৰকাৰী চাকৰিয়ালৰ অকাল মৃত্যুৰ বিপক্ষে জীৱন চুক্তিৰ স্বৰূপ হল। পুৰণি নিয়ম সমূহ অনুসৰি চৰকাৰী চাকৰিয়ালৰ মৃত্যুত এনে ব্যৱস্থা নোহোৱা হেতুকে কোনো কোনো পৰিয়াল বিপদগ্ৰস্ত হৈ পৰে। সময়ত এনেও ঘটে যে ৩০ বছৰ বা বেছি দিন কাম কৰি অৱসৰ লোৱাৰ কেইমাহমানৰ পাছতেই এজন মানুহৰ মৃত্যু হয়। তেওঁ মৰা মাত্ৰেই পৰিয়ালে কোনো টকা পইচা পোৱাৰ পৰা বঞ্চিত হৈ বিষম কষ্টত পৰিব লগা হয়। নতুন নিয়ম সমূহ অনুসৰি তেনে ক্ষেত্ৰত বিপদগ্ৰস্ত পৰিয়ালক কিছু উপকাৰ কৰিবলৈ পৰিকল্পনা কৰা হৈছে।

## প্ৰাকৃতিক দুৰ্য্যোগ আৰু সাহায্য

বৰ্ত্তমান বছৰত প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে যদিও তেনে কোনো ব্যাপক দুৰ্গতি হোৱা নাই তথাপি কাছাৰ, লক্ষীমপুৰ আৰু শিৱসাগৰ জিলাত যোৱা জুন আৰু জুলাই মাহত অলপ বানপানী হৈছিল। যোৱা চেপ্টেম্বৰতো কাছাৰ, লক্ষীমপুৰ আৰু কামৰূপ জিলাৰ কোনো কোনো অংশত এটা সাজ্ঘাতিক বানপানী হৈছিল। এই বছৰৰ বাৰিষাৰ আৰম্ভনীতে শদীয়া নগৰত আগৰদৰে বানপানী হয়। লগতে বেছিৰকমে গড়া খহনীয়াহৈ দুৰ্য্যোগ বঢ়াই তোলে। চৰকাৰে শেষত শদীয়াক বাদ দি আন ঠাইত নগৰ পাতিবলৈ স্থিৰ কৰিবলগীয়া হয়। প্ৰায় ১০,০০,০০০ টকা মূল্যৰ চৰকাৰী ঘৰ বিধ্বস্ত হয়। ৰাইজৰ ৬০ টা ঘৰ বিধ্বস্ত হয় আৰু ৫,০০০ লোকক অস্থায়ী-ভাবে কুন্দিললৈ স্থানান্তৰ কৰিব লগীয়া হয়। তেওঁলোকৰ কাৰণে অস্থায়ী থকাৰ ব্যৱস্থা কৰা হয়। স্থায়ী পুনৰ্সংস্থাপনৰ বিষয়ে চৰকাৰে সক্ৰিয়ভাবে বিবেচনা কৰিছে। বৰ্ত্তমানৰ দুগতি খণ্ডনৰ বাবে চৰকাৰে চৰকাৰী খৰচত বিনামূলীয়া সাহায্য, কৃষি ঋণ, আশ্ৰয় শিবিৰ, ঘৰৰ সাজ-সৰাঞ্জম, পৰিবহন ইত্যাদিৰ ব্যৱস্থা কৰে।

যোৱা আগষ্ট মাহত ডিব্ৰুগড় উপবিভাগত এটা ভীষণৰূপৰ বা-মৰালী হয়। দহোটা মৌজা আৰু ২০২ খন গাওঁ বেয়াকৈ ক্ষতিগ্ৰস্ত হয়। নজন মানুহ আৰু ২৩ টা গৰু মহৰ মৃত্যু হয়; ১,৯২১ টা ঘৰ ভাগে, ৯,১০২ টা ঘৰৰ ক্ষতি হয়; ৩,৩৩৯ টা পৰিয়াল ক্ষতিগ্ৰস্ত হয় আৰু ৩০ টা পৰিয়াল গৃহহীন হয়। ক্ষতিগ্ৰস্ত ৰাইজক আৱশ্যকীয় বিনামূলীয়া সাহায্য আৰু ঘৰ সজা সজুলি দিয়া হয়।

দৰং জিলাৰ গমাৰিৰ ছখন গাঁৱত ১৬৭টা পৰিয়ালৰ ঘৰ আৰু সম্পত্তি ব্ৰহ্মপুত্ৰৰ গড়া খহনীয়াত ধ্বংস হয়। গোলাঘাট উপবিভাগৰ ধনশ্ৰী মুখতো ২৩টা পৰিয়ালৰ বাসস্থান ব্ৰহ্মপুত্ৰই খহাই নিয়ে। চৰকাৰে তেওঁলোকক আশু সাহায্য দিয়ে আৰু তেওঁলোকক স্থায়ীৰূপে পুনৰ্সংস্থাপন কৰিবলৈ কাৰ্য্যপদ্ধতি লৈছে।

যোৱা অক্টোবৰৰ ২৩ তাৰিখে গোটেই তেজপুৰ নগৰপালিকা বজাৰ এক প্ৰলয়ঙ্কাৰী অগ্নি-কাণ্ডই ধ্বংস কৰে। ইয়াত ২২,০০,০০০৲ তকৈও অধিক টকা হানি হয়। চৰকাৰে তৎক্ষণাত বিনামূলীয়া সাহায্য আৰু পুনৰ্সংস্থাপন ঋণ স্বৰূপে ৭০,০০০৲ টকা মঞ্জুৰ কৰে। কাছাৰ জিলাৰ চোনাইবাজাৰতো এনে এটা অগ্নিকাণ্ডৰ কাৰণে পুনৰ্সংস্থাপনৰ বাবদ ৪০,০০০৲ টকা ঋণ দিয়া হৈছে।

বানপানী, গড়া খহনীয়া, অগ্নিকাণ্ড বা-মৰালী ইত্যাদিৰ কাৰণে চৰকাৰে যোৱা ১৪ ফেব্ৰুৱাৰীলৈকে বিনামূলীয়া সাহায্যস্বৰূপে ৩,৪৪,০০০৲ টকা, বাচনি সাহায্য স্বৰূপে ৩০,০০০৲ টকা আৰু কৃষি ঋণ স্বৰূপে ৭,৬৬,০০০৲ টকা বিপদগ্ৰস্ত ৰাইজৰ দুগতি খণ্ডনৰ হকে মঞ্জুৰ কৰিছে।

তাৰোপৰি, ক্ষতিগ্ৰস্ত ৰাইজক বিলাই দিবৰ বাবে কৃষি বিভাগৰ যোগে গুটি কিনাৰ বাহিৰেও সমূহীয়া প্ৰচেষ্টা অঞ্চলসমূহত বিনামূলীয়া সাহায্য স্বৰূপে ১০,০০০৲ টকা দিয়া হৈছে। অত্যন্ত

দুৰ্গতি খণ্ডনৰ হকে চৰকাৰে চাউল আৰু ধানো কিনি ক্ষতিগ্ৰস্ত ৰাইজক বেহাই নিৰিখত বিতৰণ কৰিছে। আগৰ দৰে আৱশ্যকীয় বুলি বিবেচনা কৰা ঠাইত সস্তীয়া শস্যৰ দোকানও খোলা হৈছে। এই প্ৰক্ৰিয়া অনুসৰি চৰকাৰে যোৱা ১৪ ফেব্ৰুৱাৰীলৈকে লক্ষীমপুৰ, নগাওঁ, শিৱসাগৰ আৰু কাছাৰ জিলাত ১০,৮৫০ মোণ চাউল আৰু ১২,৩০০ মোণ ধান বিলাই দিছে।

বৰ্ত্তমান বছৰত যোৱা জানুৱাৰীৰ প্ৰথম সপ্তাহলৈকে অত্যন্ত দুৰ্দ্দশাগ্ৰস্ত সকলৰ কাৰণে ১,১৭,১৯০৲ টকা ভূমি ৰাজহ আৰু ১০,৪০০৲ টকা স্থানীয় নিৰিখ ৰেহাই দিব লগা হয়।

## নৌ পৰিবহন, মথাউৰি বন্ধা আৰু খাল খন্দা

সৰহ শস্য উৎপাদন অভিযানৰ অধীনত ১৯৪৯-৫০ চনত লোৱা ডাঙৰ জলসিঞ্চন কাৰ্য্যৰ আঁচনি এই বছৰো পৰিপালন কৰি থকা হয়। মুঠ ৫০ খন আঁচনিৰ ভিতৰত ১৯৫২-৫৩ চনত ২০ খনৰ কাম সম্পূৰ্ণ হয় আৰু ১৪ খনৰ কাম এই বছৰতে শেষ হব বুলি আশা কৰা হৈছে। বাকী ১৬ খনৰ কাম অহা বছৰৰ ভিতৰত কৰা হব।

পাঁচ বছৰীয়া পৰিকল্পনাৰ অধীনত প্ৰায় এক কোটি টকা খৰচ পৰা নৌ পৰিবহন, মথাউৰি বন্ধা আৰু খাল খন্দা আঁচনি সমূহ তৈয়াৰ কৰা হয়। তিনিখনৰ কাম ১৯৫১-৫২ চনত লোৱা হয়। আৰু ২৫ খন আঁচনি বৰ্ত্তমান বছৰত হাতত লোৱা হৈছে আৰু বাকী কেইখনৰ কাম অহা বছৰত হাতত লোৱা হব। এই সকলো আঁচনি ১৯৫৫-৫৬ চনত শেষ হব বুলি আশা কৰা হৈছে।

ওপৰত উল্লেখ কৰা দৰে পাঁচ বছৰীয়া পৰিকল্পনাৰ অন্তৰ্বৰ্ত্তী কৰিবৰ বাবে ২,৩৩,০০,০০০৲ টকা খৰচ পৰিব বুলি হিচাব কৰা ৭৯টা জলসিঞ্চন প্ৰচেষ্টাৰ অন্য দুখন সূচী ভাৰত চৰকাৰলৈ পঠোৱা হৈছে। এই কাৰ্য্যসূচীৰ নিমিত্তে ভাৰত চৰকাৰৰ মঞ্জুৰী পাবলৈ এতিয়াও অপেক্ষা কৰা হৈছে।

আয়েঙ্গাৰ সমিতিৰ চুপাৰিশ অনসৰি ভাৰতৰ সমীক্ষাই অসমৰ নদী বিলাকৰ ভৌগলিক সমীক্ষা কৰিবৰ নিমিত্তে যোৱা বছৰৰ পৰা এটা দল নিয়োগ কৰিছে। কপিলি উপত্যকাৰ এক অঞ্চল আৰু পাগলাদিয়া নদীয়ে জলসিঞ্চন কৰা এক অঞ্চল সমীক্ষা কৰা হৈছে। অদূৰ ভবিষ্যতেও এই কাম চলাই থকা হব আৰু সম্প্ৰসাৰণ কৰা হব।

এটা নদী তদন্ত বিভাগ মঞ্জুৰ কৰা হৈছে আৰু এই বিভাগৰ কাৰণে ঘৰ সজা হৈছে। বিভাগৰ কাৰণে আৱশ্যকীয় কৰ্ম্মচাৰীবৃন্দ সোনকালেই পোৱা হব বুলি আশা কৰা হৈছে। বিভাগৰ কাৰ্য্যপালিকা ইঞ্জিনিয়াৰ জন ভাৰত চৰকাৰে দিব।

উমট্ৰু জলবিদ্যুত আঁচনিৰ ব্যৱহাৰ কাৰ্য্যৰ অংশ গড় কাপ্টানী বিভাগে কৰিছে। প্ৰবেশ আলিবাট, অস্থায়ী ঘৰ ইত্যাদিৰ নিচিনা আগতীয়া কাৰ্য্যবিলাক সোনকালে সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে। পাৱাৰ হাউছটোৰ বাহিৰে প্ৰধান কাম বিলাকৰ কাৰণে টেণ্ডাৰ গ্ৰহণ কৰা হৈছে। কানাডাৰ নিৰ্ম্মাণকাৰী বিলাকৰ পৰা নক্সা পালে পাৱাৰ হাউছৰ কাৰণে টেণ্ডাৰ আহ্বান কৰা হব। যন্ত্ৰ সজুলিবিলাক এওঁলোকেই দিব বুলি আশা কৰা হৈছে। বৰ্ত্তমান বছৰত ব্যৱহাৰ কাৰ্য্যৰ অংশৰ নিমিত্তে ৭,০০,০০০৲ টকা খৰচ কৰা হব আৰু অহা বছৰৰ খৰচ প্ৰায় ১৮,০০,০০০৲ টকা হব।

মাননীয় সদস্যসকলে ভালকৈ জানে যে ডিব্ৰুগড় নগৰ প্ৰতিৰক্ষাৰ কাৰণে ১ কোটি টকা খৰচত এখন আঁচনি তৈয়াৰ কৰি আগতীয়া কাম আৰম্ভ কৰা হয়। এই কামৰ কাৰণে তৈয়াৰ কৰা নক্সা ১৯৫২ চনৰ পৰা সলনিহৈ আছে। পুনৰ নদী গৱেষণা অনুষ্ঠানৰ সঞ্চালকৰ শেহতীয়া উপদেশ হৈছে যে ফলাফলৰ বিষয়ে নিশ্চিত হবৰ কাৰণে কায্যৰ

নক্সা আহি পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰিব লাগিব । কেন্দ্ৰীয় পানী আৰু শক্তি আয়োগে এই উপদেশ গ্ৰহণ কৰিছে । সেই অনুসৰি আহি পৰীক্ষাৰ উদ্দেশ্যে নদীৰ মূল সূত্ৰ সংগ্ৰহ কাৰ্য্য জৰুৰীভাৱে হাতত লোৱা হৈছে। আহি পৰীক্ষাটো অহা বাৰিষাৰ ভিতৰত চলাবলৈ স্থিৰ কৰা হৈছে । ইতিমধ্যে আগতে সংগ্ৰহ কৰা বস্তুৰে পৰীক্ষামূলকভাৱে এটা ভেটাৰ আকাৰত প্ৰায় ১০০০ ফুট দীঘল এটি প্ৰতিৰক্ষা দিয়া হব । স্থায়ী ভেটা তৈয়াৰ নকৰালৈকে অস্থায়ী প্ৰতিৰক্ষা পদ্ধতিসমূহ চলাই থকা হৈছে ।

## বিনিয়োগ

আজি কেইবছৰমানত বিনিয়োগ সমস্যাটো যথেষ্ট তাৎপৰ্য্য পূৰ্ণ আৰু জটিল আকাৰৰ হৈ পৰিছে । মাননীয় সদস্যসকলে জানে যে এই সমস্যা সমাধানাৰ্থে গোটেই ভাৰত জুৰি গভীৰ আৰু প্ৰণালীবদ্ধভাৱে চেষ্টা চলোৱা হৈছে । অসমত যদিও আন কিছুমান ৰাজ্যৰ দৰে শিক্ষিত নিবনুৱাৰ সমস্যাটো তেনে জটিল আকাৰৰ নহয়, তথাপি ই হাতৰ বাহিৰ নৌহওঁতেই যিমান সোনকালে পৰা যায় ইয়াক সমাধান কৰিবলৈ চেষ্টা কৰিব লাগে । এই উদ্দেশ্য লৈয়ে চৰকাৰে অস্থায়ী বিভাগৰ অস্থায়ী কৰ্ম্মীবৃন্দক যিমানদূৰ সম্ভৱ অন্য পদত নিয়োগ কৰিবলৈ স্থিৰ কৰিছে । এই সিদ্ধান্ত অনুসৰি অস্থায়ী বিভাগৰ পৰা অব্যাহতি পোৱা ভালেমানলোকক আনফালে নিয়োগ কৰা হৈছে । ৫০০ শিক্ষকক নতুন স্কুলবিলাকত, আৰু বৰ্ত্তমান থকা চৰকাৰী আৰু সাহায্যপ্ৰাপ্ত স্কুলবিলাকত নিয়োগ কৰিবৰ বাবে ইতিপুৰ্ব্বেই এখন আঁচনি তৈয়াৰ কৰি ভাৰত চৰকাৰলৈ আগবঢ়োৱা হৈছে। এই আঁচনিত প্ৰথম বছৰত ১৭,৩০০৲ টকা, দ্বিতীয় বছৰত ২,৩১,৬০০৲ টকা, তৃতীয় বছৰত ২,৩২,৪০০৲ টকা আৰু চতুৰ্থ বছৰ আৰু তাৰ পিছৰ পৰা ২,৩১,৬০০৲ টকা, খৰছ হব বুলি অনুমান হয় । ভাৰত চৰকাৰে প্ৰথম বছৰত ১৪,৪৭৫৲ টকা, দ্বিতীয় বছৰত ১,১৫,৮০০৲ টকা, তৃতীয় বছৰত ৫৮,২০০৲ টকা দিব বুলি আশা কৰা হৈছে । চতুৰ্থ বছৰৰ পৰা সম্পূৰ্ণ খৰচৰ ভাৰ ৰাজ্যিক ৰাজহৰ ওপৰত পৰিব ।

শিক্ষিত যুৱকসকলৰ মন চৰকাৰী চাকৰিৰ পৰা কৃষিৰ প্ৰতি ধাল লোৱাবৰ বাবে চৰকাৰৰ যথোপযুক্ত সাহায্যত শিক্ষিত যুৱকসকলক আহি কৃষি উপনিবেশ সমূহত সংস্থাপন কৰিবৰ নিমিত্তে লোৱা এখন আঁচনিৰ বিষয়ে চৰকাৰে সক্ৰিয়ভাৱে বিবেচনা কৰিছে ।

সাধাৰণ শিক্ষাৰ পৰা কাৰিকৰী শিক্ষা আৰু শিল্পকাৰুকাৰ্য্যৰ প্ৰতি ৰাইজৰ ধাউতি জন্মোৱাই আৰু কুটিৰ আৰু ক্ষুদ্ৰায়তন উদ্যোগৰ উন্নয়ন সাধি হে যে বিনিয়োগ সমস্যা সমাধান কৰিব পাৰি চৰকাৰ এই বিষয় সজাগ হৈছে। ক্ষুদ্ৰায়তন আৰু কুটিৰ উদ্যোগৰ পৃষ্ঠপোষকতা কৰিবলৈ চৰকাৰে লোৱা কাৰ্য্য সম্পৰ্কে মই উদ্যোগৰ বিষয়ে কওতে বহলাই কম । যুৱকসকলক সাধাৰণ শিক্ষাৰ পৰা কাৰিকৰী শিক্ষা আৰু শিল্প কাৰুকাৰ্য্যৰ প্ৰতি ধাউতি জন্মোৱা সম্পৰ্কে অসমৰ নিচিনা এখন নানা প্ৰকাৰে সীমাৰ ভিতৰত থাকিব লগীয়া ৰাজ্যত যি কাম কৰা সম্ভৱ চৰকাৰে তেনে কাৰ্য্যকে হাতত লৈছে। অসম চিভিল ইঞ্জিনিয়াৰিং স্কুলত আসনৰ সংখ্যা যোৱা বছৰৰ পৰা ৪০ ৰ পৰা ৮০ লৈ বঢ়োৱা হৈছে। যোৱা বছৰৰ পৰা এই স্কুলত (১) ড্ৰেফটচ্‌মেন আৰু এচটিমেটৰি, (২) ব্লেকস্মিথি আৰু ওৱেলদাৰ, (৩) কাৰ্পেন্‌ট্ৰী আৰু জইনাৰ আদি বিষয়ৰ এটা শিল্প পাঠ্যক্ৰমো আৰম্ভ কৰা হৈছে। এনে প্ৰশিক্ষণ দিবৰ বাবে বৰপেটাতো অন্য এটা শিল্পী শ্ৰেণী খোলা হৈছে আৰু অদূৰ ভৱিষ্যতে তেনে ধৰণৰ অন্যান্য পাঠ্যক্ৰম খুলিবলৈকো প্ৰস্তাৱ কৰা হৈছে। লগে লগে যোৰহাটৰ টেকনিকেল্ স্কুলটো উন্নত কৰিবলৈকো চৰকাৰে কাৰ্য্য হাতত লৈছে আৰু স্কুলঘৰটো ভাল কৰা কাৰ্য্য হাতত লোৱা হৈছে। হাতিয়াৰ, সাঁজ সজুলি আৰু যন্ত্ৰপাতি ইত্যাদি কিনিবৰ কাৰণে ১ লাখ টকা মঞ্জুৰ হৈছে। অহা বছৰৰ বাজেটত এই উদ্দেশ্যে অধিক ব্যৱস্থা কৰা হৈছে। মাননীয় সদস্যসকল এই কথাত মোৰ লগত সন্মত হব যে কেৱলমাত্ৰ চৰকাৰী চাকৰিৰ ব্যৱস্থা কৰিয়ে ৰাজ্যৰ শিক্ষিত যুৱকসকলৰ নিবনুৱা সমস্যাটো আংশিকভাৱেও সমাধান কৰিব নোৱাৰি। ৰাজ্যৰ বিভিন্ন উদ্যোগ আৰু বাণিজ্য সংগঠনবিলাকে এই সমস্যা সমাধানৰ বাবে চৰকাৰৰ সহযোগত সক্ৰিয় অংশ গ্ৰহণ কৰিব লাগিব। অন্যান্য ওচৰচুবুৰীয়া ৰাজ্যত উদ্যোগ

আৰু বানিজ্য সজ্ববিলাকে ইয়াক সমাধান কৰিবলৈ চৰকাৰৰ লগত নানাভাৱে সহযোগ কৰিছে। অসমৰ বিষয়েও সেই কথা কৰলৈ পোৱা হলে মই পৰম সন্তোষ পালোহেঁতেন। আমাৰ ৰাজ্যৰ এই বাঢ়ি অহা নিবনুৱা সমস্যা সমাধান বিচৰা বিষয়ত তেওঁলোকৰ একান্ত বিবেচনাৰ প্ৰয়োজন আৰু মোৰ মতে এই সম্পৰ্কে এই উদ্যোগ আৰু বানিজ্য সজ্ববিলাকৰ এটা কৰ্ত্তব্য আছে। তেওঁলোকে সময়ত এই কৰ্ত্তব্য পূৰণ কৰিব বুলি আশা কৰিছোঁ।

## কুটিৰ উদ্যোগসমূহ

ভাৰতৰ নিচিনা এখন কৃষি প্ৰধান দেশত কুটিৰ উদ্যোগক উৎসাহ দিয়াটো অত্যন্ত জৰুৰী কথা আৰু দেশৰ বিনিয়োগ সমস্যা বঢ়াৰ লগে লগে সকলো ৰাজ্যতে এই কথা বৰ্দ্ধিত ভাৱে স্বীকৃত হৈছে। কুটিৰ উদ্যোগক উৎসাহ দিবৰ অৰ্থে চৰকাৰে তেওঁলোকৰ অৰ্থই কুলোৱা অনুসাৰে বিভিন্ন ৰকমৰ কাৰ্য্য গ্ৰহণ কৰিছে। তাৰ ভিতৰত কুটিৰ উদ্যোগ খুলিবৰ নিমিত্তে ঋণ মঞ্জুৰ, কুটিৰ উদ্যোগ খুলিবৰ নিমিত্তে বিভিন্ন শিল্পত ৰাইজৰ প্ৰশিক্ষণ আৰু চৰকাৰে নিজে কুটিৰ উদ্যোগ খোলায়ে প্ৰধান। বৰ্ত্তমান বছৰত এনে উদ্যোগ খুলিবৰ নিমিত্তে ৯৫,০০০ টকাতকৈও অধিক টকা ঋণ স্বৰূপে দিয়া হৈছে। কুমাৰৰ কমি, চাবোন তৈয়াৰী, বাঁহ অৰু বেতৰ কাম ইত্যাদিত, অসমৰ ভিতৰৰ আৰু বাহিৰৰ বিভিন্ন অনুষ্ঠানত প্ৰশিক্ষণ লবৰ কাৰণে ১১টা বৃত্তি দিয়া হৈছে। পাঁচ বছৰীয়া পৰিকল্পনাৰ অন্তৰ্বৰ্ত্তী সকলো কুটিৰ উদ্যোগ বিভাগৰ আঁচনিয়ে মঞ্জুৰী পাইছে। এইবিলাকে আঁচনি হৈছে এটা কুটিৰ উদ্যাগ প্ৰশিক্ষণ অনুষ্ঠান আৰু এটা ঘানি উদ্যোগ স্থাপন। খৰচৰ কেইটামান অংশ বহন কৰিবলৈ সম্মত হোৱা ভাৰত চৰকাৰৰ সহায়ত আমাৰ চৰকাৰে বৰ্ত্তমান বছৰত কঠ বোৱা আৰু শীতল পাটি বোৱা কাৰ্য্য, খেলনা আৰু পুতলা তৈয়াৰী কাৰ্য্য আৰু গাঁৱৰ কুমাৰৰ কাম আৰম্ভ কৰিছে। বিক্ৰীৰ কাৰণে বস্তু উৎপন্ন কৰিবলৈ শিকোৱা আৰু পৰীক্ষা দেখুৱাই ইয়াৰ উদ্দেশ্য। অহা বছৰত এটা তেল পেৰা উদ্যোগ হাতত লবলৈ প্ৰস্তাব কৰা হৈছে। গজাঁল তৈয়াৰী উদ্যোগৰ বিষয়ে চৰকাৰে বিবেচনা কৰিছে।

সংবিধানৰ ২৭৫ নং অনুচ্ছেদৰ অধীনতো চাবোন তৈয়াৰী, ফল সংৰক্ষণ, কুমাৰৰ কাম ইত্যাদি শিকিবলৈ ছাত্ৰসকলক বৃত্তি দিয়া হৈছে। আমগুৰিৰ আহি উদ্যোগ কাৰ্য্য আৰু মৌ পালনতো প্ৰশিক্ষণ দিয়া হয়। এদল বৃত্তিধাৰীয়ে হাতে তৈয়াৰী কাগজ, কিতাপ বন্ধা, হাতৰ ছাপা, ফাইল বৰ্ড তৈয়াৰী ইত্যাদিত প্ৰশিক্ষণ শেষ কৰিছে। চাৰিজন প্ৰশিক্ষাৰ্থীৰ দ্বিতীয় দলটোৱে বৃত্তিলৈ প্ৰশিক্ষণ লৈছে। এজন বৃত্তিধাৰীক শ্ৰীনিকেতনত বেঁতৰ কামৰ প্ৰশিক্ষণ দিয়া হৈছে।

স্বায়ত্ব শাসিত জিলাসমূহৰ কুটিৰ উদ্যোগসমূহক উৎসাহ দিবৰ কাৰণে সহায়ক অনুদান-স্বৰূপে ২৯,২০০৲ টকা বিতৰণ কৰা হৈছে।

বৰ্ত্তমান বছৰত কুটিৰ উদ্যোগ সমীক্ষা আঁচনি আৰম্ভ কৰা হৈছে। অধিক সংখ্যক কুটিৰ উদ্যোগ খুলিবৰ কাৰণে আৰু তাত আমাৰ ৰাইজক প্ৰশিক্ষণ দিবৰ কাৰণে চৰকাৰে সদায় লক্ষ্য ৰাখিছে। কুটিৰ উদ্যোগ সমূহ বৰ্ত্তমান অৱস্থাতকৈ অলপ বহল মানত হাতত নললে যে দেশৰ আৰু ৰাইজৰ অৰ্থনৈতিক অৱস্থা আৰু উন্নত কৰিব নোৱাৰি এই কথা সম্পূৰ্ণৰূপে উপলব্ধি কৰা হৈছে।

কুটিৰ উদ্যোগৰ বিষয় আলোচনা কৰোতে মই কামৰূপ জিলাৰ সৰ্থেবাৰীৰ কাঁহ উদ্যোগৰ কথা উল্লেখ নকৰি নোৱাৰো। এই উদ্যোগৰ অতীত গৌৰবোজ্জল আৰু ই দেশৰ অৰ্থনীতি এক জৰুৰী অংশ গ্ৰহণ কৰিছিল। বৰ্ত্তমান কালত অৱশ্যে আইনা, চিনামাটি আৰু এলুমিনিয়ম্ আদি সস্তীয়া বস্তুৰ আমদানিক বাধা দিয়া ইয়াৰ পক্ষে অসম্ভৱ হৈছে। তাৰ ফলত এই উদ্যোগ লুপ্ত হবলৈ ধৰিছে। এই উদ্যোগক পুনৰুজ্জীৱিত কৰিবৰ নিমিত্তে চেষ্টা কৰিব লাগে বুলি চৰকাৰে অনুভৱ কৰিছে। ইয়াৰ এটা উপায় হৈছে উদ্যোগটো আধুনিক ধৰণৰ কৰি ইয়াক যন্ত্ৰ আৰু আধুনিক সাজ সৰঞ্জাম যোগান দিয়া। সেই উদ্দেশ্যে এই উদ্যোগক যন্ত্ৰপাতি আৰু চৰকাৰ

খৰচত ৰখোৱা এজন নিৰ্দ্দেশকৰ সেৱা যোগান দিবলৈ আৰু খটোৱা মূলধনৰ কাৰণে তাৰ সমবায় সমিতিক এটা ঋণ দিবলৈ এখন আঁচনি তৈয়াৰ কৰা হয়। এই আঁচনি অলপতে মঞ্জুৰ হৈছে। চৰকাৰে ২৮,০০০ৎ তকৈও অধিক টকাৰ যন্ত্ৰপাতি আৰু সাজ-সৰঞ্জাম কিনিবলৈ আৰু চৰকাৰে নিয়োগ কৰা নিৰ্দ্দেশকৰ পৰিচালনাৰ অধীনত সমবায় সমিতিৰ জিম্মাত সেইবিলাক দিবলৈ স্থিৰ কৰিছে। তাৰোপৰি খটোৱা মূলধনৰ কাৰণে সমবায় সমিতিক ২০,০০০ৎ টকা ঋণ দিয়া হব। এই পদ্ধতিসমূহৰ দ্বাৰা এই উদ্যোগে কেৱলযে জীয়াই থাকিবলৈকে সমৰ্থ হব এনে নহয় সমৃদ্ধিৰ পথত অগুৱাব বুলিও আশা কৰা হৈছে।

অসম পাট উদ্যোগৰ ক্ষেত্ৰও প্ৰায় একেধৰণৰে। সস্তীয়া কৃত্ৰিম পাটৰ প্ৰতিযোগিতাৰ দ্বাৰাও এই উদ্যেগ বাধা প্ৰাপ্ত হৈছে। এই সমস্যা সমাধানাৰ্থে উপায় সম্পৰ্কে চৰকাৰে গভীৰ-ভাৱে বিবেচনা কিৰিছে।

## বৃহৎ উদ্যোগসমূহ

কুটিৰ উদ্যোগৰ বিষয়ে কওঁতে এই কথা কবৰ বোধকৰো কোনো আৱশ্যক নাই যে ডাঙৰ উদ্যোগসমুহো নহলে দেশৰ অৰ্থনৈতিক অৱস্থ উন্নত কৰিব নোৱাৰি আৰু বাঢ়ি অহা নিবনুৱা সমস্যাও সম্পূৰ্ণৰূপে সমাধান কৰিব নোৱাৰি। চেনী কাৰখানা, কাগজৰ কাৰ-খানা, মৰাপাটৰ কাৰখানা, আৰু বিলাতী মাটিৰ কাৰখানা ইত্যাদিৰ নিচিনা ডাঙৰ উদ্যোগ সমহৰ কাৰণে অসমৰ কেঁচামাল ভালেখিনি আছে। কয়লাৰ পৰা গেচ আৰু অন্যান্য ধৰণৰ জলোৱা বস্তু উৎপাদন কৰিবৰ নিমিত্তেও সম্ভাৱনীয়তা আছে। পাঁচ বছৰীয়া পৰিকল্পনা গঢ়োতা সকলে বিজ্ঞৱ দৰেই এই উদ্যোগসমূহক ঘৰুৱা বিভাগত পেলাইছে। তথাপি অৱশ্যে অসমত তেনে উদ্যোগসমূহৰ উৎকৰ্ষ সাধন হোৱা নাই। ফলস্বৰূপে, কেৱল যে কেঁচামাল বিলাকেই কাৰ্য্যত নষ্টটাকৈ পৰি আছে এনে নহয়,অসমৰ বাইজে অন্য ঠাইৰ কেঁচা মালৰ পৰা তৈয়াৰী কৰা বস্তু বেচি দামত কিনিব লগীয়াও হৈছে। ই যে কেৱল ৰাইজৰ কিনা শক্তিৰ ওপৰতে ব্যাঘাত জন্মাইছে এনে নহয়, চৰকাৰকো ই নানাৰকমে বাধা দিছে। বিলাতীমাটিৰ প্ৰতিষেধক মূল্যৰ বাবে চৰকাৰৰ কামত খৰচ অধিক হয় আৰু বিলাতীমাটিৰ অভাৱত ঘৰ সজা কাম কেইবাবছৰ-লৈকো হুঁহকি যায়। সেইদৰে কাগজৰ অভাৱতো ৰাইজ আৰু প্ৰশাসনে যথেষ্ট কষ্টভোগ কৰিছে।

অসমত এনে উদ্যোগৰ উন্নতি হোৱা হলে বিনিয়োগ সমস্যাও একেবাৰে অদৃশ্য হলহেঁতেন। দেশ বিভাজনৰ পাচৰ পৰা এই ৰাজ্যলৈ আহিবৰ নিমত্তে পৰিবহনৰ অসুবিধা হোৱাৰ বাবেই প্ৰধানকৈ ঘৰুৱা উদ্যোগকাৰীসকল অসমলৈ নাহে। ভাৰতৰ বাকী অংশৰ লগত এই ৰাজ্যৰ সম্পৰ্ক কেৱল এটা সামান্য ৰেল শাখাৰ যোগেদি। কেৱল যে যথেষ্ট ৰূপে নোপোৱাটোৱেই সমস্যা এনে নহয় কিন্তু হলেজো বৰ দীঘল। ফলস্বৰূপে পৰিবহন বিশেষৰূপে বাধাপ্ৰাপ্ত আৰু উচচ পৰিবহন খৰচৰ বাবেই অসমত বস্তুৰ মূল্য বেছি হয়। অসমত কাৰখানা খুলিবৰ কাৰণে আৰু মৰাপাটৰ বস্ত, চেনী, কাগজ, বিলাতী মাটি আৰু আন তেনে বস্ত উৎপাদন কৰিবৰ নিমিত্তে ঘাইকৈ যন্ত্ৰপাতি আৰু সা-সজুলি আনিবলৈ পৰিবহনৰ অসুবিধা হোৱা বাবেই অসমত এইবিলাক উদ্যোগ খুলিবলৈ মূলধন পোৱা নহয়। দ্বিতীয়তে মানুহৰ ধাৰণা যে পৰিবহনৰ অসুবিধাৰ বাবেই অসমত ব্যবহৃত হৈ ৰাহি থকা বস্তুখিনি বাহিৰৰ বজাৰত বেচাটো সম্ভৱ নহব।

এই সুযোগতে মই কেন্দ্ৰীয় চৰকাৰক সানুনয়ে অনুৰোধ জনাওঁ যে তেওঁলোকে যেন এই বিষয়টো বিবেচনা কৰি কেৱল পৰিবহনৰ কাৰণেই বৰ্দ্ধিত সুবিধাৰ ব্যৱস্থা কৰে এনে নহয়, অসমলৈ অনা বস্ত বিশেষকৈ অসমত মিল আৰু কাৰখানা খুলিবৰ কাৰণে অনা যন্ত্ৰপাতি আৰু অসমত প্ৰচুৰ পৰিমাণে পৰি থকা কেঁচা মালৰ পৰা বস্তু তৈয়াৰ কৰিবলৈ অনা আৱশ্যকীয় উৎপাদনৰ পৰিবহন খৰচো কমাই দিয়ে। অসমৰ উদ্যোগ-সমূহৰ উৎপাদন বাহিৰা বজাৰত বেচিবলৈকো তেনে সুবিধাৰ ব্যৱস্থা কৰিব লাগিব। সজ্ঞ চৰকাৰে তেনে সুবিধাৰ ব্যৱস্থা নকৰিলে

মূলধন আৰু প্ৰচেষ্টা বিফলে যাব, অসমৰ কেঁচামাল অব্যৱহৃত হৈ থাকিব আৰু এই সীমান্ত ৰাজ্যৰ অৰ্থনীতি কেতিয়াও সুস্থ ভেটিত প্ৰতিষ্ঠিত নহব। আমি নিজে অসমত বৃহদায়াত্তন উদ্যোগ প্ৰতিষ্ঠা কৰিবৰ কাৰণে আমাৰ কেঁচা মাল কামত খটাবৰ বাবে সকলো যুক্তিযুক্ত সুবিধা দিবলৈ প্ৰস্তুত। আমি ৰেহাই নিৰিখত মাটি আৰু অন্য যুক্তিযুক্ত ৰেহাই দিবলৈ প্ৰস্তুত। এইবিলাক উদ্দেশ্যেৰে খুলিবলৈ লোৱা অনুষ্ঠানক আংশিক মূলধন দি সহায় কৰিবলৈও আমি ইচ্ছুক। প্ৰকৃততে বিত্তীয় নিগমটো প্ৰতিষ্ঠা কৰিবলৈ কাৰ্য্য গ্ৰহণ কৰাৰ বাহিৰেও আমি এটা নতুন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিছোঁ আৰু বৃহৎ আৰু মজলীয়া আকাৰৰ উদ্যোগসমূহক ঋণ দিবৰ নিমিত্তে অহা বছৰৰ বাজেটত এটা টকা ধৰিছোঁ। অসমত উদ্যোগৰ উন্নয়ন কৰা সম্পৰ্কে আমি কেনে দৃঢ়ভাৱে অনুভৱ কৰিছো তাৰ প্ৰমাণৰ আৱশ্যক হলে উল্লিখিত কথায়ে প্ৰমাণ দিব। মই আশা কৰোঁ যে চৰকাৰে যিসকলৰ কাৰণে কাম কৰিবলৈ আগবাঢ়িছে তেওঁলোকে যেন চৰকাৰৰ উদ্যমৰ সুবিধা গ্ৰহণ কৰে।

## ভূমি আৰু সংস্থাপন

মই দুখেৰে সৈতে জনাও যে জমীদাৰী উচ্ছেদকৰণৰ বিষয়ত বিশেষ আগবঢ়াতো সম্ভৱপৰ হোৱা নাই। মই যোৱা বছৰৰ বাজেট বক্তৃতাত উল্লেখ কৰা পৰিস্থিতিয়ে এতিয়াও চলি আছে। যোৱা চেপ্টেম্বৰত এই সদনত পাৰিত হোৱা সংশোধনী বিলখনে ৰাষ্ট্ৰপতিৰ অনুমোদনৰ কাৰণে অপেক্ষা কৰিছে। সেইদৰে ১৯৫৩ চনৰ অসম অনা খেতিয়ক নগৰীয়া অঞ্চলৰ ৰায়তীস্বত্ত্ব বিলখনেও ৰাষ্ট্ৰপতিৰ অনুমোদন এতিয়ালৈকে পোৱা নাই।

বৰ্ত্তমান বছৰলৈকে ১,৪৬,২৪৯ বিঘা ৰাহি হৈ থকা চাহ বাগিচাৰ ভূমি পাই তাক ভূমিহীন ৰাইজক বিলাই দিয়া হৈছে। উপযুক্ত বন ৰিজাৰ্ভ, গাওঁ ৰিজাৰ্ভ আৰু ব্যৱসায়ী চৰণীয়া ৰিজাৰ্ভৰ পৰাও বৰ্ত্তমান বছৰত চৰকাৰে ৬৬১১ বিঘা ভূমি ভূমিহীন কৃষকক বণ্টন কৰিছে।

ব্যৱসায়ী চৰণীয়া ৰিজাৰ্ভ, চাহ বাগিচাৰ পৰা লোৱা মাটি আৰু বন ৰিজাৰ্ভৰ ৪৬৬৮ টা ভূমিকম্প আৰু বান বিধ্বস্ত পৰিয়ালক স্থায়ীভাৱে আৰু ৩,০০০ টা তেনে পৰিয়ালক অস্থায়ীভাৱে পুণৰসংস্থাপন কৰা হৈছে। এতিয়াও আৰু ১৫০০ তকৈও অধিক বিধ্বস্ত পৰিয়াল আছে, তেওঁ লোকৰ কাৰণে কাৰ্য্যকৰীভাৱে পুণৰসংস্থাপনৰ ব্যৱস্থা কৰিব পৰা নাই। তেওঁলোকৰ কাৰণে সম্ভৱস্থলত চাহবাগিচাৰ ৰাহি হৈ থকা ভূমি লোৱা হৈছে।

কাছাৰৰ পুৰ্নসংস্থাপন কাৰ্য্য প্ৰায় শেষহৈ আহিছে। গুৱাহাটীৰ পুৰ্নসংস্থাপন কাৰ্য্য ইতিপুৰ্ব্বেই শেষ হৈছে। আৰু আপুৰঠ অঞ্চলসমুহৰ পুনৰ্সংস্থাপনৰ কাৰ্য্যও লগে লগে আগবাঢ়িছে। কামৰূপ আৰু শিৱসাগৰ জিলাৰ পুৰ্নসংস্থাপন কাৰ্য্য হাতত লবৰ সময়ো পালেহি আৰু সম্ভৱ হলে তাক হাতত লবলৈ প্ৰস্তাৱ কৰা হৈছে।

খনিজাত দ্ৰব্যৰ ক্ষেত্ৰত অসম তেল কোম্পানীক এটা "এৰ মেগনেটিক গ্ৰেভিটি" ভুমিকম্প সমীক্ষা চলাবলৈ অনুমতি দিয়া হৈছে। এই বছৰৰ মাৰ্চ লৈকে এই সমীক্ষা চলোৱা হব। বেকাৰ যুৱক সকলক সম্ভৱস্থলত নিয়োগ কৰা পদ্ধতি স্বৰূপে চৰকাৰে এই সংগঠনৰ সকলো শাখাতে বেকাৰ যুৱক সকলক নিয়োগ কৰিবৰ আৰু প্ৰশিক্ষণ দিবৰ নিমিত্তে চৰকাৰে এই সংগঠনবিলাকৰ লগতে চুক্তি কৰিছে।

## সঞ্চাৰ

পাঁচ বছৰীয়া পৰিকল্পনাৰ অধীনত আমি যে ২,৬৫,০০,০০০ টকা নিৰুপিত খৰচত ৭৩৬ মাইল আলিবাট নিৰ্ম্মাণ আৰু উন্নয়ন কৰিবৰ কাৰণে আৰু ৮ খন ডাঙৰ দলং নিৰ্ম্মাণ কৰিবৰ কাৰণে এখন কাৰ্য্যসূচী গ্ৰহণ কৰিছোঁ মাননীয় সদস্যসকলৰ সেই কথা সম্পূৰ্ণৰূপে মনত আছে বুলি মই সুনিশ্চিত। ১৯৫০ চনত ৰাজ্যৰ ৰাজহৰ পৰা ২০ টা আলিবাটৰ কাম আৰম্ভ কৰা হয়। বৰ্ত্তমান বছৰত চৰকাৰে বাকী আলিবাট আৰু দলংবিলাকৰ কাৰ্য্য হাতত লবলৈ মঞ্জুৰ কৰিছে। প্ৰকৃতপক্ষে সকলো আলিবাটৰ কামেই আৰম্ভ কৰা হৈছে আৰু দলংবিলাকৰো আগতীয়া কাৰ্য্য হাতত লোৱা হৈছে।

সমবায় ভেটিত গাঁৱৰ আলি-পদুলিৰ উন্নতি কৰিবৰ উদ্দেশ্যে যোৱা বছৰত চৰকাৰে এখন আঁচনি মঞ্জুৰ কৰে। এই আঁচনিৰ বাবদ খৰচ ধৰা হৈছিল ৩,০০,০০০ টকা। কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু স্থানীয় নিকায় প্ৰত্যেকেই সমান পৰিমাণে এ লাখকৈ এই ব্যয় বহন কৰিব লগা হয়। সেই একে ভিত্তিত এই আঁচনিৰ বাবদ ৯,০০,০০০ টকা ব্যয় কৰিবলৈ স্থিৰ কৰা হৈছে।

গুৱাহাটী চহৰৰ মাজেদি ৰেলৰ আলি নিব লগা হোৱাত তাৰ বাইজৰ চলা-চলত হোৱা অসুবিধাৰ বিষয়ে আপোনালোক সকলোৱে জানে। কেন্দ্ৰীয় চৰকাৰৰ লগতো বহু দিনৰ পৰাই এই বিষয়ে আলোচনা কৰা হৈছে। শেষত ৰেল মণ্ডলীয়ে সন্মতি জনাইছে যে চৰকাৰে দলঙৰ লগত লগ লগাই আৱশ্যকীয় ৰাস্তা নিৰ্ম্মাণ কৰিবলৈ সন্মত হলে শ্বিলং-গুৱাহাটী ৰাস্তাৰ চকৰ ওপৰত এখন দলং নিৰ্ম্মাণৰ ব্যয় ৰেল কৰ্ত্তৃপক্ষই বহন কৰিবলৈ স্বীকাৰ কৰিছে। এই দলঙৰ লগত লগ লগাই বান্ধিব লগা ৰাস্তা সমূহৰ বাবে অনুমানিক হিচাবে ৮,৪০,০০০ টকা ব্যয় ধৰা হৈছে। এই টকাৰ আধা ভাৰত চৰকাৰে অনুদান হিচাবে দিব আৰু বাকী আধা চৰকাৰে বহন কৰিবলৈ সন্মত হৈছে।

ৰাজ্যিক ৰাস্তা সমূহৰ বাহিৰেও, ৰাষ্ট্ৰীয় ৰাজ পথৰ কামো আগ বাঢ়িছে। নগাঁৱৰ কলং নদীৰ ওপৰত এখন বহল দলং নিৰ্ম্মাণ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে। খোৱাং আৰু যোৰহাটৰ মাজৰ ৰাষ্ট্ৰীয় ৰাজপথত শিল দিয়া কাম প্ৰায় শেষ হৈছে আৰু নুমলিগৰ আৰু যোৰহাটৰ মাজৰ ৰাস্তাৰ কামো ভালেখিনি আগ বাঢ়িছে। পাঁচ বছৰীয়া পৰিকল্পনাৰ কেন্দ্ৰীয় শাখাৰ অধীনত ৰাষ্ট্ৰীয় ৰাজপথৰ আৰু উন্নয়ণমূলক কাম হাতত লবলৈ স্থিৰ কৰা হৈছে। দুমডুমাত এখন দলং, ডিব্ৰুগড়ৰ তিলইজানৰ ওপৰত এখন দলং, শিৱসাগৰৰ ওচৰত দৰিকা দলং আৰু যোৰহাটৰ ভোগদৈ নদীৰ ওপৰত আৰু এখন দলং নিৰ্ম্মাণ কাম এই শাখাৰ ভিতৰত পৰিছে।

বিভিন্ন শিক্ষা বিষয়ক, চিকিৎসা বিষয়ক, যাতায়াত আৰু ৰাজ্যৰ অন্যান্য সা-সুবিধাৰ উন্নয়নৰ কাৰণে বহুল প্ৰশংসনীয় ব্যৱস্থা আৰু আন আন ভালেমান নিৰ্ম্মাণমূলক ব্যৱস্থাৰ প্ৰয়োজন। গড়কাপ্তানি বিভাগৰ হাতত অতি বেচি পৰিমানৰ ঘৰ নিৰ্ম্মান আঁচনি আছে। উপযুক্ত চৰকাৰী বিষয়া আৰু দৰ্কাৰী বস্তু-বেহানী সীমাবদ্ধ হোৱা স্বত্বেও এই বিভাগে সমগ্ৰ ৰাজ্য জুৰি বহুতো ঘৰ নিৰ্ম্মান কাৰ্য্য হাতত লৈছে, ইয়াৰ বাহিৰেও বিভাগৰ হাতত প্ৰায় ৫ লাখ টকা ব্যয়ত ডাক আৰু টেলিগ্ৰাফ বিভাগৰ কেতবোৰ ঘৰ নিৰ্ম্মাণ কাৰ্য্য আছেই।

গড়কাপ্তানি বিভাগৰ কাম খৰখেদাকৈ আগ নবঢ়া বুলি প্ৰায়েই সমালোচনা হোৱা দেখা যায়। ভুল বাতৰিৰ নিমিত্তেই সাধাৰণতে এই সমালোচনা হয়। যুদ্ধৰ পূৰ্ব্বে বছৰত প্ৰায় ৪০ লাখ টকাৰ আঁচনি লোৱাৰ বিপক্ষে এতিয়া এই বিভাগৰ হাতত ৬ কোটিতকৈও অধিক টকাৰ আঁচনি আছে। আনহাতে, এই কাম গ্ৰহণ কৰিবৰ নিমিত্তে কাৰিকৰী লোকৰ অভাৱ! এই বিভাগত ইঞ্জিনীয়াৰ, অভাৰচিয়াৰ, কম্পিউটৰ আৰু ড্ৰাফ্‌ট্‌চমেন আদিৰ যথেষ্ট অভাৱ। অসমৰ বাহিৰৰ পৰা এনেবোৰ কামৰ বাবে লোক অনিবলৈ যত্ন কৰা হৈছে। কিন্তু সদৌ ভাৰততে কাৰিকৰী লোকৰ সংখ্যা কম। তাৰ ফলত, গড়কাপ্তানি বিভাগৰ কাম দ্ৰুততৰ গতিত আগ বাঢ়িব পৰা নাই।

## শিক্ষা

ৰাজ্যৰ মাধ্যমিক স্কুলত ইংৰাজী শিকোৱাৰ মান যে হ্ৰাস হৈ গৈছে সেই বিষয়ে মাননীয় সদস্য সকলৰ দৃষ্টি পৰিছে। ইংৰাজী শিক্ষক সকলে যাতে ছাত্ৰক বোধকৰো ভালদৰে ইংৰাজী শিক্ষা দিব পাৰে সেই বাবে শিক্ষক সকলক উপযুক্ত ভাবে প্ৰশিক্ষণ দিয়াৰ আৱশ্যক বোধ কৰা হয়। সেই উদ্দেশ্যত ইংৰাজী শিক্ষক সকলৰ কাৰণে বিশেষ

প্ৰশিক্ষণ শ্ৰেণী এটা খুলিবৰ নিমিত্তে গুৱাহাটী বিশ্ববিদ্যালয়ক অনুৰোধ জনোৱা হয়। এই বিষয়ক সকলো ব্যৱস্থা চূড়ান্ত ভাবে ঠিক কৰা হয় আৰু সেই উদ্দেশ্যত বিশ্ববিদ্যালয়লৈ অনুদান আদিও দিয়া হৈছে।

মাননীয় সদস্য সকলে শুনি সুখী হব যে বাৰ্ষিক অনুদান আদিৰ বাহিৰেও যোৱা মাৰ্চৰ মাহত হোৱা ধুমুৱাই কৰা ক্ষতি পুৰণাৰ্থে এই বছৰত সাহায্য প্ৰাপ্ত হাইস্কুল সমূহলৈ ৭৫,০০০, টকা দিয়া হৈছে।

মাধ্যমিক স্কুলত ৰাষ্ট্ৰভাষা প্ৰচলন কৰিবৰ নিমিত্তে চৰকাৰে লোৱা লক্ষ্যত ১৩০ খন সাহায্য প্ৰাপ্ত হাইস্কুললৈ ১৯৫৩-৫৪ চনৰ ভিতৰত বহুতো অনুদান দিয়া হয় আৰু অহা বছৰত সেই উদ্দেশ্যত আৰু ১৩০ খন স্কুললৈ সেই একে ধৰণৰ অনুদান দিয়াৰ ব্যৱস্থা ৰখা হৈছে। এই স্কুল সমূহত প্ৰয়োজন মতে অৰ্হতা সম্পন্ন হিন্দী শিক্ষক দিবৰ নিমিত্তে মিছামাৰী চৰকাৰী হিন্দী প্ৰশিক্ষণ কেন্দ্ৰত শিক্ষাৰ্থীৰ সংখ্যা ৫০ ৰ পৰা ১২৫ লৈ বঢ়োৱা হৈছে।

মাননীয় সদস্য সকলে বাজেট স্মাৰক-পত্ৰৰ পৰিশিষ্টত থকা কথা দেখিবলৈ পাইছে যে চৰকাৰী নাইবা সাহায্যপ্ৰাপ্ত নাইবা স্থানীয় নিকায়ৰ অধিনস্থ সকলো এম, ভি, স্কুল অহা ১ এপ্ৰিলৰ পৰা স্কুল মণ্ডলীৰ অধীনলৈ নিবলৈ স্থিৰ কৰা হয়। আৰু এই উদ্দেশ্যত অহা বছৰৰ বাজেটত ১৯ লাখ টকাৰ ব্যৱস্থা কৰা হয়। যোৱা তিনি বছৰৰ ব্যয়ৰ গড় হিচাবত এম, ভি স্কুলৰ বাৰ্ষিক খৰচৰ বাবদ স্কুল মণ্ডলীৰ নিধিলৈ বৰঙনি যোগোৱাৰ ভাৰ স্থানীয় মণ্ডলীৰ ওপৰত পৰিছে।

এই ব্যৱস্থাৰ দ্বাৰা এম, ভি, স্কুল সম্পৰ্কত স্থানীয় মণ্ডলীৰ কৰ্ত্তব্য লাঘৱ হব বুলি আশা কৰা যায়। যোৱা তিনি বছৰৰ ব্যয়ৰ গড় হিচাবত স্কুল মণ্ডলীৰ নিধিলৈ যদিও এই স্থানীয় মণ্ডলীয়ে বৰঙনি যোগাব লগা হৈছে, তথাপি এই বিষয়ত দিনে দিনে বাঢ়ি অহা খৰচৰ হেচাৰ পৰা ই অব্যাহতি পাব। এম, ভি, স্কুলৰ খৰচৰ মাত্ৰা দিনে দিনে বাঢ়ি যোৱা স্বাভাৱিক, কিন্তু স্থানীয় মণ্ডলীৰ খৰচৰ মাত্ৰা সদায় একে পৰিমাণে থাকিব। ইয়াৰ দ্বাৰা স্থানীয় মণ্ডলী যথেষ্ট পৰিমাণে উপকৃত হব।

চৰকাৰে প্ৰাথমিক আৰু বুনিয়াদী শিক্ষা একত্ৰিকৰণৰ লক্ষ্য গ্ৰহণ কৰিছে। প্ৰতি বছৰে প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ সংখ্যা মতে বুনিয়াদী শিক্ষালয়ৰ সংখ্যা বঢ়াই নিয়া হৈছে। যোৱা বছৰত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ সংখ্যা ২৪৩ আছিল, কিন্তু চলিত বছৰত প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ সংখ্যা ৪৮৯, হয় আৰু এই বছৰত ২১৪ জন শিক্ষকে প্ৰশিক্ষণ লাভ কৰিছে। অহা বছৰত নতুন আঁচনিৰ কাৰ্য্য তালিকা মতে নিবনুৱা সমস্যা সমাধানাৰ্থে ভাৰত চৰকাৰৰ সাহায্যত ৫০০ জন শিক্ষকৰ ব্যৱস্থা কৰাৰ উপৰিও প্ৰাথমিক শিক্ষালয়ত ৩০০ জন ওপৰঞ্চি শিক্ষকৰ নিমিত্তে ১,৬৫,০০০৲ টকাৰ দিহা কৰা হয়।

নেশ্যনেল কেডেট কৰ্পচ্ আঁচনিৰ প্ৰতি বহু সংখ্যক লোকৰ আগ্ৰহ জন্মিছে। এই আঁচনি বৰ্ত্তমান সৰ্ব্বসাধাৰণৰ মাজত বেচি পৰিমাণে সৰবৰহী হৈ উঠিছে আৰু চলিত বছৰত এই আঁচনিৰ পৰিসৰ সংযুক্ত খাছিয়া-জয়ন্তীয়া পাহাৰ, নগা পাহাৰ আৰু লুচাই পাহাৰ জিলালৈ বৃদ্ধি কৰিছে। এই আঁচনিৰ পৰিসৰ আৰু বৃদ্ধি কৰিব পৰা যায়নেকি সেই বিষয়েও এতিয়া চৰকাৰে মনোনিবেশ কৰিছে।

শিক্ষাৰ অধীনত লোৱা পাঁচ বছৰীয়া পৰিকল্পনা চলিত বছৰত আৰম্ভ কৰা হৈছে। এই আঁচনিৰ অন্তৰ্ভূক্ত হৈছে যোৰহাটৰ কাৰিকৰী স্কুলৰ উন্নয়ণ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ঘৰ নিৰ্ম্মাণ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ঘৰ নিৰ্ম্মাণাৰ্থে চলিত বছৰত ১০,৭৫,০০০৲ টকা মঞ্জুৰ কৰা হৈছে।

এই বছৰত আৰম্ভ কৰা, ভাৰত চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিত্তিয় সাহায্যত লোৱা পাঁচ বছৰীয়া পৰিকল্পনাৰ কেন্দ্ৰীয় শাখাৰ ভিতৰত পৰিছে—(১) প্ৰাথমিক স্কুলৰ শিক্ষকৰ নিমিত্তে বুনিয়াদী প্ৰশিক্ষণ স্কুল, (২) দুখন প্ৰধান বুনিয়াদী স্কুল, (৩) পাঁচটা সামূহিক কেন্দ্ৰ, (৪) পুথিভড়াল সেৱা আৰু (৫) প্ৰাথমিক স্কুলৰ উন্নয়ণ।

পৰিকল্পনাখনৰ কেন্দ্ৰীয় শাখাৰ অধীনত আৰু যোল খন আঁচনিৰ বিষয়ে ভাৰত আৰু অসম চৰকাৰৰ মাজত বিবেচনা চলিছে। বিত্তিয় বছৰ শেষ নৌহওতেই এই আঁচনি সমূহ প্ৰয়োগাৰ্থে ভাৰত চৰকাৰৰ মঞ্জুৰী লাভ কৰা হব বুলি আশা কৰা হৈছে। বিত্তিয় পৰিস্থিতি সুখজনক নোহোৱা স্বত্বেও পাহাৰ আৰু ভৈয়াম উভয় অঞ্চলৰ নিমিত্তে অহা বছৰৰ বাজেটত বহু সংখ্যক শিক্ষা বিষয়ক নতুন আঁচনি অন্তৰ্ভুক্ত কৰা হৈছে। বাজেট স্মাৰক-পত্ৰৰ পৰিশিষ্টত তাত বিস্তৃত বিবৰণ আছে আৰু এই আঁচনি সমূহৰ বাবদ অহা বছৰত ২৮,৬০,৭০০৲ টকা ব্যয় কৰিবলৈ আৰু সৰ্ব্বশেহত এই সম্পৰ্কত ৪০,২৪,৩৬৩৲ টকা ব্যয় কৰিবলৈ স্থিৰ কৰা হৈছে।

শিক্ষা সম্পৰ্কত আমি কিমানদূৰ অগ্ৰসৰ হৈছো সেই বিষয়ে মই মোৰ পূৰ্ব্বৰ বাজেট বক্তৃতা পৰিকাৰকৈ উল্লেখ কৰিছো। মাননীয় সদস্য সকলে দেখিবলৈ পাবযে ১৯৪৫-৪৬ চনৰ '৩৭—শিক্ষাৰ' অধীনত ধৰা ৪৪,০০,০০০৲ টকাৰ বিপক্ষে অহা বছৰৰ বাজেটত ২,৮২,৮১,০০০৲ টকা ধৰা হৈছে। ইয়াৰ বাহিৰেও শিক্ষাৰ শিতানত পোন পাটিয়াকৈ নেদেখুৱা আৰু বহুতো অন্যান্য খৰচ আছে। সেইবোৰ হৈছে ডাক্তৰী শিক্ষা, কৃষি বিষয়ক শিক্ষা, পশু চিকিৎসা বিষয়ক শিক্ষা, উচ্চ শিক্ষাৰ্থে দিয়া অন্যান্য ঋণ ইত্যাদি। শিক্ষা বিষয়ৰ সকলো খৰচ এক মুঠে ধৰিলে ১৯৫০-৫১ চনত ১,৬১,৫৩,০০০৲ টকা, ১৯৫১-৫২ চনত ১,৮৪ ৮৯,০০০৲ টকা, ১৯৫২-৫৩ চনত ১,৯৮,৮২,০০০৲ টকা হয়। চলিত বছৰৰ সংশোধিত বাজেটত এই শিতানত হোৱা খৰচৰ পৰিমাণ ২,১৭,১০,০০০৲ টকা আৰু অহা বছৰৰ কাৰণে ইয়াৰ পৰিমাণ হয় ২,৯৮,৯৭,০০০৲ টকা। শিক্ষানুষ্ঠানৰ গৃহ নিৰ্ম্মাণৰ বাবে দিয়া ২৫ লাখ টকা এই খৰচৰ ভিতৰত ধৰা হোৱা নাই।

এই উদ্দেশ্যে আমি আৰু কিমানদূৰ অগ্ৰসৰ হব পাৰো সেই বিষয়ে খন্তেক বিবেচনা কৰিবলৈ মাননীয় সদস্যসকলক মই অনুৰোধ কৰোঁ। আমাৰ মুঠ ৰাজহ ১৫ কোটিতকৈও কম। তাৰ ভিতৰত শিক্ষাৰ বাজেটত ৩ কোটি টকা ধৰা হৈছে। অৰ্থাৎ আমাৰ মুঠ সম্পদৰাজিৰ শতকৰা কুৰি ভাগ অকল শিক্ষাৰ উদ্দেশ্যেই ধৰা হৈছে। শিক্ষাৰ গুৰুত্ব সম্পৰ্কত কোনেও নুই কৰিব নোৱাৰিলেও সামাজিক সেৱা আৰু উন্নয়নমূলক আঁচনি সমূহৰ প্ৰতিও যুগুতা গতিকে শিক্ষামূলক কাৰ্য্যত আৰু কিমান আগ বাঢ়িব পৰা যায় সেই বিষয়ে বিবেচনা কৰা এটা সীমা ৰাখি বিবেচনা কৰাটো উচিত বুলি মই ভাবো। এই সম্পৰ্কত মাননীয় সদস্য সকলৰ পৰা দিহা পৰামৰ্শ আহ্বান কৰিলো। শিক্ষা বিষয়ত কৰা ব্যয় সম্পৰ্কত সমগ্ৰ ভাৰতৰ ভিতৰত আমি গৌৰৱ কৰিব লাগিব বুলিয়েই এই সান্মানৰ কাৰণে আমি বাকী সকলোবোৰ বিসৰ্জ্জন দিব নোৱাৰো।

## অধিক শস্য উৎপাদন

গড়কাপ্তানি বিভাগে লোৱা অধিক শস্য উৎপাদন বিভাগৰ জলসিঞ্চন আঁচনি সমূহৰ বিষয়ে মই আগেয়ে উল্লেখ কৰি আহিছো। ইয়াৰ উপৰিও কৃষি বিভাগে কেতবোৰ ক্ষুদ্ৰ জলসিঞ্চন প্ৰচেষ্টা হাতত লৈছে। যোৱা বছৰত সৰ্ব্বমুঠ ৮৮৬ টা প্ৰচেষ্টাৰ কাম সম্পূৰ্ণ হৈছে আৰু তাৰ পৰা অনুমানিক হিচাপে ১,৮০,০০০ একৰ মাটি উপকৃত হব বুলি স্থিৰ কৰা হৈছে।

বিভাগৰ অন্যান্য কাম কাজো সুচাৰুৰূপে আগ বাঢ়িছে। নগৰ আৰু গাঁও উভয় অঞ্চলত পচন সাৰ তৈয়াৰ কৰা কামত যথেষ্ট পৰিমাণে কৃতকাৰ্য্য হৈছে। হাড়ৰ গুৰিৰ সাৰ আৰু খলিহৈ আদি পৰ্য্যাপ্ত পৰিমাণে বিতৰণ কৰা হয় আৰু এনে ধৰণৰ কৃত্ৰিম সাৰৰ চাহিদা ক্ৰমে বাঢ়ি যোৱা দেখা যায়।

জলসিঞ্চনৰ উদ্দেশ্যত শক্তি পাম্পৰ ব্যৱহাৰ সৰবৰহী হৈ উঠাৰ নিমিত্তে তাৰ চাহিদা বাঢ়ি যায় আৰু পূৰ্ব্বৰ ১৬টা পাম্পৰ উপৰি চলিত বছৰত আৰু ৪৮ টা পাম্প দিয়া হয়।

ৰাজ্যত নতুনকৈ অৱলম্বন কৰা জাপানী পদ্ধতিৰ খেতি কৰা প্ৰণালী উৎসাহজনক ফল পোৱা যায়।

## ব্যৱহাৰ

চাহ বাগিচাৰ ভূমি আবাদীকৰণ আঁচনিৰ অধীনত প্ৰায় ৭,০০০ একৰ মাটিত খাদ্য শস্যৰ খেতি কৰা হয়। কাকিত লোৱা ভূমি আবাদীকৰণ আঁচনিৰ কাম আশানুৰূপ ভাবে আগ বাঢ়ে। কামৰূপ, দৰং আৰু কাছাৰত লোৱা ক্ষুদ্ৰ আবাদীকৰণ আঁচনি সমূহৰ কামো আৰম্ভ কৰা হৈছে। কামৰূপ জিলাৰ সুৱনখাটা অঞ্চলতো এখন বিৰাট আকাৰৰ ভূমি আবাদীকৰণ আঁচনি লোৱা হৈছে।

## মীন পন্নয়

অসমৰ ৰাইজৰ মাছ এটা প্ৰধান খাদ্য। অসমত মাছ পোহাৰ যথেষ্ট সুবিধা থকা স্বত্বেও বছৰি বছৰি মাছৰ যোগান হ্ৰাস হৈ গৈছে। চৰকাৰে মাছৰ যোগান বঢ়াবৰ নিমিত্তে চেষ্টা কৰিছে, কাৰণ মাছ এটা প্ৰধান খাদ্যৰ উপৰিও ই জীৱন ধাৰণৰ ওপৰঞ্চি উপায়। চৰকাৰে এই সম্পৰ্কত লোৱা আঁচনিসমূহত ভালেখিনি কৃতকাৰ্য্যতা লাভ কৰিছে। গুৱাহাটী, ৰহা, শিৱসাগৰ, ছিলচৰ, সালচাপ্ৰা আৰু ডিব্ৰুগড়ত মীন পন্নয় খোলা হৈছে। এই মীন পন্নয় সহমূৰ লগতে ৰাইজক যোগান ধৰিবৰ নিমিত্তে মাছৰ পোনা ৰখা কেন্দ্ৰ খোলা হৈছে। চলিত বছৰত ৯৬,০০০ টা মাছৰ পোনা সেই মাছৰ ফৰ্মবোৰত এৰি দিয়া হয় আৰু ৮২,০০০ টা মাছৰ পোনা সংগ্ৰহকাৰী কেন্দ্ৰসমূহৰ পৰা জোগাৰ কৰা হয়। প্ৰায় ৩৯,০০০ টা মাছৰ পোনা ৰাইজক বিক্ৰি কৰা হয়। অহা বছৰত ইয়াৰ আৰু উন্নতি কৰিবৰ নিমিত্তে মনস্থ কৰা হৈছে। যোৱা ডাঙৰ ভূমিকম্পৰ পিছৰ পৰা মাছৰ যোগান হ্ৰাসহৈ আছে। এই সমস্যা সমাধানাৰ্থে যত্ন লোৱা হৈছে। মীন পন্নয়ৰ উন্নতি কৰা আমাৰ এটা অতি লাগতিয়াল কথা হৈ পৰিছে। গতিকে, মাছ মৰি যোৱা সমস্যাৰ বিষয়ে অধ্যয়ন কৰি ইয়াৰ উপযুক্ত ব্যৱস্থা লবৰ নিমিত্তে মীনপন্নয় বিভাগৰ অধীনত এজন ইঞ্জিনায়াৰ নিযুক্ত কৰিবলৈ স্থিৰ কৰা হৈছে।

## চিকিৎসা

অসমৰ গঁঞা অঞ্চলত চিকিৎসা বিষয়ক সুবিধা দিয়াৰ বাবে গ্ৰহণ কৰা চিকিৎসা বিভাগৰ কাম কাজ পূৰ্ব্বৰ দৰেই চলি থাকে। কিন্তু এই উদ্দেশ্যত অৰ্হতা সম্পন্ন ডাক্তৰৰ অভাৱত এই লক্ষ্যত গঁঞা অঞ্চলত চিকিৎসামূলক সা-সুবিধা দিবৰ নিমিত্তে চলিত বছৰৰ দৰে অহা বছৰৰ বাজেটটো দিহা ৰখা হৈছে। বাজেটৰ স্মাৰক-পত্ৰৰ পৰিশিষ্টৰ প্ৰতি মাননীয় সদস্য সকলৰ মনোযোগ আকৰ্ষণ কৰা হ'ল।

মেডিকেল কলেজৰ গৃহ নিৰ্ম্মাণ কাৰ্য্য সন্তোষজনক ভাৱে আগ বাঢ়িছে। প্ৰায় ৩৭ লাখ টকাৰ ব্যয়ৰ প্ৰথম অৱস্থাৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। পাঁচ বছৰীয়া পৰিকল্পনাৰ অধীনত আন এখন গৃহ নিৰ্ম্মাণ কাৰ্য্য-সূচীৰ কাম চলিত বছৰত আৰম্ভ কৰা হৈছে আৰু ইয়াৰ কাম অহা দুবছৰ ধৰি চলিব। মাননীয় সদস্য সকল শুনি সুখী হব যে মেডিকেল কলেজত চেষ্ট হাস্পতাল এখন খুলিবৰ বাবে ডিব্ৰুগড়ৰ এজন উদাৰ চাহ বাগিচাৰ মালিক অল হাজ জোনাব জালালউদ্দিন আহমেদে প্ৰায় ২১ লাখ টকা দান দিবলৈ স্বীকাৰ কৰিছে। আন এজন উদীয়মান ব্যৱসায়ী ডেকা শ্ৰীদীনেশ চন্দ্ৰ দুৱৰাই মেডিকেল কলেজত দুখন বিছনাৰ যক্ষ্মা ৰোগীৰ চিকিৎসাৰ কাৰণে এটি ঘৰ নিৰ্ম্মাণাৰ্থে ৪৬,০০০৲ টকা দিবলৈ কথা দিছে। এই দুয়ো কাৰ্য্য এতিয়া আৰম্ভ কৰা হৈছে। এই বছৰত যক্ষ্মা চিকিৎসালয়ৰ বিছনাৰ সংখ্যা ৯৭ লৈ বৃদ্ধি কৰা হৈছে। এই বিত্তিয় বছৰৰ শেষ হোৱাৰ লগে লগে অস্ত্ৰোপচাৰ থিয়েটাৰ ঘৰ নিৰ্ম্মাণ কাম শেষ হ'ব। হাস্পতালৰ অৱস্থা উন্নতি কৰিবৰ নিমিত্তে আৰু ৰোগীৰ বিছনাৰ সংখ্যা এশ বঢ়াবৰ নিমিত্তে পাঁচ লাখ টকা ব্যয়ত পাঁচ

বছৰীয়া পৰিকল্পনাৰ অধীনত লোৱা এখন আঁচনিৰ কাম বৰ্ত্তমান আৰম্ভ কৰা হৈছে। শিলচৰ চিভিল হাস্পতালত কুৰি খন বিছনাৰ যক্ষ্মা ৰোগীৰ হাস্পতাল এখন নিৰ্ম্মাণ কৰিব নিমিত্তে সমূহীয়া প্ৰচেষ্টা প্ৰশাসনৰ দ্বাৰা ৫০,০০০৲ টকা ব্যয়ত এখন আঁচনি লোৱা হৈছে। ৰাইজৰ ৰৰঙণীৰ দ্বাৰা লোকপ্ৰিয় বৰদলৈৰ নামে গুৱাহাটীত যক্ষ্মা চিকিৎসালয় এখন আৰম্ভ কৰিবলৈ মনস্থ কৰা হৈছে। এই উদ্দেশ্যত চৰকাৰে ৭৫ বিঘা মাটি মঞ্জুৰ কৰিছে।

মাননীয় সদস্য সকল শুনি সুখী হ'ব যে অসমত যক্ষ্মাৰ বিপক্ষে লোৱা অভিযানত প্ৰতিষেধক আৰু প্ৰতিকাৰক উভয় ক্ষেত্ৰতে ভালেখিনি আগ বঢ়া হৈছে।

## লোক স্বাস্থ্য

লোক স্বাস্থ্য বিভাগৰ সকলো বিলাক প্ৰতিকাৰ মূলক কাম কাজ পূৰ্ব্বৰ দৰেই চলি থাকে। অসমৰ গাওঁ বিলাকত দেখা দিয়া হাকুটী পেলুৰ বিপক্ষে উপযুক্ত ব্যৱস্থা লবৰ নিমিত্তে আগৰ দুটা ভ্ৰমণশীল সমষ্টিৰ (মবাইল ইউনিট) লগত চলিত বছৰত আৰু পাঁচটা সমষ্টি দিয়া হয়। এতিয়া-লৈকে তাৰ সুফল পোৱা হৈছে। কুষ্ঠৰোগৰ বিপক্ষে বিভাগে যথেষ্ট পৰিমাণে প্ৰতিকাৰ মূলক ব্যৱস্থা গ্ৰহণ কৰে আৰু ৰাজ্যৰ সকলোবোৰ কুষ্ঠ ৰোগীক চিকিৎসা কৰিবৰ নিমিত্তে এটা সমীক্ষা লোৱা হৈছে। পাঁচ বছৰীয়া পৰিকল্পনাৰ অধীনত ১,০৭,০০০৲ টকা ব্যয়ত কুষ্ঠ ৰোগৰ বিপক্ষে ৩ বছৰৰ কাৰণে লোৱা আঁচনি অলপতে আৰম্ভ কৰা হব। মেলেৰিয়া ৰোগৰ বিপক্ষে লোৱা আঁচনি খনো অহা বছৰত আৰম্ভ কৰিবলৈ স্থিৰ কৰা হৈছে। বৰ্ত্তমান চৰকাৰে ৪ টা মাতৃ মঙ্গল আৰু শিশু মঙ্গল কেন্দ্ৰ পৰিচালনা কৰিছে। চলিত বছৰত আৰু ছটা কেন্দ্ৰ মঞ্জুৰ কৰা হৈছে। এই কেন্দ্ৰ সমূহে বিশ্ব-স্বাস্থ্য সংস্থ আৰু ইউনিচেফৰ পৰা ঔষধ, সৰঞ্জাম, গাখাৰ আদিৰ সাহায্য লাভ কৰিছে আৰু এই সাহায্যৰ বাবে উক্ত সংস্থ কেইটালৈ আমাৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো। এই বছৰলৈকে আমাৰ মাত্ৰ তিনিটা ভ্ৰমণশীল বি, চি, জি দল আছিল। চলিত বছৰত আৰু পাঁচটা দলৰ দিহা কৰা হৈছে। লোক সাধাৰণক বি, ছি, জি টীকা দিয়া অভিযান এতিয়া চলিব লাগিছে আৰু তাৰ পৰা আশানুৰূপ ভাবে ফল পোৱা গৈছে। এই অভিযানৰ বাবে 'ইউনিচেফ' সঙ্ঘই ২ খন বাহন আৰু অন্যান্য আৱশ্যকীয় বস্তু আদিৰ যোগান ধৰিছে। পাহাৰ আৰু ভৈয়াম উভয়তে কেইখনমাণ লোক স্বাস্থ্য আঁচনি অহা বছৰত লবলৈ মনস্থ কৰা হৈছে। বাজেট স্মাৰক-পত্ৰৰ পৰিশিষ্টত তাৰ বিৱৰণ আছে।

## ৰেচম আৰু ৰোৱণ

বোৱণ প্ৰদৰ্শক সকলৰ দ্বাৰা বোৱণ সম্পৰ্কীয় প্ৰদৰ্শণ দেখুৱা কাম চলি থাকে। বোৱণ সম্পৰ্কীয় শিক্ষা দিবৰ নিমিত্তে খোলা ৯টা প্ৰশিক্ষণ কেন্দ্ৰৰ কাম চলি আছে। কেন্দ্ৰীয় তাত শিল্প আঁচনিৰ কাম যেনে ৰং দিয়া ঘৰ নিৰ্ম্মাণ, কিনা বেচাৰ বিষয়ে গৱেষণা কৰা, নমুনা দিয়া আৰু তুৰাত খোলা বোৱণ প্ৰশিক্ষণ শ্ৰেণীৰ কাম সন্তোষজনক হিচাবে চলি আছে। চলিত বছৰত কেন্দ্ৰীয় তাত মণ্ডলী আৰু ৬ খন আঁচনি মঞ্জুৰ কৰিছে, এইবোৰ হৈছে:—

(১) কাপোৰ বোৱা লোক সকলৰ সমবায় সমিতিৰ পুনৰ্গঠন।

(২) সুতাৰ দামত সাহায্য।

(৩) কিনা বেচা।

(৪) তাঁতত তৈয়াৰী কাপোৰ বেচাত সাহায্য।

## প্ৰচাৰ

যোৱা বছৰত লোৱা নতুন আঁচনিৰ ভিতৰত অসমত দুটা খাদ্দি কেন্দ্ৰ স্থাপন কৰিবৰ নিমিত্তে ৮৬,০০০৲ টকাৰ ব্যৱস্থা ৰখা হৈছিল। শেষত এই উদ্দেশ্যত প্ৰতিষ্ঠা কৰা খাদ্দি মণ্ডলীৰ ওপৰত এই কামৰ ভাৰ দিয়া হয়। তেতিয়াৰ পৰা এই মণ্ডলী গঠন কৰা হয় আৰু বিধান সভাৰ যোৱা চেপ্তেম্বৰ অধিবেষণত সম্মতি লোৱা হয়। এই মণ্ডলীয়ে গুৱাহাটীত এটা খাদ্দি ভাণ্ডাৰ আৰু শিৱসাগৰ আৰু কামৰূপ জিলাত দুটা খাদ্দি আৰু এড়ি উৎপাদন কেন্দ্ৰ খোলে।

ৰেচম প্ৰশিক্ষণ আৰু প্ৰদৰ্শনৰ ক্ষেত্ৰত কৰা কাম কাজ আগৰ দৰেই চলি থাকে। সমবায়ৰ ভেটিত পাহাৰ অঞ্চলত ৰেচম সম্পৰ্কীয় কাম কাজ সৰবৰহী কৰি তুলিবৰ নিমিত্তে জোৱাই আৰু তুৰাত দুটা বোৱা কটা সমিতি খোলা হয় আৰু অহা বছৰত আইজাল আৰু মাইৰঙত আন দুখন সমিতি খুলিবলৈ মনস্থ কৰা হৈছে। পাচটা কেন্দ্ৰত পাঁচখন বোৱা কটা সমিতিৰ সৈতে গোৱালপাৰা আৰু উত্তৰ কামৰূপত দুটা এড়ি বীজ ৰখা কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হয়। চলিত বছৰত যোংগোৰ, মৰিগাওঁ, জাপিচোজিয়া, ঢেকীয়াজুলি আৰু বনগাওঁত পাচোটা মনোনিবেশ কেন্দ্ৰ প্ৰতিষ্ঠা কৰা হয়।

গৱেষণা কেন্দ্ৰ এটা স্থাপন কৰিবৰ নিমিত্তে কেন্দ্ৰীয় ৰেচম মণ্ডলীয়ে ৭৫,০০০৲ টকা ব্যয় কৰিবলৈ সন্মত হৈছে। ই এই কেন্দ্ৰৰ বাবে খৰছ কৰিব লগা মুঠ ধনৰ আধা। চলিত বছৰত আৰু তিনিখন আঁচনিক বিত্তিয় সাহায্য দিবৰ নিমিত্তে কেন্দ্ৰীয় ৰেচম মণ্ডলী সন্মত হৈছে।

এই আঁচনিবোৰ হৈছে :—

(১) পৰিসংখ্যান সমষ্টি এটা স্থাপন।

(২) সুতা কটা সমষ্টি এটা স্থাপন।

(৩) খানাপাৰাত (গুৱাহাটী) মুগা পাম এখন স্থাপন।

বৰ্তমান অৱস্থিত ৰেচম পাম সমূহৰ উন্নতি বিধানাৰ্থে পাঁচ বছৰীয়া পৰিকল্পনা চলিত বছৰত মঞ্জুৰ কৰা হৈছে।

উচচ শিক্ষাৰ্থে জাপানলৈ পঠোৱা বিভাগীয় পদাধিকাৰীসকল এতিয়া উভতি আহিছে। কেন্দ্ৰীয় ৰেচম মণ্ডলীয়ে জাপানৰ পৰা অনা ২০,০০০ টা উন্নত ধৰণৰ নুনী গছৰ কলমৰ ভিতৰত আমাৰ ৰাজ্যলৈ ৪,০০০ টা কলম পঠাইছে আৰু তাক বিভিন্ন পাগত লগোৱা হৈছে।

## সমবায়

পৰিকল্পনা আয়োগৰ প্ৰতিবেদন মতে ঋণৰ পুৰ্নসংস্থাপনৰ কাৰণে লোৱা আঁচনি চলিত বছৰত আৰম্ভ কৰা হৈছে। এই আঁচনিৰ অধীনত অসম সমবায় বেঙ্কে বছৰি শতকৰা ১॥০ অনা সুতত ভাৰত ৰিজাৰ্ভ বেঙ্কৰ পৰা ২০ লাখ টকাৰ কৃষি ঋণ লয়। গ্ৰাম্য সমবায় ঋণ সমিতি সমূহক বিত্তিয় সাহায্য দিবৰ নিমিত্তে মনোনীত কেন্দ্ৰীয় বেঙ্কলৈ এপেক্স বেঙ্কৰ জৰিয়তে এই টকা দিয়া হব। যিবোৰ কেন্দ্ৰীয় বেঙ্কৰ এই দায়িত্ব বহণ কৰিবৰ নিমিত্তে বিত্তিয় অৱস্থা চচ্ছল নহয় তেনে ক্ষেত্ৰত এপেক্স বেঙ্কৰ শাখাৰ যোগেদি এই ঋণ দিয়াৰ ব্যৱস্থা কৰা হব। এই আঁচনি মতে কাম আৰম্ভ কৰা হৈছে।

তাঁত শিল্পৰ উন্নয়নৰ কাৰণে আমাৰ ৰাজ্যলৈ নিখিল ভাৰত তাঁত শিল্প মণ্ডলীয়ে কলত তৈয়াৰী কাপোৰৰ ওপৰত লগোৱা শুল্কৰ পৰা পোৱা ধনৰ পৰা বহুত টকা দিছে। এই আঁচনিৰ অধীনত ২০০ নতুন সমবায় বোৱণ সমিতি গঠন কৰিবলৈ আৰু বৰ্ত্তমান অৱস্থিত ১২৬ খন বোৱণ সমবায়ৰ পুনৰ্গঠন কৰিবলৈ স্থিৰ কৰা হৈছে। এই আঁচনিৰ অধীনত কাপোৰ বোৱা লোক-সকললৈ মাহে এশ গাথ মাদুৰা কলৰ সুতা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ অধীনত সংগ্ৰহ কৰা সুতা কম দৰত দিয়াৰ দিহা কৰা হৈছে। তাঁতত উৎপাদন কৰা বস্তুৰ বেচা-কিনাৰ সুবিধাৰ নিমিত্তে ৰাজ্যৰ বিভিন্ন অঞ্চলত ১৬ খন চৰকাৰী দোকান (এমপৰিয়া) নকৈ খুলিবলৈ স্থিৰ কৰা হৈছে আৰু এই দোকান ঘৰ নিৰ্ম্মাণ কৰাৰ খৰচ নিখিল ভাৰত তাঁত শিল্প মণ্ডলীয়ে সমুদায় বহন কৰিবলৈ সন্মত হৈছে। তাঁতত বোৱা কাপোৰ সৰবৰহী কৰিবলৈ আৰু কলত তৈয়াৰী কাপোৰৰ লগত ফেৰ মাৰিবৰ কাৰণে কিনোতা সকলক টকাই প্ৰতি ৩৯ পাইৰ পৰা ⁄৬ পাইলৈ ৰেহাই দিয়া হৈছে।

সমবায় আন্দোলন পুনৰ্গঠন আৰু কৃতকাৰ্য্য কৰি তুলিবৰ অৰ্থে প্ৰশিক্ষিত লোকৰ আৱশ্যক আৰু সেই উদ্দেশ্যত প্ৰশিক্ষণ লবৰ নিমিত্তে ৬ জন পদাধিকাৰী পুনাৰ সমবায় প্ৰশিক্ষণ কলেজলৈ পঠোৱা হৈছে।

উদ্যোগীক সমবায় সমূহলৈ ঋণ দিয়াৰ উদ্দেশ্যে অহা বছৰৰ বাজেটত ২ লাখ টকা ধৰা হৈছে।

## গাওঁ উন্নয়ন

বৰ্ত্তমান অৱস্থিত গাওঁ পঞ্চায়তৰ সংখ্যা ৯৩ লৈ বৃদ্ধি কৰা হৈছে আৰু অহা বছৰত আৰু ৫ খন পঞ্চায়ত মঞ্জুৰ কৰা হব। তেতিয়া পাঁচ বছৰীয়া পৰিকল্পনাত লোৱা লক্ষ্য মতে ইয়াৰ সংখ্যা ৯৮ হব। গাওঁ পঞ্চায়ত প্ৰতিষ্ঠাৰ বাবে পাঁচ বছৰীয়া পৰিকল্পনাত ৪০,০০,০০০৲ টকা ধৰা হৈছে। অহা বছৰত নতুন পঞ্চায়ত আৰু লোৱা নহব।

গাওঁ পঞ্চায়ত সমূহৰ পৰা লাভ কৰা অভিজ্ঞতা এতিয়া অধ্যয়ন কৰাৰ সময় হৈছে। সেই উদ্দেশ্যত এই বছৰত গাওঁ পঞ্চায়ত তদন্ত সমিতি এখন গঠন কৰা হৈছে। তদন্তৰ পিচত এই সমিতিয়ে দাখিল কৰা প্ৰতিবেদন এতিয়া চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## পানী যোগান

মাননীয় সদস্যসকল শুনি সুখী হব যে ৰাজ্যৰ নগৰ আৰু গাওঁ উভয় অঞ্চলতে ভাল খোৱা পানীৰ অভাৱৰ কাৰণে যি সমস্যাৰ সৃষ্টি হৈছে আৰু সেই সমস্যা সমাধানৰ বাবে চৰকাৰে বিশেষ লক্ষ্য ৰাখিছে। স্থানীয় নিকায় আৰু নগৰ পালিকা সমূহলৈ ভাল পানী যোগানৰ সুব্যৱস্থা কৰিবৰ নিমিত্তে উদাৰচিত্তে অনুদান দিয়া হৈছে। এই লক্ষ্যত আৰু অধিকতৰ ভাবে মনোনিবেশ কৰাৰ আৱশ্যক হৈছে আৰু বৰ্ত্তমান ই চৰকাৰৰ বিবেচনাধীনস্থ হৈ আছে। অনতিপলমে এই সম্পৰ্কত এখন আঁচনি লোৱা হব।

## পশু চিকিৎসা

অসমৰ নিচিনা এখন কৃষি প্ৰধান দেশত গৰু, ম'হ আদি পোহা এটা ঘাই কথা। কিন্তু গৰু ম'হৰ উন্নয়নৰ অৰ্থে লোৱা আঁচনিৰ কাৰণে প্ৰথমতে কেতবোৰ প্ৰশিক্ষণ প্ৰাপ্ত কৰ্ম্মীৰ আৱশ্যক। পশু চিকিৎসা কলেজে এই সমস্যা সমাধানত কিছু আগ বাঢ়িছে। এই কলেজৰ পৰা বৰ্ত্তমান ৪৮ জন অৰ্হতা সম্পন্ন লোক পোৱা হৈছে।

চলিত বছৰত স্থাপন কৰা ১৫ খন পশু চিকিৎসালয়ৰ সৈতে ইয়াৰ মুঠ সংখ্যা ৬২ খন হৈছে। অহা বছৰ এনে চিকিৎসালয় আৰু ১২ খন আৰম্ভ কৰিবলৈ দিহা কৰা হৈছে।

উন্নত ধৰণৰ গৰু গাই পাবৰ নিমিত্তে কৃত্রিম উপায়ে গো প্ৰজনন উপায় অৱলম্বন কৰা হৈছে আৰু এই উদ্দেশ্যত পাঁচ জন পদাধিকাৰীক প্ৰশিক্ষণ দিয়া হয়।

এই বিভাগ আৰু কলেজৰ শিক্ষাৰ উন্নতি কৰিবৰ নিমিত্তে এই পশু বিভাগৰ চাৰিজন পদাধিকাৰীক উচ্চ প্ৰশিক্ষনাৰ্থে দুজনক বৃটেইনলৈ আৰু দুজনক মুক্তেশ্বৰলৈ পঠোৱা হয়।

২৭৫ অনুচ্ছেদৰ আঁচনিৰ অধীনত হাফলং, জোৱাই আৰু গাৰো পাহাৰৰ ফুলবাৰীত পশু চিকিৎসালয় আৰু প্ৰজনন কেন্দ্ৰ স্থাপন কৰা হয়। ভৈয়ামৰ জনজাতীয় অঞ্চলত পাচটা আহি গাওঁ কেন্দ্ৰ স্থাপন কৰা হয়।

## শ্ৰম

১৯৫১ আৰু ১৯৫২ চনত চাহৰ দাম পৰি যোৱাত এটা জটিল পৰিস্থিতিৰ সৃষ্টি হয়। ৰাজ্যৰ অৰ্থনীতি আৰু বিত্ত পৰিস্থিতিত আঘাট পৰাৰ বাহিৰে ৮৩ খন চাহ বাগিচা বন্ধ হোৱাৰ বাবে ৪৮,০০০ বনুৱা কৰ্ম্মহীন হৈ পৰে। এই বাগিচাসমূহ একেবাৰেই লোপ পাই যোৱাৰ পৰা ৰক্ষা কৰিবৰ নিমিত্তে চৰকাৰে ব্যৱস্থা লয় আৰু শিলচৰ আৰু অসম উপত্যকাৰ কেইখনমান বাগিছাত নিম্নতম বেতন নিৰ্দ্ধাৰণ কৰে। এই ব্যৱস্থা লোৱা হেতুকে ৭৩ খন বাগিচা পুনৰ থন ধৰি উঠে আৰু প্ৰায় ৩৮,০০০ বনুৱা পুনৰাই কামত নিয়োগ হয়। চৰকাৰৰ অন্যান্য কাৰ্য্য-ক্ষেত্ৰতো বহু সংখ্যক লোক নিযুক্ত হয়।

অতিৰিক্ত শ্ৰমিক থকা ঠাইত আৰু য'ত শ্ৰমিকৰ সংখ্যা কম তেনেবোৰ ঠাইৰ সমতা ৰক্ষা কৰিবৰ নিমিত্তে বাহিৰৰ পৰা শ্ৰমিক ভৰ্ত্তি নকৰিবৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। বিভিন্ন জিলা শ্ৰম সঙ্ঘ আৰু নিয়োগ বিনিময় কেন্দ্ৰ সমূহে এই কাৰ্য্যত সম্পূৰ্ণ ভাবে সহযোগ কৰে।

১৯৫৩ চনৰ পৰা চাহ বাগিছা সমূহৰ অৱস্থা পুনৰ টনকিয়াল হৈ উঠে। তেতিয়া চৰকাৰে শ্ৰমিক সকলৰ মঙ্গলৰ বাবে যত্ন লয়। ৰোপনৰ দুখন স্থায়ী শ্ৰম সমিতি আহ্বান কৰা হয়।

কাছাৰত দৰমহা পুনৰিক্ষণ কৰিবৰ নিমিত্তে নিম্নতম দৰমহা অধিনিয়মৰ অধীনত গঠিত হোৱা উপদেষ্টা সমিতিৰ সুপাৰিশ মতে কাছাৰৰ বনুৱাই হেকৰাব লগা হোৱা দৰমহাৰ অংশ পুনৰ ঘূৰাই পায়। কাছাৰৰ বাকী অংশ আৰু অসম উপত্যকাৰ শোচনীয় অৱস্থাৰ চাহ-বাগিছা সমূহৰ বিষয়ে পুনৰ্বিলোকন কৰিবৰ নিমিত্তে চৰকাৰে এখন উপদেষ্টা সমিতি গঠন কৰে।

দেশৰ মঙ্গল কামনা কৰা সকলো লোকৰ মতেই দেশত যিমান বেচি সংখ্যক 'ট্ৰেড ইউনিয়ন' গঠিত হয় সিমানেই মঙ্গলকৰ কাম হব বুলি ভাবে। ১৯৫২ চনলৈকে অসমত ৯৮ খন 'ট্ৰেড ইউনিয়ন' আছিল আৰু ইয়াৰ সদস্যৰ সংখ্যা আছিল ১১,০০০। বৰ্ত্তমান ২ লাখ সদস্যৰে সৈতে ১১০ খন এনে ধৰণৰ 'ইউনিয়ন' আছে। স্থানীয় সমস্যা সমাধানৰ অৰ্থে বৰ্ত্তমান ১৭২ খন স্থানীয় কৰ্ম্ম সমিতিয়ে কাম কৰি আছে।

এই পুনৰ্বিলোকন বছৰৰ ভিতৰত ২টা মঙ্গলবিধায়ক প্ৰশিক্ষণ সংস্থাৰ সৈতে শ্ৰমিকৰ মঙ্গল-বিধানৰ হকে ১১ টা মঙ্গলবিধায়ক কেন্দ্ৰ খোলা হয়। আৰু চাৰিটা কেন্দ্ৰ নিৰ্ম্মানৰ কাম বৰ্ত্তমান চলি আছে। কেন্দ্ৰীয় চাহ মণ্ডলীৰ অৰ্থ সাহায্যত মহিলা শ্ৰমিকৰ বাবে আধুনিক ধৰণৰ মঙ্গলবিধায়ক প্ৰশিক্ষণ সংস্থা এটা স্থাপন কৰা সম্পৰ্কীয় প্ৰশ্ন এতিয়া চৰকাৰৰ বিবেচনাধীন হৈ আছে।

চলিত বছৰত কাছাৰ জিলাত খেতি বাতি কৰা শ্ৰমিকসকলৰ বাবেও নিম্নতম মজুৰী নিৰ্দ্ধাৰণ কৰা হয়। অন্যান্য অঞ্চলত এই অধিনিয়ম সম্প্ৰসাৰণ কৰাৰ পূৰ্ব্বে পোৱা অভিজ্ঞতাৰ পৰা চৰকাৰ উপকৃত হব।

## ৰাস্তা পৰিবহন

ডিব্ৰুগড়-ছৈখোৱা ৰাস্তা ১৯৫৩ চনৰ ১লা অক্টোবৰৰ পৰা ৰাষ্ট্ৰীয়কৰণ কৰা হয় আৰু ধুবুৰী-যোগীঘোপা ৰাস্তা চলিত বছৰত ৰাষ্ট্ৰীয়কৰণ হব বুলি আশা কৰা যায়। এই কাম সম্পূৰ্ণ হলে পাঁচ বছৰীয়া পৰিকল্পনাত লোৱা ৰাষ্ট্ৰীয়কৰণ কাৰ্য্য শেষ হব। আৰু অধিক ৰাস্তা ৰাষ্ট্ৰীয়কৰণ কৰা সম্পৰ্কে বৰ্ত্তমান অৱস্থাত চৰকাৰৰ হাতত তেনে কোনো পৰিকল্পনা নাই। মাননীয় সদস্য সকলে ভালদৰে জানে যে নিবণুৱা সমস্যাৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা ভাৰত চৰকাৰে অধিক পৰিমাণে ৰাষ্ট্ৰীয়কৰণ কৰা কামনা নকৰে। ৰাস্তা পৰিবহন বিষয়ত নানা কাৰণ বশতঃ ৰাজহৰ বহুত ক্ষতি হয়। এই সমস্যা সমাধানাৰ্থে ‘এনফোৰ্চমেণ্ট ব্ৰাঞ্চ’ এটা অহা বছৰৰ পৰা খুলিবলৈ মনস্থ কৰা হৈছে আৰু সেই উদ্দেশ্যত নতুন আঁচনিৰ জৰিয়তে বাজেটত লাগতীয়াল ব্যৱস্থাৰ দিহা কৰা হৈছে।

## যোগান

মোৰ বক্তৃতাৰ আৰম্ভনীতে চলিত বছৰত উৎপাদনৰ বিপৰ্য্যয় ঘটোৱা তেনে কোনো ডাঙৰ ঘটনা ঘটা নাই বুলি মই উল্লেখ কৰিছো। গতিকে ৰাজ্যৰ খাদ্য-পৰিস্থিতি সন্তোষজনক হোৱা স্বাভাৱিক। ১৯৫২-৫৩ চনৰ ভিতৰত ১৪৬,০০০ টন চাউল সংগ্ৰহ কৰা হয়। পশ্চিম বঙ্গ দেশৰ অভাৱ পূৰাবৰ বাবে ভাৰত চৰকাৰলৈ আমাৰ ৰাজ্যই দিয়া ১০,০০০ টন চাউলৰ ঋণৰ পৰাই পৰিস্কাৰ হিচাবে ওলাই পৰে যে আমাৰ খাদ্যাৱস্থাৰ উন্নতি হৈছে। আনহাতে ২০,০০০ টন চাউল আৰু ধান মণিপুৰলৈও পঠোৱা হৈছে আৰু যোৱা বছৰত ৩২,০০০ মোণ ধান, চাউল জমা কৰি ৰাখিবলৈ আমি সমৰ্থ হও। খাদ্যাৱস্থাৰ এনে সন্তোষজনক অৱস্থাৰ কাৰণে আমাৰ খাদ্যাৱস্থাত অহা বছৰতো কোনো আশঙ্কা নাই বুলি আমি কব পৰো।

১৯৫৩ চনৰ ঘেহু আৰু ঘেহু উৎপাদনৰ এক বিৰাট পৰিবৰ্ত্তন ঘটে। যোৱা জুলাই মাহৰ শেষত আটা মুকলি বজাৰত বিক্ৰি কৰিবৰ নিমিত্তে ব্যৱসায়ীসকলক অনুমতি দিয়া হয়। ব্যৱসায়ীসকলৰ সুবিধাৰ নিমিত্তে আৰু আটা সৰবৰহী কৰিবৰ নিমিত্তে ভাৰত চৰকাৰে বিভিন্ন ৰাজ্যত কেইটামান ‘ডিপোট’ খোলে যাতে তাৰ পৰা কলিকতাৰ দামত আটা বিক্ৰি কৰিব পাৰে। আমাৰ ৰাজ্যত কেন্দ্ৰীয় ঘেহু ডিপোট এটা খোলাৰ মন কৰে আৰু সেই বিষয়ে কেন্দ্ৰৰ মন আকৰ্ষণ কৰা হয়।

লো আৰু টীখা ধাতুৰ পৰিস্থিতি আশানুৰূপ হোৱা নাই। ১৯৫৩ চনত ৩৩,৩৫০ টন কৃষি বিষয়ক কামত আৰু ১৫,৪৫০ টন অনা-কৃষি বিষয়ক কামত ব্যৱহাৰৰ কাৰণে নিৰ্দ্ধাৰণ কৰা হয়। ৰাজ্য চৰকাৰে ওপৰঞ্চি ভাবে এটা ‘কোটা’ লাভ কৰিবৰ নিমিত্তে কৰি অহা যত্নৰ ফলত ৩,৪০০ টন ওপৰঞ্চি হিচাবে লাভ কৰে। ইয়াৰ বাহিৰেও তদৰ্থ হিচাবে জিলা পৰিষদৰ চাহিদা পূৰাবৰ নিমিত্তে ১৯৬ টন টিনপাত, ১৯৫৩ চনৰ আগষ্টৰ ধুমুহাত ধ্বংশ হোৱা ঘৰ-দুৱাৰ আৰু ৰাজহুৱা অনুষ্ঠান আদিৰ বাবে ৪০০ বান্ধ আৰু ধান সংগ্ৰহকৰণ আঁচনিৰ বাবদ ২,০০০ টন টিন আমি পাওঁ।

১৯৫৩ চনত ২২ হেজাৰ টন বিলাতি মাটি পোৱা হয় আৰু ১৯৫৪ চনৰ প্ৰথম অৱস্থাতে ৯,০০০ টন পোৱা হৈছে। নানান কাৰণবশতঃ যোগান পৰিস্থিতি সন্তোষজনক নোহোৱা বাবে চৰকাৰে প্ৰায়ে চিন্তা কৰিব লগা হয়। এই অৱস্থাৰ উন্নতি কৰিবৰ নিমিত্তে বিবেচনা কৰা হৈছে।

## বন

পাকিস্তানলৈ নিৰ্য্যাত কৰা আহুকাল এতিয়াও আঁতৰা নাই। ভাৰতৰ অন্যান্য অংশলৈ কাঠ পঠোৱাৰ নিমিত্তে প্ৰয়োজন মতে ডবাৰ যোগানো ধৰিব পৰা নাই। এইবোৰ কাৰণ বশতঃ বনৰ পৰা আশানুৰূপ ভাবে আয় কৰিব পৰা হোৱা নাই। বন উন্নয়নৰ পাঁচ বছৰীয়া পৰিকল্পনা চলিত বছৰত মঞ্জুৰ কৰা হৈছে। ইয়াৰ ভিতৰত পৰিছে অগৰ তেলৰ খেতি কৰা, ঔষধী গছৰ খেতি কৰা, কুইনাইন কাৰখানা আৰম্ভ কৰা আৰু গছৰ ডাল লগোৱা

আদি কাম। ১৯৫৩ চনৰ জানুৱাৰীৰ পৰা উৎপাদনমূলক কাম আৰম্ভ কৰা শ্বিলঙৰ ধূনা কাৰখানাৰ পৰা ভাল ফল পোৱা গৈছে। অসমৰ পাহাৰ জিলাসমূহত জলকীয়া আৰু কেছু নাটৰ খেতি কৰিবৰ নিমিত্তে বিভাগে পৰীক্ষামূলক ভাবে কাম আৰম্ভ কৰিছে। বিৰি তৈয়াৰ কামত ব্যৱহাৰ কৰা মহুৱা গছৰ পাতৰ নিমিত্তে তাৰ খেতি অসমত কৰিবলৈ পৰীক্ষামূলক ভাবে কাম আৰম্ভ কৰা হৈছে। কাজিৰঙ্গাত বনৰীয়া জীৱ-জন্তুৰ আশ্ৰয়-স্থলত ভ্ৰমণকাৰীসকলৰ কাৰণে সুবিধা ৰাখিবলৈ বিভাগে এখন আঁচনি লৈছে। উত্তৰ কাম-ৰূপৰ বনৰীয়া জীৱ-জন্তুৰ আশ্ৰয়স্থলৰ উন্নতি কৰিবৰ নিমিত্তেও দিহা কৰা হৈছে। ভ্ৰমণ-কাৰী ব্যৱসায়ীসকলৰ উন্নয়নৰ বাবে অসমে এটা উপকৰা ৰাজহ লাভ কৰিব। ডাক বঙলাৰ উন্নয়নৰ কাৰণেও এখন আঁচনি গ্ৰহণ কৰা হৈছে আৰু সেই একে উদ্দেশ্যত ঐতিহাসিক আৰু চৰ্চ্চামূলক স্থানসমূহৰ উন্নয়নৰ বাবেও ব্যৱস্থা কৰা হৈছে।

## জেল

জেল সম্পৰ্কীয় বিভিন্ন বিষয়ত প্ৰশিক্ষণ লবৰ নিমিত্তে কেইজনমান পদাধিকাৰীক ৰাজ্যৰ বাহিৰৰ বিভিন্ন অনুষ্ঠানলৈ পঠোৱা হৈছে। এই বছৰত লক্ষ্ণৌৰ জেল প্ৰশিক্ষণ, স্কুল প্ৰশিক্ষণ লাভ কৰিবৰ নিমিত্তে ২ জন সহকাৰী জেইলৰক পঠোৱা হয়। নিখিল ভাৰত অপৰাধ প্ৰতিষেধ সমিতিৰ দ্বাৰা উত্তৰ প্ৰদেশত অনুষ্ঠিত হোৱা অনুষ্ঠানত যোগ দি জেল সম্পৰ্কীয় নানা বিষয়ক শিক্ষা লাভ কৰিবৰ অৰ্থে এজন জেইলৰ আৰু এজন সহকাৰী জেইলৰক পঠোৱা হয়।

চলিত বছৰত গুৱাহাটী জেলত চিলাই কৰা শাখা এটা খোলা হৈছে। এই বছৰত কমাৰৰ কাম, বাহৰ কাম আৰু বেতৰ কাম আদিৰো উন্নতি কৰা হৈছে। যোৰহাট জেলত বাণিজ্য বিষয়ক কাৰ্য্যৰ উন্নতি কৰিবৰ উদ্দেশ্যে অহা বছৰৰ বাজেটত ব্যৱস্থা ৰখা হৈছে। গোৱাল-পাৰাৰ নতুন জেইলৰ কাম প্ৰায় শেষ হৈছে। অন্যান্য জেলৰ ঘৰৰ কামৰ উন্নতি কৰাৰ লগে লগে বৰপেটাত এখন নতুন জেল সজাৰ দিহা কৰা হৈছে।

## ন্যায়পালিকা

কাৰ্য্যপালিকাৰ পৰা ন্যায়পালিকা পৃথক কৰিবৰ উদেশ্যে লোৱা প্ৰথম ব্যৱস্থাত চৰকাৰে ন্যায়পালিকাৰ উচচতৰ পৰ্য্যায়ৰ সেৱা এটাৰ সৃষ্টি কৰিছে। এই পৰ্য্যায়ৰ বিধি গঠনৰ নিমিত্তে পৰীক্ষা চলোৱা হৈছে আৰু ইয়াৰ কাম অতি সোনকালে শেষ হব। নিম্নতম ন্যায়পালিকাৰ পৰ্য্যায়ত একে পৃথককৰণ নীতি অৱলম্বন নকৰা বাবে কোনো কোনোৱে চৰকাৰক সমালোচনা কৰিছে। কিন্তু মুঠেই সহজ কাম নহয়। ৰাজ্যৰ কোনো কোনো উপ-বিভাগত ব্যৱহাৰিক ন্যায়পালিকাৰ কাৰ্য্যই পূৰ্ণ সময়ৰ মুনছিফৰ সৈতে সমান স্থান লাভ কৰিব নোৱাৰে। কোনো কোনো ক্ষেত্ৰত তাৰ বিপৰীত হোৱা দেখা যায়। আকৌ কম গুৰুত্বৰ কেতবোৰ কাৰ্য্যনিৰ্ব্বাহক কাম আছে যাৰ নিমিত্তে পূৰ্ণ সময়ৰ কাৰ্য্যনিৰ্ব্বাহক পদাধিকাৰী আৱশ্যক নহয়। এনেবোৰ ক্ষেত্ৰত ন্যায়পালিকা পদাধিকাৰীয়ে অকনমান সময় খৰচ কৰি সেই কাম সম্পন্ন কৰিব পাৰে। নিম্নপৰ্য্যায়ত কাৰ্য্যপালিকাৰ পৰা ন্যায়পালিকা পৃথক কৰণত এনেবোৰ সমস্যাই দেখা দিয়ে। এই বিষয়ে চৰকাৰে এতিয়া বিবেচনা কৰিব লাগিছে আৰু সম্ভৱপৰ ভাবে সেই বিষয়ে ব্যৱস্থা গ্ৰহণ কৰিব।

চলিত বছৰত উচ্চ ন্যায়ালয়ৰ সুকীয়া ঘৰ-নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰা হৈছে। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে ইয়াৰ ভেটি স্থাপন কৰিলে।

## আবকাৰী

আবকাৰী বিভাগৰ কানি নিবাৰণ সম্পৰ্কীয় কাম সন্তোষজনক ভাৱে আগ বাঢ়িছে। বিভাগৰ চোকা দৃষ্টিৰ গুণত চোৰাং কানি বেপাৰ কমি আহিছে। চিকিৎসা কেন্দ্ৰসমূহৰ ফল পোৱা গৈছে আৰু বেআইনী ভাবে মদ তৈয়াৰ কৰা ধৰা পেলোৱা কামো ভালদৰে আগবাঢ়িছে।

এই বিভাগত অলপতে কিছুমান অতিৰিক্ত উপ-অধীক্ষকৰ নিযুক্ত আৰু বহুতো অস্থায়ী কৰ্ম্মচাৰীক চাকৰীত স্থায়ী কৰাৰ ফলত বিভাগৰ কাৰ্য্যক্ষমতা বহুগুণে বাঢ়িছে। ইয়াৰ ফলত চোৰাং কাৰবাৰ ধৰা পেলোৱাত বিশেষ সহায়ক হব বুলি ভবা হৈছে। অসমৰ ⅔ অংশ ঠাই পাহাৰে আগুৰি আছে আৰু বিভিন্ন গোষ্টিৰ লোকৰ বাসস্থান এই পাৰ্ব্বত্য অঞ্চলসমূহত সঞ্চাৰ সাধনৰ কোনো ব্যৱস্থা নাই। সেই কাৰণে সম্পূৰ্ণ প্ৰতিষেধ ব্যৱস্থা হাতত লোৱাৰ আগতে বিশেষ সাৱধান হব লাগিব।

## আইন আৰু শৃঙ্খলা

যদিও ডকাইতী আৰু তেনেকুৱা অন্যান্য অপৰাধ সঘনে সংগঠিত হোৱা বুলি বাতৰি কাকতত পোৱা যায় তথাপি এই বছৰৰ ভিতৰত আইন আৰু শৃঙ্খলা পৰিস্থিতি অসন্তোষজনক বুলি কব নোৱাৰি। সীমান্ত নিৰাপত্তা বাহিনীৰ সংখ্যাবৃদ্ধি আৰু সীমান্ত অঞ্চলত পহৰা দিবলৈ ব্যৱস্থা লোৱাৰ ফলত আক্ৰমণৰ সংখ্যা ভালেখিনি হ্ৰাস পায় আৰু সীমান্ত অঞ্চলৰ লোকসকলে বহুতো সকাহ পায়।

ইতিমধ্যে কাৰ্য্যকৰী বুলি প্ৰমাণ হোৱাত গাওঁৰক্ষী বাহিনীটো নতুনকৈ সংগঠন কৰা হয় আৰু ডেপুটী ইন্সপেক্টৰ জেনেৰেলৰ অধীনত ইয়াক ৰখা হয়। প্ৰত্যেক জিলাতে পুলিচ চুপাৰিণ্টেণ্ডেণ্টক সংশ্লিষ্ট জিলাৰ পৰিদৰ্শনকাৰী পদাধিকাৰী হিচাবে মকৰল কৰা হয়। গোটেই ৰাজ্যৰ কাৰণে এজন বেচৰকাৰী উপদেষ্টাও নিয়োগ কৰা হয়।

মই ইতিমধ্যে চলিত বছৰত প্ৰশাসন ব্যৱস্থাৰ বিভিন্ন শাখাৰ চৰকাৰী কাৰ্য্যকলাপৰ কথা উল্লেখ কৰি যথেষ্ট সময় লৈছো আৰু তাৰ বাবে ক্ষমা বিচাৰিছো। এতিয়া বাজেটৰ বিবৰণ ডাঙি ধৰিম। ১৯৫২-৫৩ চনৰ প্ৰকৃত বাজেটৰ হিচাব তলত ডাঙি ধৰা হল।

## ১৯৫২-৫৩ চনৰ প্ৰকৃত বাজেট

১৯৫২-৫৩ চনৰ সংশোধিত বিবৰণত প্ৰাপ্ত ৰাজহ ১২,৭২,২৬,০০০৲ টকা আৰু ৰাজহ ব্যয়ৰ পৰিমাণ ১২,৬৮,৩৬,০০০৲ আৰু ৰাহি হয় ৩,৯০,০০০৲ টকা। প্ৰকৃত পোৱা ৰাজহ ১৪,২৭,৬২,০০০৲ আৰু ৰাজহ ব্যয় হয় ১২,৫৮,০১,০০০৲ টকা আৰু ৰাহি হয় ১,৬৯,৬১,০০০৲ টকা। গতিকে এইটো দেখা যায় যে ব্যয় হোৱা ৰাজহ ১০,৩৫,০০০৲ টকা কম হলে প্ৰাপ্ত ৰাজহ ১,৫৫,৩৬,০০০৲ টকা বেচি হব। গতিকে অতিৰিক্ত ৰাজহ খৰচৰ ফলত দেখুৱাৰ কাৰণে নহয়। আমাৰ খৰচৰ হিচাবত কোনো ভুল নাই। পোৱা ৰাজহ বৃদ্ধি হোৱাৰ বাবেই ৰাজহ অতিৰিক্ত হৈছে। নিম্নলিখিত ফলসমূহৰ পৰা বৰ্দ্ধিত পৰিমাণৰ ৰাজহ পোৱা যায় আৰু পূৰ্ব্বৰ বছৰৰ লগত তাৰ তুলনাও তলত দেখুৱা হল।

| | ১৯৫০-৫১ | ১৯৫১-৫২ | ১৯৫২-৫৩ (পুৰ্ণ সংশোধিত) | ১৯৫২-৫৩ (প্ৰকৃত) | বৃদ্ধি |
|---|---|---|---|---|---|
| (১) কৃষি বিষয়ক আয় কৰ | ৭৯,৪৪ | ৯১,৭০ | ৭১,৫৯ | ১,০৮,২০ | +৩৬,৬১ |
| (২) ভূমি ৰাজহ | ১,৮৯,৬৪ | ১,৮১,৪৭ | ১,৭২,৩২ | ২,০৩,৬১ | +৩১,২৯ |
| (৩) ৰাজ্যিক আবকাৰী | ৯২,৮৯ | ১,২০,৮৯ | ১,০২,৫৫ | ১,২০,৪৯ | +৮,০৬ |
| (৪) ষ্টাম্প ... | ২৪,১৪ | ২৮,৭৪ | ২৬,৯২ | ৩০,৩৯ | +৩,৪৭ |
| (৫) বন ... | ৫৬,৭৭ | ৬৫,৭৫ | ৫১,৪৩ | ৫৮,৩৩ | +৬,৯০ |
| (৬) অন্যান্য কৰ | ৮৭,৮৭ | ১,১৬,০৩ | ১,১৬,৬৯ | ১,২২,৮৭ | +৬,১৮ |
| (৭) ব্যৱহাৰিক কাম | ২৩,৪৪ | ৪০,২৩ | ৬৪,০২ | ১,৪৭,৫৩ | +৮৩,৫০ |

১৯৫১-৫২ চনত ৰাজ্যিক আবকাৰীৰ অধীনত ৰাজহ বৃদ্ধিৰ পৰিমাণ অস্বাভাবিক বুলি ধৰা গতিকে পূৰ্ব্বৰ বছৰৰ ওপৰত ভিত্তি কৰি এই সংখ্যা ধৰা হৈছে। বনৰ ক্ষেত্ৰত বাণিজ্য সম্পৰ্কে সতৰ্কতা অৱলম্বন কৰা হৈছিল। ভূমিৰ ৰাজহৰ ক্ষেত্ৰত নতুন মাটিৰ বন্দৱস্তৰ ফলাফল সম্পূৰ্ণ ৰূপে আশা কৰিব পৰা নাই। অন্যান্য কৰৰ ক্ষেত্ৰত অতিৰিক্ত কৰ্ম্মচাৰী নিয়োগৰ ফলত কৰ সংগ্ৰহৰ মাত্ৰা বৃদ্ধি পায়। বাকী সংগ্ৰহ আৰু ১৯৪৯-৫১ চনত চাহপাতৰ ভাল মূল্য পোৱাৰ কাৰণে কৃষি আয়কৰৰ পৰিমাণ বেচি হয়। ব্যৱহাৰিক কামৰ কাৰণে এই হিচাব যোৱা বছৰৰ প্ৰকৃত হিচাবৰ ওপৰত ভেটি কৰি কৰা হয়। সেই কাৰণে প্ৰাপ্ত ৰাজহৰ সংখ্যা বৃদ্ধি পায়।

কিন্তু আনহাতে মূলধন হিচাবৰ শিতানত ৯১,৮৮,০০০৲ টকা ঘাটি পৰে। সংশোধিত বাজেটত সামৰণি হিচাব ২,১৮,০৮,০০০৲ টকা হব বুলি অনুমান কৰা হৈছিল। কিন্তু ওপৰঞ্চি আৰু বাহি ৰাজহৰ ফলত এই পৰিমাণ ২,৯১,৯১,০০০৲ টকা হয়গৈ।

## ১৯৫৩-৫৪ চনৰ সংশোধিত বাজেট

চলিত বছৰৰ মূল বাজেটত প্ৰাপ্ত ৰাজহৰ পৰিমাণ ১৩,০০,৭৯,০০০৲ টকা আৰু ব্যয় হোৱা ৰাজহৰ পৰিমাণ ১৪,৯৭,২৮,৮০০৲ টকা ধৰা হৈছিল। তাৰ ফলত ঘাটি ৰাজহৰ পৰিমাণ ১,৯৬,৪৯,০০০৲ টকা হয়। সংশোধিত বাজেটত প্ৰাপ্ত ৰাজহ ১৪,৩ ,৮১,০০০৲ টকা আৰু ব্যয় হোৱা ৰাজহৰ পৰিমাণ ১৪,৯১,১০,০০০৲ টকা ধৰা হয় আৰু তাৰ ফলত ৫৩,২৯,০০০৲ টকা ঘাটি হয়। মন কৰিলে দেখা যাব যে মূল বাজেটত ব্যয়ৰ শিতানত অতি কম অসমতা দেখা যায়, কিন্তু প্ৰাপ্ত ৰাজহৰ পৰিমাণ সংশোধিত বাজেটত ১,৩৯,০২,০০০৲ টকা বেচিকৈ ধৰা হৈছে।

এইটো দেখা যাব যে মুঠ প্ৰাক্কলিত প্ৰাপ্ত ৰাজহৰ পৰিমাণ হৈছে ১৪,৩৯,৮১,০০০ টকা আৰু এই পৰিমাণ অসমে ইয়াৰ আগতে পোৱা যি কোনো বছৰৰ প্ৰাপ্ত ৰাজহৰ পৰিমাণতকৈ বেছি আৰু আনকি পোৱা বাকী ৰাজহ ৮০,০০,০০০৲ টকাক ধৰি যোৱা বছৰত পোৱা ৰাজহৰ পৰিমাণতকৈ এই ধনৰ পৰিমাণ বেছি। সন্তোষজনক ভাবে ৰাজহ সংগ্ৰহ, সন্তোষজনক ভাবে বিক্ৰীকৰ 'নিৰ্দ্ধাৰণ আৰু আহৰণ আৰু ভাল খেতি বাতি হোৱাৰ ফলত অধিক মাত্ৰাই ৰাজহ আদায় ইত্যাদিৰ ফলত চলিত বছৰত আৰু পিচৰ বছৰত প্ৰাক্কলিত ধনৰ পৰিমাণ বৃদ্ধি পায়। সংশোধিত সূচীত দেখুৱা ঘাটি যে প্ৰকৃত ঘাটি হব এইটো প্ৰায় খাটাং। এই ঘাটি কিন্তু পাচবছৰীয়া পৰিকল্পনাৰ অন্তৰ্গত আচনি সমূহৰ বাবেই হবলৈ পাইছে।

আগতে উল্লেখ কৰাৰ দৰে ২৭৫ অনুচ্ছেদৰ অধীনৰ আঁচনি সমূহ বাদ দি চলিত বছৰত আমাৰ পাচবছৰীয়া পৰিকল্পনাৰ প্ৰাক্কলিত ব্যয়ৰ পৰিমাণ হৈছে ২,৬৩,২৪,০০০৲ টকা। ইয়াৰ ভিতৰত মাত্ৰ ৭৮,৪৯,০০০৲ টকা মূলধন শিতানত ধৰা হব আৰু ১,৮৪,৭৩,০০০৲ টকা ৰাজহ শিতানত ধৰা হব। ভাৰত চৰকাৰৰ পৰা ঋণ সাহায্য স্বৰূপে আমি ১,৭৫,২৫,০০০৲ টকা প্ৰাপ্ত মূলধন হিচাবে (সাধাৰণ পাচবছৰীয়া পৰিকল্পনাৰ বাবে ১,২৫,০০,০০০৲ টকা আৰু অধিক শস্য উৎপাদন আঁচনিৰ বাবে ৫০,২৫,০০০৲ টকা) পাম আৰু আমাৰ নিজা মূলধন সমূহৰ পৰা ৬,৪৩,০০০৲ টকা ব্যয় কৰা হব। প্ৰাপ্ত ৰাজহৰ শিতানত আমি অধিক শস্য উৎপাদন আঁচনি সমূহৰ বাবে মাত্ৰ ৭,২২,২০০৲ টকা পাম। সেই কাৰণে আমাৰ ৰাজহৰ ওপৰত পৰা মুঠ বোজাৰ পৰিমাণ ১,৭৭,০৭,৮০০৲ টকা হব। এনেকুৱা নহলে বাজেটৰ ৰাজহ শাখাত কোনো ঘাটি দেখুৱাব লগা নহলহেতেঁন।

সঞ্চিত নিধিৰ বাহিৰত মূলধন আৰু লোক-লেখা শিতানৰ অধীনত অধিক মাত্ৰাই ধন পোৱা যাব। তাৰ ফলত আগতে ধৰা সামৰণি হিচাৱ (—)৪০,৪৭,০০০৲ টকাৰ ৩,৯৯,৬৪,০০০৲ টকা হব বুলি আশা কৰা হৈছে।

## ১৯৫৪-৫৫ চনৰ বাজেট

অহা বছৰৰ বাবে এখন সন্তোষজনক বাজেট দাঙি ধৰিব নোৱাৰাৰ বাবে মই দুখ প্ৰকাশ কৰিছো। অহা বছৰৰ বাজেটত প্ৰাক্কলিত ১৬,৭০,১২,০০০৲ টকা ৰাজহ ব্যয়ৰ বিপক্ষে ১৪,৪১,৬১,০০০৲ টকা প্ৰাপ্ত ৰাজহৰ প্ৰাক্কলন কৰা হৈছে আৰু তাৰ ফলত বাজেটত ২,২৮,৫১,০০০৲ টকা ঘাটি পৰিছে। কম পৰিমাণে দৰমহা পোৱা চৰকাৰী চাকৰিয়াল সকলক সাহায্য দিবলৈ প্ৰস্তাৱ কৰা বাবে এই ঘাটিৰ পৰিমাণ কুৰি লাখ বা তাতকৈ অলপ বেছি বৃদ্ধি পাব পাৰে। এইটো দেখা যাব যে প্ৰাক্কলিত ৰাজহৰ পৰিমাণ ইয়াৰ আগৰ যি কোনো বছৰৰ ৰাজহৰ পৰিমাণতকৈ বেছি। অহা বছৰৰ পিচৰ বছৰতহে সংশোধিত সূচী বা প্ৰকৃত ৰাজহৰ উন্নতিৰ আশা কৰিব পৰা যায়। আন হাতে বিশেষকৈ পাচবছৰীয়া পৰিকল্পনাৰ অধীনৰ প্ৰচেষ্টা সমূহলৈ লক্ষ্য কৰি প্ৰাক্কলিত ব্যয়ৰ ওচৰ চাপিব পৰা যাব বুলি আশা কৰা হৈছে। সেই কাৰণে ইয়াত দেখুৱা ঘাটি প্ৰকৃত ঘাটি হব বুলি অনুমান কৰা যায়। অৱশ্যে এই ঘাটিৰ বাবে পাচ বছৰীয়া পৰিকল্পনাই দায়ী। ২৭৫ অনুচেছদৰ অধীনৰ আঁচনি সমূহ বাদ দি অহা বছৰত পাচবছৰীয়া পৰিকল্পনাৰ বাবে ৪,৭৫,১৮,০০০৲ টকা ধৰা হৈছে। ইয়াৰ ভিতৰত মূলধন ব্যয়ৰ শিতানত ২,৭৬,৫৮,০০০৲ টকা আৰু ৰাজহ ব্যয়ৰ শিতানত ১,৯৮,৬০,০০০৲ টকা ধৰা হৈছে। ভাৰত চৰকাৰৰ পৰা ঋণ স্বৰূপে আমি প্ৰায় ৪ কোটি টকা পোৱাৰ আশা আছে কিন্তু এই টকা প্ৰাপ্ত ৰাজহৰ ঘৰত ধৰা হব। প্ৰাপ্ত ৰাজহৰ শিতানত অধিক শস্য উৎপাদন আঁচনিৰ বাবে আমি কেন্দ্ৰৰ পৰা ১৪,৭৫,০০০৲ টকা অনুদান হিচাপে পাম বুলি আশা কৰিছো। সেই কাৰণে ৰাজহ ব্যয়ৰ শিতানত পৰা বোজাৰ পৰিমাণ ১,৮৩,৮৫,০০০৲ টকা হব। এইটো নহলে ৰাজহ শাখাত হোৱা ঘাটিৰ পৰিমাণ মাত্ৰ ৪৪,৬৬,০০০৲ টকা হল হেতেঁন।

এই ঘাটি পূৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা লবলৈ আগ বাঢ়িছে সেই কথা মাননীয় সদস্য সকলে সুধিব পাৰে। তাৰ উত্তৰত মই কওঁ যে এই প্ৰশ্নৰ উত্তৰ বহুতো। প্ৰথমতে মই আগতে কোৱাৰ দৰে পাচবছৰীয়া পৰিকল্পনাৰ বাবে এই ঘাটি হবলৈ পাইছে আৰু এবাৰ এই পৰিকল্পনা সুষ্ঠ ভেঠিত প্ৰতিষ্ঠিত হৈ উঠিলে অৱস্থা ভালেখিনি শাম কাটিব। দ্বিতীয়তে আমি এই বিষয়ে নিশ্চিন্ত হৈ বহি থকা নাই। এই অধিবেশনত ৰাজহ বৃদ্ধিৰ বাবে কেতবোৰ কৰ নিৰ্দ্ধাৰণ সম্পৰ্কে সদনক বিবেচনা কৰিবলৈ অনুৰোধ কৰা হব। কৃষি আয়কৰৰ হাৰ বৃদ্ধি, ব্যবসায়, বৃত্তি, আজীবিকা আৰু নিযুক্তি কৰ বৃদ্ধি, বিক্ৰী কৰৰ অধীনত চিগাৰেট, চিগাৰ ইত্যাদি তেনেকুৱা দ্ৰব্যৰ ওপৰত থকা কৰৰ হাৰ বৃদ্ধি আৰু মৰাপাট আৰু বাকচ আৰু গাথৰ সহায়ত দেশৰ ভিতৰত নৈৰে কৰিয়াই নিয়া চাহপাতৰ ওপৰত কৰ আৰোপণ ইত্যাদি ব্যৱস্থাৰ জৰীয়তে দেশৰ ৰাজহ ওপৰঞ্চি ভাৱে বৃদ্ধি কৰিবলৈ চেষ্টা কৰা হৈছে। এই ব্যৱস্থা সমূহৰ তথাযথতা আৰু আৱশ্যকতা সম্পৰ্কে মই যথা সময়ত বিস্তৃত ভাবে আলোচনা কৰিম আৰু মই আশা কৰো যে আংশিকভাৱে হলেও ঘাটি পূৰণৰ বাবে লোৱা এনেকুৱা প্ৰগামী কৰ নিৰ্দ্ধাৰণ প্ৰচেষ্টাক সদনে সম্পূণ ভাবে সমৰ্থন কৰিব। এই ব্যৱস্থাৰ সহায়ত বাজেটৰ ঘাটি সম্পূৰ্ণ ভাবে পূৰণ কৰিব পৰা নহব পাৰে সঁচা কিন্তু ইয়াৰ বাহিৰে মই অইন কোনো উপায় নেদেখো। যোৱা বাৰৰ বাজেট বক্তৃতাত ৰাজ্যৰ ৰাজহ কি দৰে বৃদ্ধি কৰিব পৰা যায় সেই বিষয়ে মই মাননীয় সদস্য সকলৰ পৰা পৰামৰ্শ বিচাৰিছিলো। এইবাৰো মই সেই একে অনুৰোধকে দোহাৰি কওঁ যেন এই বিষয়ত সদনৰ পৰা কাৰ্য্যকৰী উপদেশ পোৱা যায়।

যোৱা বছৰৰ মোৰ বাজেট বক্তৃতাত মই কৈছিলো যে ঘাটি পৰা সত্বেও দেশৰ অৱস্থা উন্নয়নৰ বাবে সমাজ সেৱা সম্বন্ধীয় কেতবোৰ বিশেষ আঁচনি পৰিপালনৰ কামত আমি আগ বাঢ়ি যাব লগীয়া হৈছে আৰু চলিত বছৰতো আমি এই নীতি পালন কৰি আছো। মাননীয় সদস্য সকলে নিশ্চয় লক্ষ্য কৰিছে যে সমাজ সেৱাৰ কামত চৰকাৰৰ ব্যয়ৰ মাত্ৰা উত্তৰোত্তৰ বৃদ্ধি পাইছে। মঙ্গল বিধায়ক ৰাজ্যত এই কাম অপৰিহাৰ্য্য। বাজেটৰ স্মাৰক পত্ৰৰ পৰিশিষ্টত দেখুৱা নতুন বছৰৰ বাবে লোৱা নতুন আঁচনি সমূহৰ বাবে ৯৫,৯১,০০০৲ টকা ব্যয় ধৰা হৈছে আৰু এই আঁচনি সমূহত শেহত মুঠতে ১,২৯,১৯,০০০৲ টকা খৰচ কৰা হব। এই খিনিতে মই এটা কথা উল্লেখ কৰিব লগীয়া হৈছে। মঙ্গল বিধায়ক আঁচনি সমূহৰ পৰিপালনৰ বাবে

সমগ্র দেশতে কাৰিকৰী আৰু প্ৰশিক্ষণ প্ৰাপ্ত লোকৰ প্ৰয়োজন বাঢ়িছে আৰু এনেকুৱা লোকৰ অভাৱ অকল অসমতে হোৱা নাই। গোটেই ভাৰততে এনেকুৱা লোকৰ অভাৱ হোৱাৰ ফলত ৰাজ্যৰ বাহিৰৰ পৰা ডাক্তৰ আৰু ইঞ্জিয়াৰ আনিবলৈ কৰা আমাৰ চেষ্টা ফলৱতী হোৱা নাই। ইঞ্জিনিয়াৰ, ডাক্তাৰ, অভাৰচিয়াৰ, ড্ৰাফ্‌টচ্‌মেন আৰু কম্পুটৰ ইত্যাদি পদৰ বহুতো চাকৰি এতিয়াও খালি হৈ আছে। ডাক্তাৰ নাথাকিলে হাস্পতাল স্থাপন কৰি কোনো লাভ নাই। সেই দেখি মঙ্গল বিধায়ক কাৰ্য্য কলাপৰ বেগো আমি বাধ্য হৈ বহুতো ঢিলাই দিব লগীয়া হৈছে। সেইদৰে ইঞ্জিনিয়াৰ, অভাৰচিয়াৰ ইত্যাদিৰ অভাৱত বহুতো ৰাস্তা সজা আঁচনিৰ কাম সন্তোষজনক ভাবে আগ বঢ়া নাই। এই কথা বোধ হয় ঘৰ-দুৱাৰ সজা কামৰ ক্ষেত্ৰতে বেছিকৈ খাটে। ইঞ্জিনিয়াৰৰ অভাৱৰ বাহিৰেও প্ৰয়োজনীয় বস্তু বাহানিৰ অভাৱৰ ফলত এই কামত বৰ বাধা পৰিছে। এইটো সকলোৱে ভালদৰে জানে যে টিন পাত, লোৰ বস্তু, বিলাতী মাটি ইত্যাদিৰ বাবে আমি বাহিৰৰ পৰা অহা যোগানৰ ওপৰত নিৰ্ভৰ কৰিব লাগে। নিয়মিত ভাবে এই বস্তুবোৰ নোপোৱাত ঘৰ সজা কামত বাধা পৰে। সেই দেখি এই সদনৰ বাহিৰৰ লোক সকলে আৰু সদনৰ ভিতৰত থকা তেওঁলোকৰৰ প্ৰতিনিধি সকলে এই কথা মনত পেলাব যে প্ৰাপ্য লোক সম্পদ আৰু আৰ্থিক সম্পদ অনুযায়ীহে জনসাধাৰণৰ দাবী পূৰণ কৰিব পৰা যায় আৰু বহুতো সময়ত চৰকাৰে খৰ খেদাকৈ কাম কৰিব খুজিলেও অৱস্থাই কামৰ বেগ ঢিলাই দিবলৈ বাধ্য কৰে।

মই ইতিমধ্যে মাননীয় সদস্য সকলৰ পৰা বহুতো সময় লৈছোঁ আৰু তাৰ বাবে মাফ চাইছোঁ। ধৈৰ্য্য সহকাৰে বাজেট বক্তৃতা শুনাৰ বাবে মই তেওঁলোকক ধন্যবাদ দিছো।

বাজেটৰ হিচাব প্ৰস্তুত আৰু অন্যান্য আনুসঙ্গিক কামত বিনা ওজৰে সহায় সহযোগ কৰাৰ বাবে বিত্ত বিভাগৰ পদাধিকাৰী আৰু কৰ্ম্মচাৰী সকলক মোৰ ধন্যবাদ জনাইছো। সাধাৰণ বাজেটৰ উপৰিও স্বায়ত্ব শাসিত জিলা ৬ খনৰ বাবে স্বকীয়া ৬ খন বাজেট প্ৰস্তুত আৰু পাঁচ বছৰীয়া পৰিকল্পনা, সমূহীয়া প্ৰচেষ্টা আৰু অন্যান্য উন্নয়ন মূলক কামৰ বাবে উদ্ভৱ হোৱা জটিলতাৰ ফলত বাজেটৰ হিচাব প্ৰস্তুত কৰা কাম অতি কঠিন হৈ পৰে। চৰকাৰী মুদ্ৰালয়ৰ অধীক্ষক আৰু তেওঁৰ কৰ্ম্মচাৰী সকলে ঠিক সময়ত বাজেট ছপা কৰি উলিওৱাত যি কঠোৰ পৰিশ্ৰম কৰিব লগীয়া হৈছে তাৰ বাবেও মই তেওঁলোকক ধন্যবাদ জনাইছো। গোটেই বছৰ ধৰি আৱশ্যকীয় সাহায্য আৰু বিশেষকৈ বাজেটৰ হিচাব প্ৰস্তুত কামত মহালেখা পৰীক্ষক আৰু তেওঁৰ কৰ্ম্মচাৰী সকলে যি সহায় কৰিছে তাৰ বাবে মই তেওঁলোকক ইয়াৰ দ্বাৰা ধন্যবাদ জনাইছোঁ। এই খিনি কথাৰে সদনৰ অনুমোদনৰ বাবে ১৯৫৪-৫৫ চনৰ বাজেট দাঙি ধৰিবলৈ অধ্যক্ষ মহাশয়ৰ মই অনুমতি বিচাৰিছোঁ।

—জয়হিন্দ্—

A.G.P. (I.N.P.) No.12/54—300—11-3-1954.